# অসম বিধান সভা অধিৱেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখ ঃ ১৩/০৩/২০১৮ মঙলবাৰ**

---

**আজি ইংৰাজী 13-03--2018 তাৰিখে পুৱা 09-30 বজাৰ পৰা অধিৱেশন আৰম্ভ হয়।**

(সভাপতিৰ সন্মানীয় আসনত মাননীয় অধ্যক্ষ মহোদয় উপবিষ্ট)

...... প্ৰশ্নোত্তৰ কাল আৰম্ভ ...........

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Question No. 241, প্ৰশ্নকৰ্তা শ্ৰী ৰূপজ্যোতি কুৰ্মী।

**মাননীয় মন্ত্ৰী, স্বাস্থ্য** ঃ অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী ৰূপজ্যোতি কুৰ্মীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী ডাঙৰীয়াৰ পৰা উত্তৰ লাভ কৰিছো। কিন্তু দেখা গৈছে যে এতিয়াওঁ বহু Post vacant হৈ আছে। এই Vacant Post বিলাকৰ কাৰণে শেষতীয়াকৈ সংবাদ মাধ্যমৰ যোগেদি আমি দেখা পাইছো যে বহুতো Hospital ত Doctor নথকাৰ কাৰণে বহু ৰোগীৰো মৃত্যু হৈছে। যাৰ বাবে এটা বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে সমাজত। এই Vacant Post বিলাক কেতিয়া Fill-up কৰা হব, সেই কথাটো মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা অলপ স্পষ্টকৈ জানিব বিচাৰিছো।

**মাননীয় মন্ত্ৰী, স্বাস্থ্য ঃ** অধ্যক্ষ মহোদয়, প্ৰথম কথাটো হল যে এই প্ৰশ্নটোৰ লগত কেইবাটাওঁ কথা সংলগ্ন হৈ আছে। বিশেষকৈ মাননীয় সদস্য, শ্ৰী ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই চিকিৎসকৰ Vacancy ৰ ওপৰত প্ৰশ্নটো সোধাৰ কাৰণে মই উত্তৰটো তাতে সামৰিব খুজিছো।

অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্য চৰকাৰৰ অধীনত Directorate of Health Service & Family Welfare and Directorate of Medical Education ৰ অধীনত ডাক্তৰৰ কেইবাটাও পদ খালী হৈ থকা কথাটো সত্য। আপুনিও জানে যে আমাৰ ডাক্তৰৰ সংখ্যা যথেষ্ট সীমিত কাৰণ Medical College বিলাকে যিমান ডাক্তৰ উৎপাদন কৰে, সেইখিনিৰ আমি মাত্ৰ ৫০ শতাংশ মান ডাক্তৰ হে আমি পাওঁ আৰু বাকী ৫০ শতাংশ ডাক্তৰে MBBS পাচ কৰি M.D. বা further Higher Studies ৰ কাৰণে গুচি যায়। এতিয়া মই Vacancy তালিকা খন যদিওঁ দিছো, এই তালিকাৰ বিপৰীতে আকৌ ২৫ শতাংশ Post ত NRHM ৰ জড়িয়তে মানুহে কাম কৰি আছে। চৰকাৰৰ Vacancy বিলাক কেতিয়াবা আমি বিভিন্ন কাৰণত যেনে SC/ST বা OBC আদিত আমি ডাক্তৰৰ সংখ্যা লব নোৱাৰাৰ কাৰণে NRHM ৰ পৰা . Equell Number of Doctor প্ৰায় Close to the Vacancy কাম কৰি আছে।

তাৰোপৰি অধ্যক্ষ মহোদয়, Rural Posting ত আমি যিখিনি ডাক্তৰ দিওঁ, তাৰ বাবদ প্ৰতি বছৰে প্ৰায় ৫০০ ডাক্তৰে Rural Posting ত কাম কৰি আছে। সেইখিনি ডাক্তৰক আমি ইয়াত দেখুৱা নাই। তেওঁলোক এবছৰৰ কাৰণে যায় যদিও এবছৰ পাৰ কৰি ওলাই অহাৰ লগে লগে আৰু পিচৰ এবছৰৰ কাৰণে বেলেগ এটা Batch গুচি যায়। এবছৰ Complete কৰি ওলাই অহা ডাক্তৰ খিনিক তেতিয়া সেই Vacant Post বিলাকত Absorb কৰা হয়। গতিকে কাৰ্যত Post খিনি Vacant হৈ নাথাকে। অধ্যক্ষ মহোদয়, এটা ভাল খবৰ আছে

এই যে এই বাৰৰ পৰা আমি Barpeta Medical College ৰ পৰা Pass কৰা ডাক্তৰ খিনিওঁ পাবলৈ সক্ষম হম। যোৱা বাৰৰ পৰা আমি Jorhat Medical College ৰ পৰা Pass কৰা ডাক্তৰ খিনি পাবলৈ আৰম্ভ কৰিছো। তাৰ মানে আমাৰ বজাৰত ১০০ ডাক্তৰ বৃদ্ধি হৈছেতাৰ আগতে আমি কেৱল গুৱাহাটী, ডিব্ৰুগড় আৰু শিলচৰ মেডিকেল কলেজৰ ডাক্তৰ খিনিহে পাই আছিলো। বৰ্তমান বজাৰত প্ৰায় ৫০০ ডাক্তৰ উপলব্ধ হৈছে। এতিয়া যদি ২৫০ (আঢ়ৈ শ) ডাক্তৰে MBBS পাচ কৰি Post Gradguate বা আন Further Higher Studies ৰ কাৰণে গুচি যায়, তথাপিওঁ প্ৰায় ২৫০ (আঢ়ৈ শ) ডাক্তৰ আমি Recruitment কৰাৰ কাৰণে পাব পৰা অৱস্থাত আহিছো।

অধ্যক্ষ মহোদয়, মই আৰু এটা কথা সদনক জনাব বিচাৰিছো যে - আমি যেতিয়া ডাক্তৰ Recruitment কৰো, তথাপিওঁ কেতিয়াবা Recruitment ৰ কাৰণে আমি অসম লোক সেৱা আয়োগত যাব লাগে আৰু অসম লোক সেৱা আয়োগে গোটেই প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰোতে প্ৰায় এবছৰ লগাই দিয়ে। এই এবছৰত ডাক্তৰ বিলাকৰ Mind টো Change হৈ যায়। কোনোবাই চৰকাৰী চাকৰিৰ কাৰণে অপেক্ষা কৰি থাকে । সেই সময়তে যদি কোনোবা Nursing Home এ তেওঁক কামৰ প্ৰস্তাৱ দিয়ে তেতিয়া A.P.S.C. লিষ্টত নাম ওলাব বুলি সেই প্ৰস্তাৱ Cancel কৰে। তিনিবাৰ মান অপেক্ষা কৰাৰ পিচত যেতিয়া List ত নাম নাথাকে, তেতিয়া তেওঁলোকে লাহে লাহে বিভিন্ন Nursing Home বা অন্য ঠাইলৈ গুচি যায়। ডাক্তৰ Recruitment ক্ষেত্ৰত এইটো আমাৰ এটা অসুবিধা হৈ আছে।

অধ্যক্ষ মহোদয়, এতিয়া আমি এটা সিদ্ধান্ত ললো Cabinet এ অনুমোদন জনালে যে ডাক্তৰ Recruitment ৰ কাৰণে এতিয়া আমি A.P.S.C. ত যাব নালাগে। "Assam Medical Service Recruitment Board" বুলি A.P.S.C.ৰ সমানে Power দি আমি এখন Board গঠন কৰিছো। যেনেকৈ A.P.S.C.ৰ সভাপতি জন চৰকাৰৰ সচিব পৰ্য্যায়ৰ হব লাগে, আমাৰ Recruitment Board ৰ অধ্যক্ষ জনো সচিব পৰ্য্যায়ৰ হব লাগে। এতিয়া Medical Recruitment Board গঠন হোৱাৰ পিচত আমি চাকৰিৰ বাবে আবেদন বিচাৰিছিলো প্ৰায় ৫০০ ডাক্তৰে নিযুক্তিৰ বাবে আবেদন কৰিছে। আমি ভাবো যে এপ্ৰিলৰ ১০ তাৰিখৰ আগতে আৰু ৫০০ ডাক্তৰ আমি নিযুক্তি দিব পাৰিম। মই ভাবো যে বৰপেটা যোৰহাটৰ পৰা ডাক্তৰ পোৱাৰ পিচত MBBS পয্যায়ৰ ডাক্তৰৰ আমি যোৱা মাৰিব পৰা অৱস্থাত আহিম। কিন্তু Post Gradguate, Specialist পৰ্য্যায়ৰ ডাক্তৰৰ সমস্যাটো আৰু কিছু বছৰ থাকিব।

**মাননীয় অধ্যক্ষ ঃ** Thank you.

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি দেখা পাইছো যে যোৰহাট এখন গুৰুত্বপূৰ্ণ জিলা । ইয়াৰ দাঁতিকাষৰীয়া গোলাঘাট আৰু শিৱসাগৰ জিলাৰ পৰা সৰহ সংখ্যক ৰোগী যোৰহাট মেডিকেল কলেজলৈ আহে। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে- আমাৰ Nuro- Surgery ডাক্টৰৰ অভাৱৰ বাবে সাধাৰণতে Accident Case বোৰ ৰেফাৰ কৰি অসম মেডিকেল কলেজ বা ডিব্ৰুগড় মেডিকেল কলেজলৈ লৈ যাবলগীয়া হয়। Neuro- Surgery ৰ পৰা আদি কৰি Nephrologist, Hematologist, Neurologist ডাক্টৰৰ যিটো ডিমাণ্ড আৰু প্ৰয়োজনীয়তা আছে, এই ডাক্টৰ বোৰৰ অভাৱ পূৰণৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে কেনে ব্যৱস্থা গ্ৰহণ কৰিছে অনুগ্ৰহ কৰি জনাব নেকি ?

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, Neuro - Surgery ৰ ক্ষেত্ৰত শিক্ষা দিয়াৰ বাবে

অসমত চিট আছে মাত্ৰ দুটা । অৰ্থাৎ বছৰত মাত্ৰ দুজন ডাক্তৰ আমি গুৱাহাটী মেডিকেল কলেজত পঢ়াব পাৰো। এইটো যিহেতু All India bassis ত Examination পতা হয়, কোনো বছৰত দুয়োজন পৰীক্ষাৰ্থীয়েই অসমৰ বাহিৰৰ হৈ যায়, কোনো বছৰত অসমৰ এজন হয় আৰু কোনো বছৰত হয়তো দুয়োজনেই অসমৰ হয়। Neuro - Surgery পঢ়াৰ পিছত তেওঁলোকে সাধাৰণতে চৰকাৰী চাকৰিত সোমাব নোখোজে, কাৰণ চৰকাৰে যিখিনি দৰমহা দিয়ে প্ৰায় সমকক্ষ দৰমহা Nursing Home বিলাকত এটা অপাৰেশ্যন কৰিলে তেওঁলোকে পায়। অধ্যক্ষ মহোদয়, কিন্তু তাৰ মাজতো আমি যোৰহাট মেডিকেল কলেজত ইতিমধ্যে এজন Neurosurgeon দিছো। Neuro - Surgery গোটেই ডিপাৰ্টমেন্টটো সজাই-পৰাই তুলিবৰ বাবে প্ৰায় ১২ কোটি টকা আমি যোৱা বছৰ মুকলি কৰি দিছো। মই ভাৱো যে- অসমৰ বিশেষকৈ বৰাক ভেলিটো এজনো Neurosurgeon নাই। সেই পৰিপ্ৰেক্ষিতত যোৰহাটৰ অৱস্থাটো সন্তোষজনক বুলিয়েই কব লাগিব। কিন্তু Neurosurgeon ৰ ক্ষেত্ৰত অভাৱটো থাকিবই, যেতিয়ালৈকে এম চি টিয়ে পৰ্যাপ্ত Neuro - Surgery পঢ়াবৰ কাৰণে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধিৰ কাৰণে আমাক অনুমতি নিদিয়ে।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি বিধায়ক সকল যিহেতু বিভিন্ন হস্পিতাল মেনেজমেন্ট কমিটীৰ সভাপতি আৰু সেই সুত্ৰে আমাৰ মেইন সমস্যা ডাক্তৰ বা গ্ৰেড ফ'ৰৰ কথা মই নকওঁ। মই কব খুজিছো যে- হস্পিতালখনৰ মূল কৰ্মী হ'ল চাফাই কৰ্মীসকল। নকছাৰী বি পি এচ চিৰ নাজমা বেগম নামৰ এগৰাকী মহিলাই যোৱা ৮ মাহে দৰমহা পোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি মাননীয় মন্ত্ৰীৰ পৰা জানিব বিচাৰিছো যে-আৰ কে এছ ফাণ্ড, ইউ জি এছ ফাণ্ডৰ যোগেদি আমি পেমেন্ট কৰি আছিলো। ইউ জি এছ ফাণ্ডটোত মাত্ৰ ৬০০০ টকা দিয়া আছে। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিম যে- সংবাদ মাধ্যমত মাজতে উলিয়াইছিল যে কেন্দ্ৰীয় চৰকাৰে স্বাস্থ্য বিভাগত বা এন এইচ এমত টকা কৰ্তন কৰিলে, এই বাতৰিটোৰ কিমান সত্যতা আছে ? এইটোৰ কাৰণে আমাৰ অসমত কিবা ক্ষতি হ'ব নেকি ? এটা সময়ত বেষ্ট হেল্থ মিনিষ্টাৰ হিচাপে আপুনি বঁটা পাইছিল। তেনে এটা পৰিৱেশৰ পৰা এগৰাকী চাফাই কৰ্মীক আমি টকা দিব নোৱাৰা পৰ্যায় এটা কিয় পাইছে?

**ড° হিমন্ত বিশ্ব শৰ্মা,মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানত যোৱা তিনি বছৰত পুঁজি প্ৰতিবছৰে প্ৰায় ১৫ শতাংশ হাৰত অসমে বেছি পাই আহিছে। আমাৰ Utilization Level ৰ প্ৰায় ৯০ শতাংশ স্পৰ্শ কৰিব পাৰিছো। অধ্যক্ষ মহোদয়, হস্পিতালখনত কাম কৰা এই চাফাই কৰ্মী জনীয়ে কিয় দৰমহা পোৱা নাই তাৰ উত্তৰ আচলতে ৰূপজ্যোতি কুৰ্মীডাঙৰীয়াই নিজেও জানে। তাৰ উত্তৰত মই এইটোৱে কৰ বিচাৰো যে- আগতে আমি সাধাৰণ নাগৰিকৰ পৰা ফিজ লৈছিলো। এই ফিজ বিলাক Hospital Management Committee ত জমা লোৱা হৈছিল আৰু আমাৰ বিধায়ক সকলৰ অধ্যক্ষতাতে হওঁক বা আন ব্যৱস্থাৰ জড়িয়তেই হওঁক হস্পিতাল বিলাকে নিজাববীয়াকৈ কিছু ব্যক্তিক নিযুক্তি দিয়া আৰম্ভ কৰিলে। ভেকেন্ট পোষ্টৰটো দৰমহাৰ কোনো অভাৱ নাই। অধ্যক্ষ মহোদয়, যদি চৰকাৰীভাৱে নিযুক্তি পোৱা কোনোবা চাফাই কৰ্মীয়ে ৮ মাহৰ দৰমহা পোৱা নাই, তেতিয়া মই আজিয়েই জইন্ট ডাইৰেক্টৰক চাচ্‌পেণ্ড কৰি দিম। মই সদনক প্ৰতিশ্ৰুতি দিছো। কিন্তু কথাটো সেইটো নহয় অধ্যক্ষ মহোদয়, কথাটো হ'ল, ভেকেন্ট পোষ্ট হিচাপে চৰকাৰে নিযুক্তি দিয়া নাই, তাৰ ঠাইত Society এ নিজে কোনোবা এজনক লৈ ললে, ঘটনাটো হল সেইটো, এই কথাটোকে মই সদনক জনাব খুজিছো। এতিয়া অধ্যক্ষ মহোদয়, Blood Test, X-Ray, Ultra-Sound এই বিলাক Free হৈ যোৱাৰ পিছত স্বাভাবিকতে এটা সমস্যাৰ সৃষ্টি

হৈছে। হস্পিতাল বিলাকত প্ৰয়োজন সাপেক্ষে যিবোৰ কৰ্মচাৰী লোৱা হৈছিল, তেওঁলোকক এতিয়া আমি কৰ পৰা দৰমহা দিম ? যিহেতুকে এতিয়া আমি Patient ৰ পৰাও Fees আদি লব নোৱাৰা হৈছো। তথাপিও আমি O.P.D.ৰ বাবদ যি ৫ টকা এটা Fees লোৱা হৈছিল, সেইটোৰ পৰাও ৰোগী সকলক ৰেহাই দিয়াৰ প্ৰচেষ্টা অব্যাহত ৰাখিছো। যদি দৰমহা পোৱা নাই মই আজিয়েই Joint director Suspend কৰিম। মই সদনত প্ৰতিশ্ৰুতি দিছো। মোক অকল ক'ব লাগে কিন্তু কথাটো সেইটো নহয়, অধ্যক্ষ মহোদয় কথাটো হ'ল কি যে vacant post আছে চৰকাৰে নিযুক্তি দিয়া নাই তাৰ ঠাইত Society য়ে কোনোৱা এজনকৈ লৈ ল'লে । এতিয়া ঘটনাটো সেইটো গতিকে হাউচত প্ৰকৃত কথাটো ক'ব খুজিছো। এতিয়া অধ্যক্ষ মহোদয়,Blood test, ultra-sound, x-ray , হৈ যোৱাৰ পিচত স্বাভাবিকতে এটা সমস্যাৰ সৃষ্টি হৈছে এই যে, এই যে হস্পিটেলবিলাকত আমি প্ৰয়োজন সাপেক্ষে ষ্টাফবিলাক লৈছিলো। মই অপ্ৰয়োজন বুলি কোৱা নাই। এই কথা হ'ল যে আমি তেওঁলোকক কেনেকৈ দৰমহা দিম। এটা সমস্যা এটা হৈছে কাৰণ আমি পেচেন্টৰ পৰাও ল'ব নোৱাৰো যে ব্লাড টেষ্টত আপুনি আগৰ দৰে পইচা দিয়ক। x-ray ত পইচা দিয়ক। আনকি আমি O P D ৰ কাৰণেও যিটো ৫ টকা লওঁ সেইটোও আমি নোহোৱা কৰাৰ প্ৰচেষ্টা চলাই আছো। আমি ৫ টকাটো ৰাইজৰ পৰা নলওঁ। তেনেকুৱা এটা ব্যৱস্থালৈকে আমি অসমৰ স্বাস্থ্যখণ্ডক লৈ যাব খুজিছো। কিন্তু তাৰ লগে লগে আমাৰ শুৱালকুছি হস্পিটেলত ৪ জন লৰাই কাম কৰে কিন্তু আজি ৮ মাহ দৰমহা পোৱা নাই। কাৰন হস্পিটেলৰ ইনকাম নাই। সকলোখিনি ফ্ৰি হৈ গৈছে। মৰিয়নিৰ সমস্যাটো এনেকুৱা সকলো বিধায়কৰে সমস্যা আছে গতিকে আমি এটা চিন্তা কৰি আছো অধ্যক্ষ মহোদয়, এই যে এই সমস্যাসমূহৰ জোৰা তাপলি মাৰিবলৈ আমি হস্পিটেলবিলাকত এটা আন টাইড ফাণ্ড---- যে চিভিল হস্পিটেলবিলাকত বছৰি ১০ লাখ বা ১৫ লাখ টকাৰ আন টাইড ফাণ্ড দিলো য'ত খৰছ কৰে কৰক। চি এইচ চিত ৭ লাখ টকা এটা দিলো। সৰু হস্পিটেলত ৩ লাখ টকাকৈ দিলো । তেনেকুৱাকৈ প্লেন আমি বনাই আছো অধ্যক্ষ মহোদয় কিন্তু মোক দুই - তিনি মাহ সময় লাগিব। এই টকাখিনি খা খৰছ কিমান হ'ব হিচাপ নিকাছ ওলাই মই ভাবো আৰু মই ভাবো যে আমাৰ আমাৰ আনটাইড ফাণ্ড পোৱাৰ পিছত আমাৰ হস্পিটেল মেনেজমেন্ট কমিটিয়ে সেই কৰ্মচাৰীখিনিক দৰমহা দিব পাৰিব। কিন্তু গোটেই ব্যৱস্থাটো কৰোতে আমাক ৩-৪ মাহ সময় লাগিব।

**মাননীয় অধ্যক্ষ ঃ** ..... এতিয়া আব্দুল কালাম ৰছিদ আলম।

**শ্ৰীআব্দুল কালাম ৰছিদ আলমঃ** মাননীয় অধ্যক্ষ মহোদয়, Forth grade ৰ বহু পোষ্ট খালি আছে। নাইট চৌকিদাৰৰ অভাবত বহু পি এই চি, চাব চেন্টাৰ, মিনি চাব চেন্টাৰ ইত্যাদিত মানুহৰ চিকিৎসালয় হয় , ৰাতি কিন্তু গৰুৰ চিকিৎসালয় হয়। গতিকে মই অনুৰোধ কৰিছো যাতে তাৰ ব্যৱস্থা হয়। আৰু এটা কথা হ'ল বাউণ্ডেৰী ৱালখন বহু প্ৰয়োজন হৈছে তাৰ ব্যৱস্থা কৰিব নেকি ?

**মাননীয় অধ্যক্ষঃ** মই যোৱাকালি বাজেটত এটা কথা ভাল পাইছোঁ যে আমাৰ গুণোৎসৱ হস্পিটেলত পতাৰ কথাটো, তেতিয়া এই কথাবোৰ তেতিয়া আহি পৰিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী, স্বাস্থ্য, শিক্ষা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কেইদিন আমি বাতৰি কাকতত এটা কথা ওলাই আছে যে, অসম চৰকাৰে Forth grade পোষ্টৰ বিলুপ্তি কৰিছে। অধ্যক্ষ মহোদয় মই আপোনাক জনাব খুজো ২০-০৩-২০১৮ তাৰিখে ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগৰ পৰা Grade Four নিযুক্তিৰ বাবে ৩২৮ টা ৪২৩ টা Pharmacist আৰু ৭৭৮ গৰাকী নাৰ্ছ আৰু বেলেগধৰণৰ প্ৰায় ২০০ পোষ্টত নিযুক্তিৰ কাৰণে আমি ইতিমধ্যে

নিযুক্তিৰ বাবে বিজ্ঞাপন দিছো। বিজ্ঞাপনত যিসকলে application কৰিলে তাৰ পিচত manual application কৰোতে প্ৰায় এক লাখ মান application আহিল । তেওঁলোকক আমি এটি অনুৰোধ কৰিছো যে, আপোনালোকে ট্ৰেজাৰী চালানখন নতুনকৈ দিব নালাগে কেৱল মেনুৱেলৰ ঠাইত online fill up কৰি দিয়ক। ৭ এপ্ৰিলত আমাৰ last date । মই ভাবো যে by 30 may বাMaximum by 30 June আমি এই নিযুক্তিখিনি complete কৰিম। অধ্যক্ষ মহোদয়, গুনোৎসৱ যেতিয়া আমি পালন কৰিলো, তেতিয়া আমি স্কুলবিলাকত গ'লো। আমি তাত দেখা পালোঁ যে কিমান ক্লাচ ৰূম লাগে , কিমান আমাক পাৰ্টিচন ৱাল লাগে ক'ত ক'ত আমাৰ ইলেকট্ৰিচিটি নাই। এই গোটেইখিনি হিচাপ অহাৰ পিচতআমি দেখিলো যে ৯২০ কোটি টকা লাগে গোটেই সমস্যাখিনি এবাৰতে জোৰা টাপলি মাৰিবৰ বাবে। আমি যোৱা কালি বাজেটত লগে লগে ক'লো যে, আমাক একেবাৰতে ৯৫০ কোটি টকা দি দিম। ইতিমেধ্যে S S A টেণ্ডাৰৰ কাম আৰম্ভ কৰিয়ে দিছে। এই বাজেটখন শুনাৰ পিচতে। এই বছৰতে আমি জোৰা টাপলি মাৰি দিম। তাৰ পিছতে আমি চিন্তা কৰিলো যে, আমাৰ স্বাস্থ্য বিভাগটোত গোটেই অসমত ৫০০০ চাব চেন্টাৰ আছে আৰু ৭০০ হস্পিটেল আছে। এইবিলাকত কোনোৱা এজন যোৱা উচিত নহয় জানো, যদি কোনোৱা এজন যায় তেতিয়া আমি গম পাম যে, ক'ত boundary wall লাগে, ক'ত আমাৰ ভিকচিনেচন ৰূম নাই। ক'ত চুইপাৰৰ অভাৱ আছে। গতিকে এই গোটেইখিনি জোৰা টাপলি মাৰিবৰ কাৰণে আমি স্বাস্থ্যতো গুণোৎসৱৰ ব্যৱস্থা কৰিছোঁ। আগষ্ট- চেপ্টেম্বৰ মাহৰ ভিতৰত আমি স্বাস্থ্য বিভাগত গুনোৎসৱ কৰিম। তাৰ ফলাফলৰ ওপৰত ভিত্তি কৰি অহা বছৰ বাজেটৰ ভিতৰত আমি হয়তো স্বাস্থ্য বিভাগতো এনেকুৱা ব্যৱস্থা কৰিম। আজি যেনেকুৱা এডুকেচনৰ বাবে ১০০০ কোটি টকা দিলো তেনেকৈ আমি স্বাস্থ্য বিভাগৰ বাবেও এটা ব্যৱস্থা ল'ব পাৰিম। আৰু তাৰ মাজতো মাননীয় বিধায়কসকলে বিচৰা ধৰনে আমি যেনেধৰনে আবেদন পাওঁ সৰু সুৰা কামবিলাকো চলি থাকিব। পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগতো আমি এইবাৰ গ্ৰাম্য সেৱা উৎসৱ এটা কৰিব খুজিছো যাতে পঞ্চায়তৰ অফিচবিলাকতো এটা ব্যৱস্থা হয়। ৩৫০০ পঞ্চায়তৰ অফিছ আছে তাতো যাতে কোনোৱা এজন মানুহ যাব পাৰে যে আমাৰ মহিলাসকলত তাত বহাৰ ব্যৱস্থা আছেনে নাই, ক'ৰবাত Accountant আছেনে নাই, সেই কাৰনে যোৱাকালি আপোনালোকে বাজেটত দেখিছে যে, Health department আৰু rurel department তো আমি গুনোৎসৱৰ লেখীয়া দুটা কাৰ্য্যসূচী আমি ঘোষনা কৰিছো। মই ভাবো যে এই দুয়োটা কাৰ্য্যসূচী ৰূপায়ণ হ'লে অহা বছৰ স্বাস্থ্য আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত আমি যথেষ্ট উন্নয়ন সাধন কৰিবলৈ আমি সক্ষম হ'ম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ, নেক্সট কোৱেচন শ্বেৰমান আলি আহমেদ ডাঙৰীয়া কোৱেচন নাম্বাৰ - ২৪২

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী, স্বাস্থ্য, শিক্ষা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীশ্বেৰমান আলি আহমেদঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিলে যে, প্ৰতি বছৰে যোৱা তিনি বছৰত আমাৰ কিমান ছাত্ৰ- ছাত্ৰীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষা, উচ্চতৰ মাধ্যমিক পৰীক্ষা উত্তীৰ্ণ হয়। হাইস্কুল শিক্ষান্ত পৰীক্ষা, উচ্চতৰ মাধ্যমিক বা ডিগ্ৰী উত্তীৰ্ণ হোৱা ছাত্ৰ ছাত্ৰীৰ বাবে কিমান আসন আছে। মন্ত্ৰীয়ে দিয়া উত্তৰত দেখা গৈছে যে, ২০১৫ চনত হাই স্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈছিল। ২ লাখ ৪০ হাজাৰ আৰু মাদ্ৰাছা বোৰ্ডৰ পৰাও প্ৰায় ৭ হাজাৰ উত্তীৰ্ণ হৈছিল।

অৰ্থাৎ মুঠ প্ৰায় ২ লাখ ৪৭ হাজাৰ। কিন্তু যিখিনি আমাৰ হায়াৰ চেকেণ্ডৰী স্কুল আৰু ডিগ্ৰি কলেজত এলেভেন - টুৱেলভ পঢ়াৰ সুবিধা আছে তাত আসন আছে প্ৰায় ১ লাখ ৬৬ হাজাৰ । অৰ্থাৎ প্ৰায় ৫০ হাজাৰমান ছাত্ৰ-ছাত্ৰী আসনৰ অভাৱত পঢ়িব নোৱাৰে। ঠিক একেদৰে হায়াৰ চেকেণ্ডৰী উত্তীৰ্ণ ছাত্ৰ ছাত্ৰী ২০১৫ চনত দেখুওৱা হৈছে প্ৰায় ২ লাখ ১৪ হাজাৰ। কিন্তু আমাৰ ডিগ্ৰি কলেজবোৰত আসন আছে প্ৰায় ১ লাখ ৬৬ হাজাৰ। অৰ্থাৎ ইয়াতো প্ৰায় ৫০ হাজাৰ ল'ৰা ছোৱালী পঢ়াৰ কাৰণে সুবিধা নাপায়। এতিয়া Higher education ৰ ক্ষেত্ৰত university ৰ post graduation ৰ ক্ষেত্ৰত অৱস্থাটো আৰু বেয়া। আমাৰ ডিগ্ৰীও উত্তীৰ্ণ হয় প্ৰতি বছৰে প্ৰায় ৭০ হাজাৰমান ল'ৰা-ছোৱালীয়ে। কিন্তু ইউনিভাচিটিত পোষ্ট গ্ৰেজুৱেচন কৰিবলৈ গুৱাহাটীত ইউনিভাচিটিত প্ৰায় তিনি হাজাৰ, ডিব্ৰুগড় ইউনিভাৰচিটিত প্ৰায় ১১০০ এনেকৈ মাত্ৰ ৭৬০০ হে আসন আছে। আৰু এটা কথা হৈছে যে বিশেষকৈ চাইন্স আৰু কমাৰ্চ ষ্ট্ৰীমৰ ক্ষেত্ৰত কৈছো। হাই স্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰিছিল ২ লাখ ৪৭ হাজাৰ কিন্তু চাইন্স পঢ়িবলৈ সুবিধা পায় মাত্ৰ ২০ হাজাৰমান আৰু কমাৰ্ছ পঢ়িবলৈ সুবিধা পায় ১১হাজাৰমানহে ছাত্ৰ ছাত্ৰী। গতিকে মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো যে শিক্ষাৰ এই অৱস্থাটো উন্নতি ঘটাবলৈ আমাৰ হাইস্কুলবোৰক হায়াৰ চেকেণ্ডৰীলৈ convert কৰিব নেকি আৰু ডিগ্ৰি কলেজ আৰু বিশেষকৈ ইউনিভাচিটিৰ সংখ্যাটো বৃদ্ধি কৰিব নেকি ? এই বছৰ দুখন ইউনিভাচিটি ঘোষনা কৰিছে , ডিগ্ৰীও দুখনমানহে ঘোষণা কৰিছে। ক্লাষ্টাৰ ইউনিভাছিটি তাত পোষ্ট গ্ৰেজুৱেচন কৰাৰ সুবিধা থাকিব নে নাই নাজানো কিন্তু এই দুখনেই suficient হয়। কাৰণ আমাৰ৭৬০০ হে পোষ্ট গ্ৰেজুৱেচন কৰিব পাৰে। গতিকে চাইন্স আৰু কমাৰ্চৰ লগতে ইউনিভাচিটিৰ সংখ্যা বৃদ্ধি কৰিব নেকি যাতে আমাৰ লৰা ছোৱালীখিনিয়ে পঢ়িবলৈ সুবিধা পায়।

মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো যে অসুবিধা দুৰ কৰিবলৈ বিশেষকৈ science আৰু commerce stream ত। আমাৰ হাইস্কুল শিক্ষান্ত পাছ কৰিলে **২.৪০** লাখ। science পঢ়িবলৈ সুবিধা পায় মাত্ৰ **২০** হাজাৰ মান ছাত্ৰ -ছাত্ৰীয়ে আৰু commerce সুবিধা পায় মাত্ৰ **১১** হাজাৰ ছাত্ৰ -ছাত্ৰীয়ে। গতিকে মই আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো যে শিক্ষাৰ এই অৱস্থাটো উন্নতি ঘটাবলৈ drastically higher secondary level ত science আৰু commerce stream তো সোমোৱাৰ কাৰণে আমাৰ হাইস্কুল বোৰক higher secondary লৈ convert কৰিব নেকি? আৰু degree college আৰু বিশেষকৈ University ৰ সংখ্যা এই বছৰত দুখন cluster University ৰ কথা ঘোষণা কৰিছে। তাত post graduation ৰ সুবিধা থাকিব নে নাই নাজানো, কিন্তু এই দুখনে যথেষ্ট নহয়। মাত্ৰ আমাৰ **৭৬০০** মানেহে post graduation কৰিব পাৰে। আৰু **৬** খন মানে degree college ঘোষনা কৰিছে। গতিকে গোটেই ৰাজ্যখনত University তথা degree college drastically বঢ়োবাৰ কিবা ব্যৱস্থা লব নেকি যাতে আমাৰ লৰা-ছোৱালী বোৰ পঢ়াৰ কাৰণে সুবিধা পায় আৰু বিশেষকৈ science আৰু commerce stream ত যাতে আসনৰ সংখ্যা বৃদ্ধি কৰা হয়। হাইস্কুল বোৰক higher secondary লৈ convert কৰি science আৰু commerce stream তো বঢ়োৱা হয়, তাৰ কাৰণে ব্যৱস্থা লব নেকি?

**ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষাবিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি আপুনি প্ৰশ্ন আৰু উত্তৰ এই দুয়োটাৰ ওপৰত সদনত কথা কিছুমান কৈছিলে। মই আজি তাৰ লগত দুটা কথা

মিলাব খুজিছো আমাৰ শ্বেৰমান আলি ডাঙৰীয়াই প্ৰশ্নটো খুব genuinely কৈছে। কিন্তু ইয়াত কেইটামান কথা আৰু সোমাই থাকে - এটা হ'ল যে শিক্ষাবিভাগে অকল শিক্ষাৰ বা আসনৰ ব্যৱস্থা নকৰে। ইয়াৰ লগত স্বাস্থ্য বিভাগে লৰা-ছোৱালীক নাৰ্চিং পঢ়াই, স্কীলৰ প্ৰশিক্ষণ হয়, গতিকে প্ৰশ্নটো comprehensive হ'লহেতেন যে মেট্ৰীক পাছ কৰাৰ পিছত অসমৰ শিক্ষা বিভাগক বাদ দিও বিভিন্ন বিভাগত যি আসন আছে আই টি আই আছে, নাৰ্চিং ইনষ্টিটিউত আছে এই গোটেই বিলাকৰ পৰা যদি আমি তথ্যটো আনিব পাৰিলোহেতেন, তেতিয়া দেখা পালেহেতেন যে ইয়াত বহুত বেছি তাৰতম্য নাই। এতিয়া আপোনালোকে দেখিছে যে মেট্ৰীক পাছ কৰে **২০১৭** চনত **১,৮৭,৬৫৬** গৰাকী লৰা- ছোৱালীয়ে। তাৰ বিপৰীতে যদি আসনৰ সংখ্যা চাই কলা শাখাত প্ৰা য় **১** লাখ আছে, বিজ্ঞানত আছে প্ৰায় **১৩, ১৭৮** আছে, কৰ্মাচত **৪,৯১৬** আছে, ভোকেচনেল **৩,২৬৫** আছে। ইয়াৰ লগত যদি আই টি আই খিনি যোগ কৰি, নাৰ্চিং পঢ়া লৰা- ছোৱালী খিনিক যোগ কৰি দিয়ে আৰু যিখিনি অসমৰ বাহিৰত বিভিন্ন ধৰণৰ curriculam কৰিব কাৰণে গুচি যায়, মেট্ৰীক পাছ কৰাৰ পিছত চাকৰিৰ কাৰণে গুচি যায়। গতিকে এই গোটেই খিনি যদি চাই তেতিয়া হ'লে আপুনি দেখিব যে নামভৰ্তি নোপোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বহুত বেছি নহয়। কাৰণ আমি ইমান অভিযোগ নাপাওঁ। এইবাৰ আমি এটা অভিযোগ পাইছিলো যে ডুমডুমা কলেজত লৰা-ছোৱালী পঢ়িব পৰা নাই। আমি লগে লগে এখন কলেজ ডুমডুমাত দিলো। গতিকে মই মাননীয় সদস্যসকলক অনুৰোধ কৰিম যে আপোনালোকৰ সমষ্টিত কোনোবাই যদি মেট্ৰীক পাছ কৰা লৰা-ছোৱালীয়ে হায়াৰচেকেণ্ডাৰী পঢ়িব পৰা নাই। তেতিয়া হ'লে আপোনালোক মোক জনালে নিদিষ্ট ঠাইত আমি কলেজ বা স্কুল দিয়াত আমাৰ কোনো আপত্তি নাই। এইবাৰে আমাৰ Signature scheme ত যিমান বিধায়কে এই কথা চিন্তা কৰি যিমানে কলেজ বিচাৰিছে আমি সকলোকে দিছো। তাৰ ওপৰিও অধ্যক্ষ মহোদয়, তিনিটা ব্যৱস্থা লৈছো যে আমি কলেজ পৰ্য্যায়ত নতুন কলেজ স্থাপন কৰা, চলিত **৫০** খন কলেজত বিজ্ঞান শাখা দিছো আৰু এটা সিদ্ধান্ত লৈছো যে post graduation level ত অসমৰ সকলো degree college কে আমি post graduation খুলিবলৈ অনুমতি দিম। আৰু তেওঁলোকৰ লগত কথাবতৰা পাতি অন্তত এটা বিষয়ত হলেও post graduation খোলক, তেনেকুৱা আমি ব্যৱস্থা কৰিব খুজিছো। মই এপ্ৰিল মাহৰ শেষৰ ফালে অসমৰ কলেজৰ অধ্যক্ষ সকলক মাতিম আৰু আমাৰ গোটেই ব্যৱস্থাটো হ'ল যে তিনিশ খন কলেজত এটা বিষয়ত হলেও post graduation খোলাব পাৰো তেতিয়া হলে অতিৰিক্ত আসনো আমাৰ থাকি যাব। গতিকে আমি গোটেই ব্যৱস্থাটোলৈ সজাগ। ৰাজ্যচৰকাৰে কলেজ খোলা, ইউনিভাৰচিটি খোলা, additional stream দিয়া আদি ব্যৱস্থা লৈ আহিছো। ইয়াৰ লগে লগে এইবাৰ Skill ত আমি ডেৰ লাখ লৰা-ছোৱালীক Skill trained কৰিব খুজিছো। আমি Skill Development Department ক কৈছো যে প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীৰ হকে আপোনালোকক **১৪,৮০০** টকা দিম, তাতে আপোনালোক trained কৰিব কিন্তু training should lead to employment তাৰমানে training pass কৰাৰ দিনাখনেই এখন নিযুক্তি পত্ৰ পাব লাগিব বিভিন্ন বে-চৰকাৰী সংস্থাৰ পৰা। আৰু Skill Development Department তে ইতিমধ্যে ব্যৱস্থা কৰিছে যে এইবাৰ **৫০** হাজাৰ লৰা-ছোৱালীক Skill training কৰাব। আৰু Skill trained কৰাৰ পিছত that will lead to employment অসমত নহ'বও পাৰে, ভাৰতৰ কোনো ঠাইত directly employment পাব। গতিকে Core-Education, স্বাস্থ্য বিভাগৰ লগত জড়িত elite subject বোৰ, laboratory technician, NRHM, Pharmacist এইবিলাক Skill ৰ লগত জৰিত Skill

based training, ITI পঢ়া গোটেই বিলাক যদি আমি holistically চাও, তেতিয়া হ'লে মই দেখা পাওঁ যে আমি শতকাৰ ৮০ ভাগ জোৰা মাৰিবলৈ সক্ষম হও। শতকৰা ২০ ভাগ হয়তো এতিয়াও পৰা নাই। আৰু মই যি ব্যৱস্থাৰ কথা ঘোষণা কৰিছো অহা বছৰৰ পৰা যিহেতু Skill ত আমি ফকাচ কৰিম, additional stream খুলিম, post graduate stream খুলিম , এই গোটেইখিনি হ'লে মই ভাৱো যে আমি এটা সন্তোষজনক অৱস্থাত উপনিত হ'ব পাৰিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী শ্বেৰমান আলি আহমেদ, বাঘবৰ ঃ** মাননীয় মন্ত্ৰী মহোদয়, মোৰ সমষ্টি বাঘবৰত বামন নগৰা হায়াৰচেকেণ্ডাৰীত এটা শাখাত ২০০, ৩০০ লৰা-ছোৱালীয়ে নামভৰ্তি কৰিব লাগে, তাত চিট নাই। মোৰ সমষ্টিৰ বহু লৰা-ছোৱালীয়ে অভায়পুৰী, দলঘুমা, কলগছিয়া আদি ঠাইত যাব লগা হয়। গতিকে সেই কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছিলো যে বাঘবৰ সমষ্টিত এখন কলেজ দিব পৰা যাব নেকি ? মই আপোনাৰ যোগেদি আজিও অনুৰোধ কৰিছো যে বাঘবৰ সমষ্টিত এখন কলেজ দিব পৰা যাব নেকি ?

**ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষাবিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই দৃষ্টিভংগী দি কাম কৰি আছো সেইটো হ'ল যে by the end of this government প্ৰত্যেকটো সমষ্টিতে এখনকৈ নতুন কলেজ হওঁক। ইতিমধ্যে প্ৰায় ১২ খন কলেজ নিৰ্মাণ পৰ্য্যায়ত আছে। যোৱা কালি বাজেটত প্ৰায় ৮ খন কলেজ ঘোষণা কৰিছো। ৮ খন কলেজ woman minority area ত দিছো। এইধৰণে আমাৰ গোটেই পৰামৰ্শটো হৈছে অহা বছৰ বাজেটত হয়তো আৰু কলেজ দেখিব। প্ৰত্যেক সমষ্টিতে এখনকৈ ভাল কলেজ হওঁক, তাৰ ব্যৱস্থা এটা কৰাৰ দিশত আমি আগবঢ়িছো। কিন্তু ইয়াৰ লগত এইটোও চাব লাগিব যে কলেজ খুলিলে নহ'ব, তাৰ লগত professor ৰো পাব লাগিব। গতিকে ইয়াৰ লগত সামঞ্জস্য ৰাখি লাহে লাহে আগবাঢ়ি গৈছো। এতিয়া অধ্যক্ষ মহোদয়, যদি বাঘবৰ সমষ্টিত লৰা-ছোৱালীৰ নামভৰ্তিৰ এটা বিশেষ সমস্যা হৈছে, মই মাননীয় বিধায়ক গৰাকীক অনুৰোধ কৰিম যে এখন স্কুলৰ নাম দিয়ক য'ত আমি হায়াৰচেকেণ্ডাৰী অতি সোনকালে কৰি দিব পাৰো। কাৰণ তাত আমাৰ অসুবিধা নহ'ব, বিভিন্ন ঠাইত শিক্ষক আছে আমি দি দিম। হায়াৰচেকেণ্ডাৰী এটা খুলি দিলে অন্তত কৰবাত যদি ২৫০ জন ছাত্ৰ -ছাত্ৰীয়ে নামভৰ্তি কৰিছে, অন্তত শতকাৰ ৫০ ভাগ কমি আহিব। গতিকে বিধায়ক মহোদয়ে মোক এখন স্কুলৰ নাম দিলে হ'ল তাতে হায়াৰচেকেণ্ডাৰী ক্লাচ মই আৰম্ভ কৰাই দিম।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম, ধিংঃ** মাননীয় অধ্যক্ষ মহোদয়, আটাইতকৈ বেছি সমস্যা দেখা গৈছে যে science ৰ ক্ষেত্ৰত। মাননীয় মন্ত্ৰী মহোদয়ে যোৱা বাজেটত তেখেতে উদ্যোগ লৈ যিখিনি science হায়াৰচেকেণ্ডাৰীত নতুনকৈ আৰম্ভ কৰিছিল হাইস্কুলত। বহুত কেইখনৰ আন্তঃগাঁথনি হৈ গ'ল হাইস্কলত। এইবাৰ যদি ক্লাচটো আৰম্ভ কৰিব পাৰে, তেনেহলে বহুত সুবিধা হ'ব বুলি মই ভাৱো।

**ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষাবিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ৫০০ খন স্কুলত ২০১১ চনত মই শিক্ষা মন্ত্ৰী থাকোতে অতিৰিক্ত শ্ৰেণীকোঠা বনাইছিলো, যাতে হায়াৰচেকেণ্ডাৰীৰ science, Arts ৰ additional stream খুলিব পাৰে। যিকেইখন সম্পূৰ্ণ হৈ গৈছে, মোক এখনৰ নাম দি দিয়ক, আমাৰ existing teacher ৰ সকলে হায়াৰচেকেণ্ডাৰী পঢ়োৱাব পাৰে, কোনো অসুবিধা নাই, কাৰণ TET pass কৰা লৰা-ছোৱালী আছে আৰু ওচৰৰ পৰা লাগিলে দুই

এজন শিক্ষক মই আনি দি দিম। আপুনি মোক স্কুলখনৰ নাম দিয়ক, এখন অন্তত নাম দিয়ক য'ত শ্ৰেণীকোঠা সম্পূৰ্ণ হৈ আছে। মই ব্যৱস্থা কৰি দিম যাতে এই বছৰ হায়াৰচেকেণ্ডাৰীৰ নামভৰ্তিৰ লগে লগে তাত যাতে হায়াৰচেকেণ্ডাৰীৰ নামভৰ্তি কৰি লব পাৰো। science হওঁক, Arts হওঁক, যিটো সুবিধা হয় সেইটো আমি কৰি দিম । science ৰ ক্ষেত্ৰত মই বিধায়ক সকলকো অনুৰোধ কৰিম যেএইবাৰ আমি ৫০খন কলেজত Additional Science Stream কৰিব খুজিছোঁ, By 15th April আমি পথ সমূহৰ মঞ্জুৰি দিব খুজিছোঁ, যাতে বৈ থাকিব নালাগে। গতিকে য'ত য'ত Science নাই আৰু প্ৰভিনচলাইজ কলেজ, তেনেকুৱা ৫০খন কলেজৰ নাম ইতিমধ্যে মই যোৱাবাৰো উত্তৰত কৈছো, যে শদিয়াৰ মই পাইছো, জোনাইৰ পাইছো, ছিপাঝাৰ পাইছো, সৰভোগ পাইছো যিখনি পোৱা নাই আপোনালোকৰ পৰামৰ্শ আছে, মোক সোনকালে দি দিয়ক যাতে By 15th April আমি Science Stream ৰ প্ৰফেচাৰ পোষ্ট দি দিব পাৰো, Faculty দি দিব পাৰো আৰু এই বছৰতে যাতে Science Admission লোৱাৰ ব্যৱস্থা কৰিব পাৰে, গতিকে আপোনালোকে এইখিনি দি দিয়ক আৰু মই যিমান সোনকালে পাৰো কৰাই দিম।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী আব্দুল খালেক।

**শ্ৰী আব্দুল খালেক (মাননীয় সদস্য, জনিয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্ন কৰ্তা শ্বেৰমান আলী ডাঙৰীয়াই যিখিনি সমস্যা উত্থাপন কৰিছে, বাঘবৰ সমষ্টি, জনিয়া সমষ্টিটো অনুৰূপ সমস্যা আছে। জনিয়াটো এখন নতুন Higher Secondary দিলে ভাল হয়। তদুপৰি অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কালি ৯খন Minority Area ৰ কাৰণে নতুন মহিলা কলেজ দিছে, ভাল পাইছো। Thickly Minority Populated Area বিলাকত দিয়া নাই। জনিয়া বঞ্চিত হৈছে। জনিয়াত যাতে এখন নতুন কলেজ হয়, আৰু Science Stream ৰ নতুন যি আছে ভাল কথা Commerce Stream ও দিব লাগে। নৰজ্যোতি কলেজখন গোটেই অসমৰ ভিতৰতে Minority Populated Area প্ৰথমখন কলেজ তাত যদি Commerce Stream তো আৰম্ভ হয়, পাটোৱাৰী ডাঙৰীয়াইও Investors আনি আছে, Commerce ও আমাৰ ছাত্ৰ-ছাত্ৰী লাগিব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ।

**ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গোটেই বিষয়টো পৰীক্ষা কৰি চাম।

**মাননীয় অধ্যক্ষ ঃ** Now, Question No. 244.

**শ্ৰী নৰকুমাৰ দলে (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী আমিনুল ইছলাম (মাননীয় সদস্য, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়ত প্ৰতিনিধি সকলক যিটো পাৰিতোষিক দিয়া হয়, ইয়াত যিখন তালিকা সদনত দিয়া হৈছে, তাত দেখা গ'ল যে কিছুমান জিলাত ১১মাহ, কিছুমান জিলাত ১৭মাহ, ১৩মাহ আৰু ১৬মাহৰ পাৰিতোষিক তেওঁলোকক দিয়া হৈছে আৰু সেই জিলা সমূহত ৪২মাহ, ৪৩মাহ ৪৯মাহ, ৫২মাহলৈকে তেওঁলোকৰ পাৰিতোষিক দিবলৈ বাকী আছে। প্ৰশ্নটো আছিল, পঞ্চায়ত প্ৰতিনিধি, গাওঁ পঞ্চায়ত সভাপতি, আঞ্চলিক পঞ্চায়ত সদস্য, জিলা পৰিষদ সদস্য আৰু উপ সভাপতি তেওঁলোকৰ পাৰিতোষিক। যিহেতু কাৰ্য্যকাল শেষ হৈ যাব গতিকে কেতিয়া দিব পাৰিব চৰকাৰে, মই এইটো সুধিছিলো। কিন্তু ইয়াত দেখা গ'ল Directly উত্তৰ একো দিয়া নাই। মই ভাৱো কাৰ্য্যকাল শেষ হোৱাৰ আগতে তেওঁলোকক পাৰিতোষিকটো দি দিলে ভাল হয়।

**শ্ৰী নৰকুমাৰ দলে (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়ত প্ৰতিনিধি সকলৰ মাহিলী

পাৰিতোষিক পঞ্চম বিত্তীয় আয়োগ ডেভলেশ্যন পুঁজি আৰু পঞ্চায়তৰ নিজা পুঁজিৰে আদায় দিয়াৰ ব্যৱস্থা নীতি নিৰ্দেশনা আছে, এই মৰ্মে এতিয়া লৈকে পঞ্চম বিত্তীয় আয়োগৰ ডেভলেশ্যন পুঁজি আৰু কিছু পঞ্চায়তে নিজৰ নিজৰ বিভিন্ন Source ৰ পৰা অহা পুঁজিৰে ইতিমধ্যে আদায় দিয়াৰ ব্যৱস্থা কৰিছে আৰু যি বিলাক পঞ্চায়তে নিজৰ পুঁজিৰ নাটনিৰ বাবে নিজা পুঁজিৰ পৰা আদায় দিব পৰা নাই। এই সমূহ পঞ্চায়ত প্ৰতিনিধি সকলৰ পাৰিতোষিক আদায় দিবলৈ বিত্ত বিভাগৰ অনুমোদন বিচাৰি প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে।

**শ্ৰী আমিনুল ইছলাম (মাননীয় সদস্য, ধিং)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আগতে পঞ্চায়তে নিজস্ব ফাগুৰ পৰা দিব পৰা ব্যৱস্থা আছিল। কিন্তু যেতিয়াৰ পৰা তেওঁলোকক পাৰিতোষিক দিয়া চৰকাৰী ভাৱে সিদ্ধান্ত হ'ল, তেতিয়া আকৌ সেই আঞ্চলিক পঞ্চায়তে, গাওঁ পঞ্চায়তে নিজস্ব পুঁজিৰ পৰা দিব নোৱাৰে। ওপৰৰ পৰা চেংচন হৈ যাব লাগে, এনেকুৱা এটা Problem আহি গল। সেই কাৰণে তেওঁলোকে বহুতে নিজাববীয়াকৈ দিব পৰা নাই। পঞ্চায়ত পুনৰ গঠনৰ যিটো কথা কোৱা হৈছে, পুনৰ গঠনৰ কাম প্ৰায় সম্পূৰ্ণ হৈছিল, বহু কেইখন পঞ্চায়ত পুনৰ গঠন কৰি তালিকা বনায়, মেপ বনায়, এইটো জিলালৈকে জমা লোৱা কামল হৈ গৈছে। মাত্ৰ এইটো আমাৰ কমিচনাৰে Approval দিলে হয়। ইয়াত মোৰ প্ৰশ্নৰ উত্তৰত যিটো দিয়া হৈছে, যে NRC ৰ কামত কিছুমান পঞ্চায়তপ্ৰতিনিধি জড়িত হৈ থকাৰ কাৰণে পঞ্চায়ত পুনৰ গঠন কৰিব পৰা নহল আৰু অহা নিৰ্বাচনৰ আগত কৰিব পৰা নাযাব। যিহেতু পঞ্চায়ত পুনৰ গঠনৰ কাৰণে তেওঁলোকে মিটিং কৰি গোটেই Daigram বনাই এইটো প্ৰস্তুত কৰি জনসংখ্যা অনুপাতে বিভক্ত কৰি সম্পূৰ্ণ কৰি পঠাইছিল তাৰ পিছত কিয় প্ৰশ্নটো আহিল যে তেওঁলোক NRC ত জড়িত থকা কাৰণে কৰিব পৰা নগ'ল । মই ভাৱো নিৰ্বাচনৰ আগত পুনৰ গঠনটো কৰি লোৱা হ'লে ৰাইজৰ কাৰণে ভাল হ'লে হয়।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, It's a relevant question.

**শ্ৰী নৰকুমাৰ দলে (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে নিজৰ পুঁজিৰ পৰা লোৱা ইয়াত আমি এখন তালিকা দিছোঁ, যে পঞ্চায়ত কৰ্মীসকলৰ পাৰিতোষিকৰ । ধেমাজী জিলা, যোৰহাট জিলা প্ৰায় ৫১ মাহ, ২৫মাহ, লক্ষীমপুৰ ২৯ মাহ এনেধৰণে নিজৰ নিজৰ পুঁজিৰ পৰা লৈ প্ৰায় তেখেত সকলৰ পৰিতোষিক সমূহ লৈ আছে আৰু যি সকলে নিজৰ Own Source ৰ পইচাখিনি বিভিন্ন শিতানত খৰচ কৰিছে তেখেত লোকে। Own Source ৰ যিটো ফাগু সেই ফাগুটো নিজে ব্যৱহাৰ কৰিব পাৰে।

**মাননীয় অধ্যক্ষ** ঃ Government কৈছে যে নিজৰ Source ৰ পৰা দিয়াত কোনো বাধা নাই।

**শ্ৰী নৰকুমাৰ দলে (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, দ্বিতীয়তে NRC সম্পৰ্কত আমি যোৱা বাৰিষাৰ সময়ত ২০-৭-২০১৭ ত পঞ্চায়তত পুনৰ গঠনৰ কাম বানপানীৰ বাবে আমি স্থগিত ৰাখিছিলোঁ। তাৰ পিছত ৩১মাৰ্চত যিহেতু NRC ৰ তালিকা প্ৰকাশৰ সময় ৩১ডিচেম্বৰ নিৰ্দিষ্ট কৰি দিছিল। সেইবাবে তাত প্ৰায় সংখ্যক পঞ্চায়তৰ কৰ্মচাৰী জড়িত থকাৰ বাবে পঞ্চায়ত Coordinator য়ে তেখেতসকলক এই কামত নিয়োগ কৰাৰ পৰা এটা বিৰতি ৰখাৰ বাবে পৰামৰ্শ আগবঢ়াইছে। ঠিক তেনেদৰে ৮-১-২০১৮ তাৰিখে অসম নিৰ্বাচনী আয়োগৰ পৰা এখন পত্ৰত তেখেতসকলো পৰামৰ্শ আগবঢ়াইছে। যে পঞ্চায়ত নিৰ্বাচন হোৱাৰ পিছতহে যাতে পঞ্চায়ত সমূহ পুনৰ গঠনৰ কাম আৰম্ভ কৰে তাৰ বাবে তেখেতসকলে এটা পৰামৰ্শ আগবঢ়াইছে।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় সদস্য, মামুদ ইমদাদুল হ'ক চৌধুৰী।

**শ্ৰী মামুদ ইমদাদুল হ'ক চৌধুৰী (মাননীয় সদস্য, নাওঁবৈছা)** ঃ মাননীয় অধ্যক্ষ মহোদয়,

মোৰ প্ৰশ্নটো ছাৰ, Delimitation সম্পৰ্কত আছে। পঞ্চায়ত Delimitation, ইয়াত মাননীয় মন্ত্ৰীয়ে কৈছে, ধুনীয়াকৈ কৈছে, WT Message No. ইমান যোগে প্ৰশ্ন (ঙ) ত আপোনালোকৰ Delimitation টো স্থগিত ৰাখিম। প্ৰশ্নটো হ'ল বিধান সভা আৰু লোক সভাৰ কাৰণে Delimitation Process টো Mandatory. প্ৰত্যেক ২৫বছৰৰ মূৰে মূৰে হয়। এইটো Constitutional Provision গতিকে ছাৰ আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ প্ৰতি এটা অনুৰোধ পঞ্চায়ত ত যাতে Delimitation ৰ Mandatory Process বিলখনত থাকে। পঞ্চায়তৰ Minimum Population টো হ'ল ৬হাজাৰ। Upper limit টো হ'ব লাগে ১২ হাজাৰ। Population, মোৰ সমষ্টিত এখন GP আছে, যাৰ নাম হাৰমতী তাত Population হল ৩৩হাজাৰ। তাৰ মানে সেই GP টোত ৩/৪টা পঞ্চায়তৰ Population একেলগে সোমাই আছে। এনেকৈ যুৰ নগৰত ২২হাজাৰ নে ২৫হাজাৰ Population আছে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো কওঁক ?

**শ্ৰী মামুদ ইমদাদুল হ'ক চৌধুৰী (মাননীয় সদস্য, নাওঁবৈছা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো হ'ল সংবিধানতযেনেকৈ বিধান সভা-লোক সভাৰ ২৫ বছৰৰ মূৰে মূৰে Mandatory, পঞ্চায়তো Delimitation Mandatory কৰাটো ভাল।

**শ্ৰী নৱকুমাৰ দলে (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো পৰীক্ষা কৰি চাম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে,এতিয়া মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মী ।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ক জ্ঞাত কৰিব বিচাৰিছোঁ আৰু এটা প্ৰশ্ন তুলিব বিচাৰিছোঁ, আপুনি যোৱা বাবে জিলা পৰিষদৰ সভাপতি আছিল, তাত পঞ্চায়তৰ প্ৰতিনিধি সকলে বাৰুকৈয়ে কৈ আছিল। পূৰ্বৰ মুখ্যমন্ত্ৰী তৰণ গগৈ ডাঙৰীয়াই ৫মাহ মান দিছিল আৰু বৰ্তমানৰ মুখ্যমন্ত্ৰীক সৰ্বানন্দ ডাঙৰীয়াও প্ৰায় ৬মাহ মান পাৰিতোষিকটো মুকলি কৰি দিছে। এই দুজন সন্মানীয় পূৰ্বৰ মুখ্যমন্ত্ৰী, বৰ্তমানৰ মুখ্যমন্ত্ৰীক ধন্যবাদ জনাইছোঁ।কিন্তু এই দীঘলীয়া এটা কাৰ্য্যকাল তেওঁলোকে পুঁজি পোৱা নাই। মাননীয় মন্ত্ৰী মহোদয়ে ফোন যোগেদি কেতিয়াবা আগত কথা বতৰা কৈছিল কিন্তু, বহু পঞ্চায়তৰ নিজৰ বজাৰ নাই।

**মাননীয় অধ্যক্ষ ঃ** সেইটো এটা বেলেগ বিষয়। প্ৰশ্নটো আছিল own sources পৰা দিব নালাগে বুলি চৰকাৰে কিবা কৈছে, সেইটো আছিল প্ৰশ্ন।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** আমি সকলোকে অনুৰোধ জনাব বিচাৰিছো যে জিলা পৰিষদ বা আঞ্চলিক পঞ্চায়তৰ বহুত বজাৰ আছে, পুঁজিও আছে। এতিয়া MGNREGA বিভিন্ন শিতানৰপুঁজি আহি আছে। তেনেকুৰা উন্নয়ন মূলক কাম কৰি আছে। এইটোৰ এটা নিৰ্দেশনা আছে যে সেই পুঁজিবোৰ যিবোৰ টেণ্ডাৰ হৈ আছে, বজাৰৰ বাবে টকা আহে সেই টকাবোৰৰ উন্নয়নমূলক কাম কৰিব লাগে। টকা জমা যিহেতু আছেই, এইবোৰ পাৰিতোষিক মুকলি কৰি দিব লাগে। আমি আপোনাক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মন্ত্ৰী ডাঙৰীয়া ময়ো এটা কথা কৈ লৈছো, সকলোৰে হৈ। আমি যেনেকৈ বিধায়ক সকলে এটা পাৰিতোষিক পাওঁ, MP সকলে পায়, পঞ্চায়তৰটো কৈছিলো খুউব ভাল কাম কৰিছিলে, কিবা এটা Financial constraint আছে কিন্তু এই constraint বিলাক লাহে লাহে আতৰ কৰি তেওঁলোকেও যাতে, কাৰণ আজিকালি তেওঁলোকৰ full time job, আপুনি কৈছে ৩৫ হাজাৰ, মোৰ তাত প্ৰায় ৪৯ হাজাৰ খন পঞ্চায়তত আছে। কিবা 14th Finance আমি এক কোটি টকা পাওঁ, সেই খন পঞ্চায়তে। গতিকে তাত ৩ খন কৰাৰ কথা আছিলে

মই কিন্তু জানো চৰকাৰৰ কিছুমান অসুবিধা থাকে কাৰণ Election Commissioner য়ে ঠিকেই কৰিছে, আগমূহুৰ্তত কিবা politically divide কৰা বুলি কব পাৰি। Election Commissioner কৰিছে ভাল কথা কৰিছে, গতিকে in future হব। কিন্তু সদ্যহতে পঞ্চায়তৰ প্ৰতিনিধিবিলাকৰ যিটো পাৰিতোষিকৰ কথাটো মই কৈছো যে আপোনালোকে অলপ seriously চাব, অলপ অলপ কৈ হলেও, একেবাৰে যিবিলাকৰ revenue source নাই তেওঁলোকৰও একে হৈছে, কিছুমান পঞ্চায়তৰ ১ জন পঞ্চায়ত মেম্বাৰ ৮০ জনৰ মাজতো এজন পঞ্চায়ত মেম্বাৰ কিছুমান ঠাইত। সেই কাৰণে অলপ ঠিক থাক কৰিলে আৰু যিটো delimitation ৰ কথা কৈছে I think, these are good suggestion আৰু ৰূপজ্যোতিয়ে যিটো কথা কৈছে মই সেই কাৰণে কৈছো মৱে কৈ দিম। কিন্তু কথাটো অলপ এইটো এটা হৈছে আৰু তেওঁলোকৰ সময়ো শেষ হৈ গ'ল, গতিকে সেইটোৱে কথা।

**শ্ৰীনৱ কুমাৰ দলৈ, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি বিষয়টো কৈছে আৰু আমি পৰীক্ষা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** পৰৱৰ্তী প্ৰশ্ন নং ২৪৫, ভৱেন্দ্ৰ নাথ ভড়ালী, আছে। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীহিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী ভৱেন্দ্ৰ নাথ ভড়ালী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ দেৰগাঁও নাহৰটোলা Model Hospital খন নিৰ্মাণ কৰাৰ প্ৰায় ৩ বছৰ হল। ঘৰ সম্পূৰ্ণ হ'ল, যন্ত্ৰপাতীও হ'ল কিন্তু তাত এতিয়া গৰু-ছাগলী সোমাবলৈ ধৰিছে। উপায় নেপায় আমাৰ ডেৰ গাঁৱৰ 30Bedded Hospitalৰ পৰা ২ জন চকিদাৰ আমি useres fund ৰ পৰা তাত দিব লগীয়া হৈছে। এতিয়া ইয়াত মন্ত্ৰী মহোদয়ে উত্তৰটো দিছে, যে প্ৰয়োজনীয় পদ সমূহৰ ইতিমধ্যে অনুমোদন হৈছে। যদি অনুমোদন হৈছে তেতিয়াহলে আমি সোনকালে আৰম্ভ কৰাৰ ব্যৱস্থাটো আমি কৰিব লাগে, প্ৰথমতে। দ্বিতীয়তে, নাৰ্চ ২ গৰাকী দিছে বুলি কৈছে, মই 30 Bedded Hospitalত তেওঁলোকক লগাই থৈছো। এতিয়া কথাটো হ'ল কিমান পদ প্ৰকৃততে তাত অনুমোদন হৈছে, যদি হৈছে তেতিয়াহলে আমি এই এপ্ৰিল মাহৰ ভিতৰতে আৰম্ভ কৰিব পাৰিম নেকি? মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, দেৰগাঁৱৰ নাহৰদঙীয়া Model Hospital খনৰ বিপৰীতে ১ জন Deputy Superintendent, Senior M&HO-I, ৫ জন, যিটো এম আৰ এইচ এমৰ ওৱান বুলি কও ২ জন, আয়ুৰবেদিক ১ জন, Assistant Matron ১জন, ষ্টাফ নাৰ্চ ৬ গৰাকী, ফাৰ্মাচিষ্ট ১ জন, ৰেডিঅ' গ্ৰাফাৰ ১ জন, কনিষ্ঠ সহায়ক ১ জন, পৰীক্ষা সহায়ক ১ জন, দ্ৰেচাৰ ১ জন আৰু চতুৰ্থ বৰ্গৰ ৭ টা পোষ্ট অনুমোদন হৈছে। এতিয়া যোৱা মাৰ্চ মাহত এই পদকেইটাৰ বিজ্ঞাপন ও লাইছে আৰু মই আগতে কোৱাৰ দৰে প্ৰায় লক্ষ্যাধীক লোকে এই বিজ্ঞাপনত তেওঁলোকৰ পাৰ্থিত্ব দিছে। গতিকে এই লক্ষ্যাধীক লোকৰ মাজত নিৰ্বাচন কৰোতে বিভাগক প্ৰায় ৬ মাহৰ সময় লাগিব। কাৰণ সকলোৰে পৰীক্ষা লব লাগিব, অৰেল, ৰিটেন কৰিব লাগিব। নাৰ্চৰ আমাৰ ৮০০ পোষ্ট আমি বিজ্ঞাপন দিছো ৫০০০ ছোৱালীয়ে আৱেদন কৰিছে, তেওঁলোকৰ স্কিল টেষ্ট লব লাগিব। গতিকে যিহেতু এই গোটেই প্ৰক্ৰিয়াখিনি মোৰ বোধেৰে আৰু ৬ মাহ সময় আমাক লাগিব। তথাপিতো মই মনতে এটা টাৰ্গেত বান্ধি লৈছো যে আমি আগষ্টৰ ভিতৰত কৰিব পাৰিম নেকি, কিন্তু তথাপিতো বিধান সভাত আগষ্টৰ টাৰ্গেটো দিব বিচৰা নাই, ৬ মাহ সময় মই লৈছো। ৬ মাহৰ ভিতৰত আমাৰ গোটেইখিনি কাম আৰম্ভ হব লাগে আৰু সেই মতে আমি ব্যৱস্থাও লৈছো অধ্যক্ষ মহোদয়, পোষ্টবিলাক ক্ৰিয়েচন অলৰেডি হৈ গৈছে।

**শ্ৰী ভৰেন্দ্ৰ নাথ ভড়ালী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তাত ১ জন ডাক্তৰ আৰু এগৰাকী নাৰ্চ আপুনি দিছে নেকি ? যি কেইজনে আমাৰ ৩০ বেদেত হস্পিটালত কাম কৰি আছে, আমাৰ নাজানো কি হৈছে, এক নম্বৰতে। আৰু এটা মডেল হস্পিটালৰ বাবদ আমি ২ জন চকিদাৰ নিজাববীয়াকৈ বিধায়কৰ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কৈছে কথাটো, প্ৰশ্নটো কওঁক।

**শ্ৰী ভৰেন্দ্ৰ নাথ ভড়ালী ঃ** সেই ব্যৱস্থাটো, বৰ্তমান এই ৬ মাহ যিহেতু সময় মন্ত্ৰীয়ে লৈছে, তাত চকীদাৰ ২ জন দিয়াৰ কিবা ব্যৱস্থা লব নেকি ?

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, সমস্যাটো হ'ল এইটোৱে যে আমি তেনেকৈ দিব পাৰিলেটো মোৰ মনটো খুউব ভাল লাগিলহেতেন। আপোনাৰ পৰা ২ টা নাম লৈ মই দি দিলোহেতেন। কিন্তু, চৰকাৰৰ আইন কানুন জানেই যে আজি কালি Recruitmentৰ ক্ষেত্ৰত সম্পূৰ্ণ স্বচ্ছতা পালন কৰি Recruitment দিব লাগে। আচলতে মই কব খোজা নাই, কিন্তু এই হস্পিটাল বিলাকৰ চিভিল কন্সট্ৰাকচন আৰম্ভ হোৱাৰ সময়তে পদ সমূহৰ মঞ্জুৰী দিয়াৰ প্ৰয়োজন আছিল। কিন্তু সেই সময়ত ৫০ খন হস্পিটাল যি মই পাইছিলো লগে লগে পোষ্টবোৰ আমি এপ্ৰোভেল কৰিছিলো আৰু নিযুক্তিও আমি দিয়া হ'ল কাৰণে চলি গ'ল। বাকী ৫০ খনত পোষ্টবিলাক সেই সময়ত ক্ৰিয়েট কৰা নহ'ল, যোৱা ৪ মাহ আগতে আমি ক্ৰিয়েট কৰিলো। কৰাৰ পিছত নিযুক্তি দিয়া হ'ল এতিয়া অধ্যক্ষ মহোদয়, সমস্যাটো যে ১৮ খন হস্পিটাল এনেকুৱা আছে যিকেইখন হস্পিটালত বিল্ডিং আদি কমপ্লিট হৈ আছে। ডেৰগাঁৱৰ মডেল হস্পিটাল খনটো এন আৰ এইচ এমৰ ফালৰ পৰা যাষ্ট চলাই থাকিবৰ কাৰণে ১ জন ডাক্তৰ আৰু ২ গৰাকী নাৰ্চ যোৱা মাৰিবৰ কাৰণে এই সময়চোৱাৰ ভিতৰত দিয়া হৈছিলে। কিন্তু তাত আদাৰ ষ্টাফ নাই বুলি জইন ডিৰেক্টৰে আকৌ তেওঁলোকক এটাষ্ট কৰি দিলে। এতিয়া অধ্যক্ষ মহোদয়, আপোনাৰ কথাখিনি মই বিচাৰ কৰি চাম। ১৮ খন হস্পিটালত অন্ততঃ ও পি ডি যাতে আমি এমাহৰ ভিতৰত আৰম্ভ কৰিব পাৰো মই আজিয়ে এন মাহ মান সময় লাগিব, তাৰ কমাব পৰা অৱস্থা মোৰ হাতটো নাথাকিব কিন্তু, অন্ততঃ ১ জন ডাক্তৰ, ২ জন নাৰ্চ আৰু কৰবাৰ পৰা গ্ৰেড ফোৰ এটা ট্ৰেন্সফাৰ কৰি আনি হলেও কিবা এটা ব্যৱস্থা কৰি ১৮ খন হস্পিটাল আমাৰ কন্‌চট্ৰাকচনৱাইজ কমপ্লিট ৰেডি হৈ আছে, তাৰে ভিতৰত দেৰগাওঁ আছে। অন্ততঃ OPT টো ১৫ আগষ্টৰ পৰা আৰম্ভ কৰাৰ কাৰণে মই চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।This question entirely relates to Dergaon constituency, মোৰ ইয়াত দেখিছো ৬-৭ জনে হাত দাঙি আছে, মই সকলোকে দেখিছো। এতিয়ালৈকে মই লেখোতে ৭ জন ওলাইছে। এইটো হ'ল মডেল হস্পিটালৰ আৰু মই ভড়ালী ডাঙৰীয়াকো কৈছো আগলৈ সকলোৰে সুবিধাৰ কাৰণে অসমৰ মডেল হস্পিটাল বুলি আপোনাৰটো আনিব, তেতিয়া সকলোৰে পায়। নিয়মমতে মই দিব নোৱাৰো, সেই কাৰণে মই কৈছো আপোনালোকৰ প্ৰত্যেকে নিজৰ নিজৰ মডেল হস্পিটালৰ কথাটো কব বিচাৰিছে নাম কেইটা উত্থাপন কৰক, মন্ত্ৰী ডাঙৰীয়াই নোট কৰি ৰাখক আৰু তাৰবাহিৰে বেলেগ কথাত আহিব নালাগে, কাৰণ অন্য প্ৰশ্নৰ উত্তৰ ইয়াত আহিব নোৱাৰে। ঠিকে আছে, উত্তৰ নহব কিন্তু। This is purely Dergaon, you can raise your name of the Hospital, where these suffering is going on মানে suffering টো আমাৰ সকলোতে হৈছে, তেখেতে কৈয়ে দিছে যে কিছুদিন ৰব লাগিব। গতিকে আপোনালোকে নিজে নিজে নুথিব, এজন এজনকৈ ক ব, মই নাম বিলাক কৈ দিম, মই আৰু নাম নলওঁ, প্ৰথমতে ৬ টা নাম চালো আৰু নাচাও, কিন্তু কোনো প্ৰশ্নৰ উত্তৰ মন্ত্ৰীৰ

পৰা আশা নকৰিব সোনকালে। মই কৈ দিছো প্ৰথমতে, কমলী বসুমতাৰী আপোনাৰ প্ৰশ্নটো কি? কেৱল প্ৰশ্নটো আৰু বেলেগ কথা নাই। এইটো দৰকাৰী কাৰণে মই দিছো, হেল্‌থৰ লগত জড়িত।

**শ্ৰীমতী কমলী বসুমতাৰী ঃ** অধ্যক্ষ মহোদয়, মই ভেৰগাওঁ মডেল হস্পিটালৰ নাৰ্চ আৰু ডাক্তৰৰ কোৱাটাৰ নিৰ্মাণৰ বিষয়টো লৈ কব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ডাক্তৰ, নাৰ্চ আছে সেইখন হস্পিটালত?

**শ্ৰীমতী কমলী বসুমতাৰী ঃ** আছে চাৰ। আৱাস গৃহ নাই চাৰ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি লাকি। আপোনাক ঘৰ কেইটা লাগে, হব। বহক এতিয়া। সেইখনৰ হস্পিটালৰ নাম কি?

**শ্ৰীমতী কমলী বসুমতাৰী ঃ** ভেৰগাওঁ মডেল হস্পিটাল।

**মাননীয় অধ্যক্ষ ঃ** ভেৰগাঁও মডেল হস্পিটাল। নেক্সট ওৱাজেদ আলী চৌধুৰী।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ফকিৰগঞ্জ মডেল হস্পিটাল।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ কোনটো category, ভৰেন ভড়ালীৰ category নে বেলেগ?

**শ্ৰী ওৱাজেদ আলী চৌধুৰী ঃ** হস্পিটাল খনৰ কাম ২০১০ চনত আৰম্ভ হৈছিল, এতিয়া ২০১৮ চন। এতিয়ালৈকে কমপ্লিট হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, এতিয়া পবিন্দ্ৰ ডেকা।

**শ্ৰী পবিন্দ্ৰ ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, পাটাছাৰকুছি সমষ্টিৰ মাখিবাহাত এখন মডেল হস্পিটাল সম্পূৰ্ণহৈ আজি ৩ বছৰ পৰি আছে, এইখনো অহা ৬ মাহৰ ভিতৰত কাৰ্যক্ষম কৰাৰ ব্যৱস্থা কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ এতিয়া শ্ৰী চাহাবুদ্দিন আহমেদ।**

**শ্ৰী চাহাবুদ্দিন আহমেদ ঃ** জলেশ্বৰ সমষ্টিত মডেল হস্পিটেল এখন বহুত দিনৰ পৰাই আছে। কিন্তু ডক্টৰ নাই। দুজন আয়ুৰ্বেদিক ডক্টৰহে আছে। হস্পিটেলখনৰ নাম জলেশ্বৰ মডেল হস্পিটেল। ইয়াৰ বাউণ্ডেৰী ওৱাল খনো সম্পূৰ্ণ হোৱা নাই। ইয়াৰ উপৰিও বহুতখিনি কাম সম্পূৰ্ণ হোৱা নাই। সেইবোৰ কাম সম্পূৰ্ণ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী সঞ্জয় কিশান।

**শ্ৰী সঞ্জয় কিশান ঃ** মোৰ সমষ্টিৰ অন্তৰ্গত মহখুলি হস্পিটেলখনৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে। অলপ কাম বাকী আছে। গতিকে এইবোৰ সম্পূৰ্ণ হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী উৎপল দত্ত ।

**শ্ৰী উৎপল দত্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, লক্ষীমপুৰৰ বচাইগাওঁত যিখন মডেল হস্পিটেল বনাই সম্পূৰ্ণ কৰিলে এই ছমাহৰ ভিতৰত সেইটো আহিব লাগে।

Speaker : Thank you. Next question Shri Kishore Nath,question no.246. মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী নৱ কুমাৰ দলে, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী কিশোৰ নাথ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ বৰখলা সমষ্টিত ব্লক অফিচৰ বিষয়টোত যিটো উত্তৰ পাইছো, তাক লৈ মই সন্তুষ্ট নহয়। কিয়নো বৰখলা সমষ্টিত ব্লক অফিচটো ১০-১২ বছৰৰ আগতে বনোৱা হৈছিল। কিন্তু আজিলৈকে সেই অফিচ বিল্ডিংটোৰ inauguration হোৱা নাই। ভাৰাঘৰতেই চলি আছে অফিচটো। তাত B D O নবহে। Office Staff নবহে কাৰণ ঘৰটোৰ অৱস্থা ভাল নহয়। Office ৰ ফাইল বা কম্পিউটাৰ আদি ৰাখিবলৈ অসুবিধা। আজি

আমাৰ চৰকাৰ অহা ২১ মাহ হৈছে। এইকেইদিনতে ৯ জন B D O বদলি হৈছে। সেই যিটো Office বনাইছিলে সেইটো এতিয়া বেলেগ মানুহে occupy কৰি আছে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী নৱ কুমাৰ দলে, মন্ত্ৰী ঃ** বৰখলা উন্নয়ন খণ্ডটোৰ ১৯৮৯ চনতে Notification হৈছিলে বৰখলা উন্নয়ন খণ্ড নামেৰে আৰু বৰখলাতে এই উন্নয়ন খণ্ড Office টো ভাৰাঘৰত বৰ্তমান চলি আছে। এতিয়া আমি B.D.O ৰ পৰা প্ৰতিবেদন পাইছো যে, উন্নয়ন খণ্ড কাৰ্য্যালয়টোৰ পৰা প্ৰায় ১০-১২ কি: মি দুৰত্বত হৰিণচেৰা নামৰ ঠাইত এটা কাৰ্য্যালয় ভৱন নিৰ্মান কৰা হৈছে। কিন্তু গড়কাপ্তানী বিভাগে এতিয়ালৈকে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগক এই গৃহটো হস্তান্তৰ কৰা নাই যাৰ বাবে আমি কাৰ্য্যালয়টো তাত হস্তান্তৰ কৰিব পৰা নাই। তাৰ বাবে আমি কাছাৰৰ উপায়ুক্ত ডাঙৰীয়াক প্ৰতিবেদন দিবৰ কাৰণে পত্ৰ প্ৰেৰণ কৰিছো। উপায়ুক্তৰ প্ৰতিবেদন অহাৰ পিছতে আমি তাৰ উচিত ব্যৱস্থা ল'ম।

**শ্ৰী কিশোৰ নাথ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত উত্তৰ দিছে যে, বৰ্তমান অফিচৰ পৰা ইয়াৰ ব্যৱধান ১০-১২ কি:মি। এইটো সত্য নহয়। এই ব্যৱধান প্ৰায় ১-২ কি:মি মানহে হ'ব। মই ক'ব বিচাৰিছো অফিচ ভৱনটো যিখিনি ঠাইত আছে সেইখিনি খুব ধুনীয়া ঠাই। এইটো যিহেতু Public এ occupy কৰি আছে। তেওঁলোকক vacant কৰি অতি সোনকালে অফিচ বিল্ডিংটোত সোমোৱাৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মিনিষ্টাৰ ডাঙৰীয়া।

**শ্ৰী নৱ কুমাৰ দলে, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, বিষয়টো অতি গুৰুত্ব সহকাৰে লৈছো আৰু কাছাৰ জিলাৰ উপায়ুক্ত মহোদয়ক মই তাৰ সম্পূৰ্ণ প্ৰতিবেদন দিবলৈ পত্ৰ প্ৰেৰণ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি তেওঁক কিবা এটা সময় দিয়ক। প্ৰায় দুই তিনি মাহৰ ভিতৰত তেওঁক আপুনি এই বিষয়টোৰ ওপৰত ব্যৱস্থা লৈ প্ৰতিবেদন দিব।

**শ্ৰী নৱ কুমাৰ দলে, মন্ত্ৰী ঃ** হয় ছাৰ, যিমান সোনকালে পাৰো আমি ব্যৱস্থা গ্ৰহন কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী মনেশ্বৰ ব্ৰহ্ম।

**ড° হিমন্ত বিশ্বশৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী মনেশ্বৰ ব্ৰহ্ম ঃ** অধ্যক্ষ মহোদয়, যিখিনি Post BTC ৰ প্ৰায় ৪ খন জিলা বা Sub division সমূহত খালী হৈ আছে, তাৰ ওপৰত এই প্ৰশ্নটো কৰা হৈছে। Post creation বা Appointment কেতিয়া হ'ব? এই post সমূহৰ ভিতৰত মাত্ৰ এটা post ৰ proposal হে পোৱা বুলি কৈছে। Additional CMO & Health Officer, Family welfare. আৰু বাকীখিনিৰ proposal পোৱা নাই বুলি কৈছে। এতিয়া Additional CM & HO ৰ proposal পোৱাৰ পিছত স্বাস্থ্য বিভাগে এইটো দিল্লীলৈ প্ৰেৰণ কৰা বুলি কৈছে Sanction আৰু proposal ৰ কাৰণে । মই এটা প্ৰশ্ন কৰিব বিচাৰিছোঁ যে, BTC লৈ Central Goverment ৰ যিটো Flagship programme , এইবিলাক চোৱা চিতা কৰাৰ আজিলৈকে দায়িত্বভাৰ দিয়া হোৱা নাই। এই Flagship programme টোৰ দায়িত্বভাৰ দিয়াৰ ক্ষেত্ৰত Additional CM & HO লগত এইটো জড়িতহৈ আছে নেকি মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মন্ত্ৰী ডাঙৰীয়া।

**ড° হিমন্ত বিশ্বশৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, আমাৰ স্বাস্থ্য বিভাগৰ যিটো Family welfare programme এই গোটেই programme টো Centrally sponsored অৰ্থাৎ Ad-

ditional CM & HO ৰ পৰা নাৰ্চলৈকে যিখিনিয়ে Vaccination আৰু immunization ৰ কামত থাকে, এই গোটেইখিনি Central Government ৰ post. গতিকে Additional CM & HO আদিৰ দৰে যিবিলাক post আছে , তাৰ কাৰণে আমি BTCৰ পৰা প্ৰস্তাৱ পোৱাৰ লগে লগে ভাৰত চৰকাৰক আমি প্ৰেৰণ কৰিব লাগে। এইকেইটা যদি State ৰ পৰা post হ'ল হেঁতেন, ইমানদিনে আমি post create কৰি দিব পাৰিলো হেঁতেন। কিন্তু ভাৰত চৰকাৰৰ কাৰণে এতিয়ালৈকে ঘূৰি অহা নাই। মই ইতিমধ্যে লিখিছো letter এখন মোৰ পৰা কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰীলৈ দিবৰ কাৰণে যাতে সোনকালে পদকেইটা অনুমোদন কৰি দিয়ে।

**মাননীয় অধ্যক্ষ ঃ** হ'ব।

**শ্ৰী মনেশ্বৰ ব্ৰহ্ম ঃ** Thank you sir.আৰু বাকী যিবিলাক post আছে যেনে Grazzetted & Non Gazzetted post in the SDM & HO Parbatjora Salbari and Bhergaon, Tamulpur ত আৰু লগতে আছে Galleria Officers at Chirang,Baksa & Udalguri এইবোৰ post ও এতিয়ালৈকে create হোৱা নাই আৰু Drug Inspector in Chirang, Baksa & Udalguri আৰু Food Safety Offichers in Chirang,Baksa & Udalguri ত। ছাৰ এই Proposal বিলাকৰ প্ৰশ্নৰ উত্তৰত BTC ৰ পৰা পোৱা নাই বুলি কৈছে। কিন্তু আমি BTC ৰ বিভাগৰ পৰা গম পাইছোঁ যে ইতিমধ্যেই ইয়াৰ Proposal বিলাক Submit কৰা হৈছে। হয়তো স্বাস্থ্য বিভাগত এইটো গম পোৱা নাই। হয়তো কোনোৱা এটা Nodal বিভাগত এইটো ৰৈ আছে। আমি এইটো নিশ্চয় pursue কৰিম। স্বাস্থ্য বিভাগত যোৱাৰ পিছত Additional CM & HO post টোৰ কাৰণে Approval আৰু Sanction টো দিল্লীত হয়, ভাৰত চৰকাৰে কৰে, আৰু কোনটো কোনটো post ভাৰত চৰকাৰলৈ প্ৰেৰণ কৰে?

**ড° হিমন্ত বিশ্বশৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, যোৱা কিছুদিনৰ পৰা BTC ত যিবিলাক প্ৰয়োজনীয় post যেনে Inspector of School ,office বা এনেকুৱা বিভিন্ন post বিত্ত বিভাগে অনুমোদন দি আহিছে আৰু যোৱা তিনি মাহৰ পৰাই এই অনুমোদনৰ প্ৰক্ৰিয়াটো আমি আৰু অধিক তৰান্বিত কৰি তুলিছো। গতিকে WPT বিভাগে যদি বিত্ত বিভাগক post পঠায় , বিশেষকৈ SDM& HO, Drug Inspector, Food Inspector এইখিনি বিত্ত বিভাগত WPT & BC বিভাগৰ পৰা পোৱাৰ দুমাহৰ ভিতৰত আমি দিব পাৰিম। তাত একো অসুবিধা নাই। মাত্ৰ যিখিনি Additional CM & HO আৰু তেওঁৰ Office ৰ যিখিনি post, সেইখিনি post আমি ভা ৰত চৰকাৰৰ ওচৰত পঠাব লাগে। Food, Drug, SDM& HO এইখিনি আমি পঠাব নালাগে।WPT & BC বিভাগৰ পৰা ফাইলটো যেতিয়া Finance লৈ আহিব মোক ব্যক্তিগতভাৱে জনাই দিলে দুমাহৰ ভিতৰত মই লেঠাটো মাৰি দিব পাৰিম। কিন্তু প্ৰথমতে WPT & BC বিভাগৰ পৰা আহিব লাগিব কাৰণ Nodal Deptt. হৈছেWPT & BC .

**মাননীয় অধ্যক্ষঃ** Thank You, এতিয়া Point of Order.

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (কৰিমগঞ্জ উত্তৰ)ঃ** মই যোৱা কালি Question No. 239 যিটো পাইছিলো তাত সুধিছিলো যে অসমত কোনটো কোনটো Detention Camp ত কিমান জন D- Voter আছে? তাৰ উত্তৰত আমি পাইছিলো যে ৬ টা Detention Camp ত ৫২ জন D-Voter আছে। যোৱা বছৰৰ বাজেট অধিবেশনতো মই এই একেটা প্ৰশ্নকে কৰিছিলো যে অসমৰ কোন কোন Detention Camp ত কিমান জন D-Voter আছে, কিন্তু তাৰ উত্তৰত

আমি পাইছিলো ৮৮৫ জন। গতিকে অধ্যক্ষ মহোদয়, এই বিসংগতিৰ কাৰণটো মই ধৰিব পৰা নাই।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, মই এইটো recheck কৰি আপোনাক জনাম। Next, Point of Order, Roselina Tirkey.

**ৰ'জলীনা তিৰ্কী, (সৰুপথাৰ)ঃ** অধ্যক্ষ মহোদয়, মোৰ Unstarred Question No. 601 ত চিকিৎসালয় উন্নীতকৰণৰ সম্পৰ্কত সুধিছিলো কিন্তু তাত মই Model Hospital ৰ কথা সোধা নাছিলো যদিও মোক তাৰ উত্তৰ দিছে। কিন্তু সেইটো ইয়াত কাছমাৰীলৈ বুলিহে দিছে যিটো আচলতে মোৰ সৰুপথাৰ সমষ্টিৰ উৰিয়াম ঘাটলৈহে আছে। গতিকে মোক ভুল উত্তৰ দিছে আৰু এই উত্তৰটো মই বিচৰাও নাছিলো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম, (ধিং)ঃ** অধ্যক্ষ মহোদয়, Starred Question No. 243, মাননীয় বিধায়ক উৎপল দত্ত ডাঙৰীয়াৰ নামত আছিল।

**মাননীয় অধ্যক্ষঃ** এইটো Disallowed হৈছে।

**শ্ৰী আমিনুল ইছলাম, (ধিং)ঃ** আৰু সেই একেই প্ৰশ্ন, Unstarred Question No. 578 বুলি মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়াৰ নামত আছিল।

**মাননীয় অধ্যক্ষঃ** মই এই কথাটো উলিয়াব বিচৰা নাছিলো কিন্তু আপুনি যিহেতু এই কথাটো উত্থাপন কৰিছে গতিকে মই এই বিষয়ে কৈ দিছো যে, এই প্ৰশ্নটো অতি দৰকাৰী আৰু এই সন্দৰ্ভত মাননীয় সদস্য ক্ৰমে শ্ৰী উৎপল দত্ত, শ্ৰী আব্দুল খালেক আৰু শ্ৰী দেৱব্ৰত শইকীয়াই দিয়া প্ৰশ্ন কেইটাৰ বিষয়-বস্তু তথা প্ৰশ্ন কেইটাৰ প্ৰত্যেকটো শাৰী একেই। আব্দুল খালেক ডাঙৰীয়াৰ প্ৰশ্নটোৰ উত্তৰ তেখেতে ইতিমধ্যে লাভ কৰিছে। এই ক্ষেত্ৰত মই মাননীয় সদস্য সকলক অনুৰোধ কৰিম যে কিছুমানে হয়তো তেওঁলোকৰ vested interest ৰ প্ৰতি লক্ষ্য ৰাখি প্ৰশ্ন দিয়ে, যাৰ বাবে সেই একেটা প্ৰশ্নকে সদনত উত্থাপিত হ'বলৈ কোনো আন সদস্যৰ দ্বাৰাও দিয়ে। গতিকে এই ক্ষেত্ৰত আন সদস্য সকলে যাতে বাধা দিয়ে আৰু যদি কেতিয়াবা প্ৰশ্ন দিয়াও হয় তেনে ক্ষেত্ৰত as it is নিদি আপোনালোকৰ নিজৰ ভাষ্য অনুসৰি যাতে দিয়ে । আপোনালোকক যদি আন কোনো সদস্যই প্ৰশ্ন দিয়ে তেন্তে you have to examine it properly . ভৱিষ্যতে এই ক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰিলে ভাল। এতিয়া ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়ণী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী শ্বেৰমান আলী আহমেদ ডাঙৰীয়াৰ Starred Question No. 242 ত আজি এটা প্ৰশ্ন সুধিছিল, গতিকে এই বিষয়ে মই ক'ব বিচাৰিছো যে যিহেতু ইয়াত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা দেখুওৱা হৈছিল আৰু accommodation ৰ প্ৰশ্নও আহি পৰিছে। Already, existing মহিলা বিশ্ববিদ্যালয়

**মাননীয় অধ্যক্ষঃ** This is not a point of order. I also know that problem and we took the matter for discussion with the Minister.

এতিয়া মই শূন্যকালীন ঘণ্টালৈ যাব বিচাৰিছো। মই আজি ৩ খন Notice পাইছো। প্ৰথমে মই পবিন্দ্ৰ ডেকা ডাঙৰীয়াৰ Notice খনৰ ওপৰত ক'বলৈ অনুৰোধ জনালো।

**শ্ৰী পবিন্দ্ৰ কুমাৰ ডেকা, (পাটাছাৰকুছি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আজি সদনৰ শূন্যকালীন ঘণ্টাত আমাৰ ৰাজ্যখনৰ কৃষক সকলে সন্মুখীন হোৱা এটা বিশেষ সমস্যাৰ কথা দাঙি ধৰিব বিচাৰিছো। যোৱা প্ৰায় আঢ়ৈ দশক ধৰি অসমে ধান উৎপাদনত ভাৰতবৰ্ষৰ ভিতৰতে অভিলেখ

স্থাপন কৰি আহিছে। আমাৰ ৰাজ্যত প্ৰতিবছৰে যদিও দুই-তিনিবাৰকৈ বানপানীৰ সমস্যাই দেখা দিয়ে, তাৰ পিছতো আমি ধান উৎপাদনৰ ক্ষেত্ৰত অভিলেখ গঢ়ি আহিছো। কিন্তু অভিলেখ স্থাপন কৰিলেও এই ধান উৎপাদন কৰা কৃষক সকলে ধানৰ উচিত মূল্য নোপোৱাৰ বাবে ধান উৎপাদনৰ প্ৰতি তেওঁলোকে অনীহা প্ৰকাশ কৰা দেখা গৈছে। 'আমাৰ অসম' বাতৰি কাকতত এটা বাতৰি প্ৰকাশ পাইছে যে "৩২০০০ মেট্ৰিকটনৰ বিপৰীতে কৃষকৰ পৰা কিনিলে মাত্ৰ ৬০০০ মেট্ৰিক টনঃ ধান কিনিবলৈ ধন নাই চৰকাৰৰ।" ইয়াত লিখিছে যে, কৃষি বিপনন পৰিষদে প্ৰতি বছৰে ধান কিনে। যোৱা বছৰ ধান কিনাৰ target আছিল ৩২০০ মেট্ৰিক টন । কিন্তু তাৰ বিপৰীতে ৬০০০ মেট্ৰিক টনহে ধান কিনিলে। এইখিনিতে এটা কথা আছে যে, এই ধান আমাৰ কৃষকে নিকিনাৰ যুযোগ লৈ পশ্চিম বংগৰ কিছুমান বেপাৰীয়ে বিশেষকৈ নামনি অসমত প্ৰতি কুইণ্টল ধানত ২০-২৫ টকা সৰহকৈ দি কিনি নিয়ে আৰু তাত তেওঁলোকে মিলিং কৰি , পশ্চিমবংগৰ label মাৰি, পশ্চিমবংগৰ চাউল বুলি কৈ অসমৰ চাউলকে অসমলৈ পঠাই দিয়ে। গতিকে বাতৰিটোত লিখিছে, ৰাজ্য চৰকাৰৰ সদ্ ইচ্ছাৰ অভাৱতে কেঁচা ঘাম মাটিত পেলাই উৎপাদন কৰা ধান বিক্ৰী কৰিবলৈ দুখীয়া কৃষক ৰাইজে হাহাকাৰ কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। কষ্টৰে উৎপাদন কৰা ধান বিক্ৰীৰ বাবে বজাৰৰ অভাৱ তথা উচিত মূল্য লাভ নকৰাত লাখ লাখ কৃষকে পানীৰ দামতে মধ্যভোগীক ধান বিক্ৰী কৰিবলৈ বাধ্য হৈছে। কিয়নো, ৰাজ্যৰ কৃষকৰ উৎপাদিত ধান ক্ৰয় কৰিবলৈ কৃষি বিপনন পৰিষদৰ ৰাজ-কোষ উদং। ধনৰ অভাৱতে ধান ক্ৰয় সাময়িক ভাৱে বন্ধ ৰাখিবলৈ বাধ্য হৈছে কৃষি বিপনন পৰিষদ। উল্লেখ্য, ৰাজ্যৰ কৃষকৰ পৰা উৎপাদিত ধান অসম চৰকাৰৰ হৈ প্ৰতি বছৰে কৃষি বিপনন পৰিষদে ক্ৰয় কৰি আহিছে। তদুপৰি ভাৰতীয় খাদ্য নিগম, নাফেড, এন চি চি এফে কিছু কিছু ধান ক্ৰয় কৰে। চলিত ২০১৭-১৮ বিত্তীয় বৰ্ষত ৰাজ্য চৰকাৰৰ হৈ কৃষি বিপণন পৰিষদে ৩১,৯০০ মেট্ৰিকটন ধান ক্ৰয়ৰ লক্ষ্য নিৰ্ধাৰণ কৰাই নহয়, কৃষি বিভাগে ৰাজ্যৰ দুখীয়া কৃষকক ধানৰ বাবদ অধিক মূল্য দিব বুলিও কৈছিল। কিন্তু অধিক মূল্য দিয়াটো দূৰৰে কথা ধান ক্ৰয় কৰিবলৈও অপাৰগতা প্ৰকাশ কৰিছে। কিয়নো কৃষি বিপনন পৰিষদে ধনৰ অভাৱত এই পৰ্যন্ত কৃষক ৰাইজৰ পৰা মাত্ৰ ৬০০০ মেট্ৰিক টন ধানহে ক্ৰয় কৰিবলৈ সক্ষম হৈছে। অধ্যক্ষ মহোদয়, মই বাতৰিটোত অসম চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। যোৱাকালি বাজেটত কোৱা হৈছে যে আমাৰ অৰ্থনীতি হ'ল- কৃষি ভিত্তিক অৰ্থনীতি আৰু বৰ্তমানৰ কৃষি মন্ত্ৰীয়েও যথেষ্ট গুৰুত্ব দিছে আৰু বাজেটতো যথেষ্ট টকা ধাৰ্য কৰিছে। গুৱাহাটীত যিটো শাক-পাচলি উৎপাদিত হয়, সেই শাক-পাচলিবোৰ কৃষকে ১০-১৫ টকাতো বিক্ৰী কৰিব নোৱাৰে। অৰ্থাৎ তেওঁলোকে গ্ৰাহক নাপায়। যাৰ ফলত কৃষিৰ ভিত্তিত বা কৃষি অৰ্থনীতিত নিৰ্ভৰ কৰি পৰিয়াল চলাই থকা কৃষক সকলক সকাহ দিয়াৰ বাবে কৃষি বিপনন পৰিষদে যাতে চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া উচিত মূল্যত যাতে ধান ক্ৰয় কৰে তাৰ বাবে চৰকাৰে ব্যৱস্থা ল'ব লাগে।মই কৈছো যে অকল এই বাতৰিটো নহয় আমাৰ ব্যক্তিগত অভিজ্ঞতা আছে আমি সমষ্টিলৈ গ'লে ধানৰ দাম কিমান হৈছে, শাক পাচলিৰ দাম কি, সৰিয়হৰ দাম কি চলি আছে বৰ্তমান, মচুৰৰ দাম কি চলি আছে বৰ্তমান সকলো কথা আমি ৰাইজৰ পৰা বুজ লওঁ। গতিকে মাননীয় মন্ত্ৰী মহোদয় তথা চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো আৰু যদি উচিত মূল্যত তেওঁলোকৰ অকল ধানেই নহয় উৎপাদন কৰা কৃষি সামগ্ৰী যাতে বিক্ৰী কৰিব পাৰে তাৰ ব্যৱস্থা ল'বলৈ মই অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** Thank you.

**শ্ৰী অতুল বৰা (কৃষি মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পবিন্দ্ৰ ডেকা ডাঙৰীয়াক মই ধন্যবাদ

জ্ঞাপন কৰিছো। তেখেতে এটা গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত দৃষ্টি আকৰ্ষণ কৰাৰ কাৰণে আৰু তেখেতৰ প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত আমি কাইলৈ দিম।

মাননীয় অধ্যক্ষ ঃ যোৱা কালি শ্ৰী চুজাম উদ্দিন লস্কৰে কথা এটা কৈছিলে তেখেত আজি উপস্থিত নাই। মই আজি কৰিম বুলি কৈছিলো। ইতিমধ্যে শ্ৰী দেৱব্ৰত শইকীয়া আৰু শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ই এই বিষয়টো '0' hour ত আনিছে। মই ক'বলৈ অনুৰোধ কৰিছো আৰু শ্ৰী চুজামুদ্দিন আছে যদি তেওঁকো ভিতৰত আহিবলৈ কৈছো। এতিয়া শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, গত ১১ মাৰ্চ দৈনিক সাময়িক প্ৰসঙ্গে প্ৰকাশিত "কচুরতলে গুলি সংঘর্ষে ১০ পুলিশ সহ আহত বহু, পিছু হাটল মিজোরাম"--এই গুরুত্বপূর্ণ বিষয়টি উত্থাপন করার সুযোগ দেওয়ার জন্য আমি আপনাকে ধন্যবাদ জানাই। কথা হচ্ছে যে আমাদের বর্তমান সরকার জাতি-মাটি-ভেটি রক্ষার স্লোগান দিয়ে শাসনে অধিষ্ঠিত হয়েছে। কিন্তু বর্তমানে অসমের মাটি মোটেই সুরক্ষিত নয়।

মাননীয় অধ্যক্ষ মহোদয়, INNER LAND RESERVE FOREST নোটিফিকেশন হয়েছিল ১৮৮৯ সালে, ঘাড়মোড়া রেঞ্জের অন্তর্গত কচুরতল সেই গ্রামটা। স্বাধীনতার পর থেকে এই অঞ্চলে অসমের জনসাধারণ বসবাস করছেন। অসমের স্কুল সেখানে আছে, অসমের গ্রাম সেখানে আছে। কিন্তু বিগত দু, তিন বছর ধরে সেই অঞ্চলে মিজোরামের যুব সংগঠন MZP এবং YMA -এর যুবকরা ওই তিন কিমি অসমের এলাকাকে বার-বার গ্রাস করার জন্য এক পরিকল্পনা চালাচ্ছে। ঘটনাটি সংঘটিত হয়েছে গত ২৭ ফেব্রুয়ারি, যখন সেখানে একটা ওয়েটিং হল বানানো হল এবং মিজোরাম সরকারের বোর্ড লাগানো হলো সেই জায়গায়। বোর্ডটা যখন লাগানো হল, অসম সরকারের তরফ থেকে এবং বিশেষ করে অসমের পুলিশ সেটা গিয়ে ভেঙে দিল। ভেঙে দেওয়ার পর যে সমস্যাটি সুপ্ত ছিল, এখন সেটাই প্রকাশ্যে এসে গেছে। এরপর মিজোরামের দুটো সংগঠন প্রকাশ্যে ঘোষণা করল যে ৮ তারিখ ওরা সেখানে community hall বানাবে এবং ছাত্র সংগঠনের সদস্যরা সেখানে আসবে। এতে যদি সেখানে রক্তপাতও হয় ওরা পিছু হঠবে না। এর প্রেক্ষিতে ০৭ তারিখ সেখানে ১৪৪ জারি করা হয়েছিল। মিজোরাম সরকারকেও জানানো হয়েছিল আপনাদের এলাকার কোনও যুবক যাতে ওই অঞ্চলে না আসে। কিন্তু তারপরও দেখা গেল সেখানে ২০০ যুবক এসে জড়ো হয়ে গেল। এবং এটা সত্যি কথা যে অসম পুলিশের তরফ থেকে ৭ তারিখ এবং ৮ তারিখ ওদেরকে প্রতিহিত করা হয়। কিন্তু ৯ তারিখ সেই অঞ্চলে অসমের দুটো ঘর জ্বালিয়ে দেওয়া হয়। তারপর ১০ তারিখ সেখানে ভয়ানক কাণ্ড সংগঠিত হয়। মিজোরামের যুবকরা প্রকাশ্যে এসে ঘর বানানোর সংকল্প হাতে নিল এবং সেখানে শূন্যে গুলি চালানো হল।

মাননীয় অধ্যক্ষ মহোদয়, অসমের ভূমিকে আমরা সুরক্ষিত রাখতে পারছি না। কারণ, বিগত দুই তিন বছর থেকে ওই কার্যকলাপ চলছে। অসম সরকারের পক্ষ থেকে বারবার reminder দেওয়ার পরও মিজোরাম সরকার ওই বিষয়ে কর্ণপাত করছে না। অসমের জনসাধারণ যারা ব্যবসায়ের জন্য মিজোরামে আছেন, তাদের ওপর অত্যাচার করা হচ্ছে। ওদেরকে ঘর থেকে না বেরোনোর জন্য হুমকি দেওয়া হচ্ছে। অধ্যক্ষ মহোদয়, আমি মনে করি বর্তমানে অসমের জনসাধারণ সেখানে অসুরক্ষিত অবস্থায় আছেন। যে কোনও সময় ওদেরকে হত্যা করা হতে পারে। তাই আমি মনে করি আমাদের সরকারকে সে নিয়ে দৃষ্টান্তমূলক পদক্ষেপ হাতে নিতে হবে।

অধ্যক্ষ মহোদয়, আমার তরফ থেকে দুটো suggestion থাকবে। প্রথমটা হচ্ছে সমস্যার স্থায়ী সমাধানের জন্য একটা ত্রিপাক্ষিক বৈঠক করতে হবে। ভারত সরকার, অসম সরকার এবং

মিজোৰাম সরকারকে নিয়ে বৈঠক করতে হবে। এবং বর্তমান পরিস্থিতি নিয়ন্ত্রণের জন্য সেখানে একটা প্রতিনিধি দল পাঠানো উচিত, যাতে সেই এলাকাকে আপাতত শান্ত করা যায়। না হলে সেখানে একটা বিভীষিকাময় পরিস্থিতির সৃষ্টি হবে। বিশেষ করে আমাদের অসমের যারা জনসাধারণ রয়েছেন, তারা কিন্তু বর্তমানে একটা নিরাপত্তাহীনতায় ভুগছেন। সে জন্য একজন বিধায়ক হিসাবে সদনে এবং বিশেষ করে সরকারের দৃষ্টি আকর্ষণ করলাম যাতে বিহিত ব্যবস্থা নেওয়া হয়। একদিকে permanent settle করার জন্য এবং temporary হিসাবে সরজমিনে এলাকা পরিদর্শন করে, মিজোরাম সরকারের সঙ্গে কথা বলে যাতে আমরা সমস্যার সমাধান করতে পারি। ঘটনাটি অধ্যক্ষ মহোদয় খুব গুরুত্বপূর্ণ, তাই বিগত দিনেও আমরা উত্থাপন করার সুযোগ চেয়েছিলাম। কিন্তু আজ উত্থাপন করলাম।

অধ্যক্ষ মহোদয়, গা-ছাড়া জবাব না দিয়ে অসমের জনসাধারণের সুরক্ষার স্বার্থে জবাব যাতে দেওয়া হয়। অধ্যক্ষ মহোদয়, আমি এখানে ছোট্ট একটা গল্প বলব— রাজাদের একটি বৈঠক চলছে। প্রত্যেক রাজাকে বলা হচ্ছে আপনি তো অনেক সুখী। আপনি কিভাবে সুখী? একজন রাজা বলেছিলেন, আমি তখনই সুখী হব যখন আমার প্রজারা সুখে থাকবে। আমি মনে করি একটা সরকার তখনই সুখী হবে, আনন্দে থাকবে যখন তাদের জনসাধারণ সুখে থাকবে। অসমের জনসাধারণ, বিশেষ করে মিজোরামে মোটেই সুখী নয় অধ্যক্ষ মহোদয়। এই জন্য সরকারের দৃষ্টি আকর্ষণ করলাম এবং বিহিত ব্যবস্থা নেওয়ার আহ্বান জানালাম। নমস্কার, ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** যোৱাকালি আপোনালোক তিনিজন, চুজাম উদ্দিন লস্কৰ, নিজামুদ্দিন চোধুৰী, আজিজ আহমেদ খান সকলোৱে বিচাৰিছে among you one should speak. যিয়ে কৰে এজনে কৰক। এইটো কথা কালি আপোনালোকে কোৱা কাৰণে আজি মই দিয়া নাই। notice দিব। এনেকে আলোচনা নহয়। কিয় আপুনি notice নিদিলে rule বিলাক নাজানিলে মোৰ ওচৰলৈ আহিব। মই বুজাই দিম আপোনালোকক

**শ্রীআজিজ আহমেদ খান ঃ** চাৰ, মোক একমিনিট সময় দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** No, no this is '0' hour. Why you didnot give notice. You should know. you are learned Member. মই কৈছো যে আমাৰ মেম্বাৰ সকলক কথা ক'বলৈ সুযোগ দিম। খালী নিয়মৰ মাজত। মোক কেতিয়াবা সুধি ল'ব। মই আজি আপোনালোকৰ notice পাইছো বুলি ভাৱিছো। তেখেত সকলৰ পাইছো। ঠিক আছে তথাপি দিছো। কাৰণ কালি আপোনালোকে কৈছে। এজনে ক'ব পিছত কেতিয়াবা আকৌ দিম।

**সুজাম উদ্দিন লস্কর (কাটলিছড়া) ঃ**-ঃ- মাননীয় অধ্যক্ষ মহোদয়, অসম মিজোরামের যে সমস্যাটি চলছে আমার কাঠলিছড়া সমষ্টিতে বর্তমানে দুইদিকেই আমার আসাম মিজোরাম বর্ডার। বিগত পূর্বের সরকার বিগত ত্রিশ বছর থেকে ওই দুই বর্ডারে অসমের প্রায় ১০ কিমি জায়গা দখল করে নিয়ে গিয়েছে। আমার ধলছড়া বিনয়পুর সাইডে আমাদের অসমের যে নামটি ছিল রঞ্জানি সেই জায়গাটি বর্তমানে মিজোরাম সেই জায়গাটির নাম দিয়েছে ফাইছেদ। প্লেইন জমি সেখানে একটি স্টেট রোডও আছে পূর্বের সরকার কোনও পদক্ষেপ নেয়নি। বিগত ত্রিশ বছর থেকে সেখানে ১০ কিমি জায়গা দখল করে নিয়েছে। বর্তমানে ঘাড়মুরা এন.এইচ রোড ১৫০ কিমি যেখানে ধলেশ্বর থেকে ভৈরবি গিয়েছে। সেখানে কচুরতল বলে একটা জায়গা, যার পাঁচ- ছয় কিমি জায়গা দখল করে নিয়েছে। বর্তমানে আরোও ৩ কিমি জায়গা দখলের জন্য এগিয়ে আসছে । আমি যখন আমাদের প্রশাসন ডিসি, এসপি মহাশয়ের সঙ্গে যোগাযোগ করলাম, আমি বর্তমান সরকারকে ধন্যবাদ জানাই

যে ত্রিশ বছর সেখানে কোন কনস্টেবল যায়নি। বর্তমানে অসম  সরকারের তত্বাবধানে আমি যখন যোগাযোগ করি আমাদের ডি. আই.জি,  ডি উপাধ্যায় মহাশয় উনি এক সপ্তাহ থেকে বসে আছেন। আমাদের ডিসি  আদিল খান, উনিও সেখানে বসে আছেন । আমাদের এসপি সহ অসম পুলিশের প্রায় ৩০০ জোয়ান সেখানে রয়েছে। কিন্তু সমস্যা  হচ্ছে মিজোরাম সরকার-প্রশাসনের কথা এই যে এর  MJP এবং  YMA  নামের যে এই  সংস্থাগুলো রয়েছে ,ওরা শুনে না। আমরা বারবার ডিসি, এসপি মহাশয়ের সাথে যোগাযোগ কৰাও কোনও প্রশাসনিক ব্যবস্থা নিতে পারেনি। যারজন্য দুবার লাঠিচার্জ হয়েছে ,শূন্যে গুলি চালানো হয়েছে। গতকাল আমি মুখ্যমন্ত্রী মহাশয়ের সাথে দেখা করে বলেছি যে দুটি স্টেটের  Chief Secretray level ,CM level এর  যদি একটা গোল টেবিল বৈঠক না হয় তাহলে সেই সমস্যার সমাধান হবেনা। কারন আমারা জানি যে এই দুটা স্টেট আমাদের ভারতের ভিতরে । আমাদের international boarder  এর সমস্যার সমাধান হচ্ছে। কিন্তু আজকে আমরা দেখতে পাচ্ছি  যে অরুনাচল নাগাল্যাণ্ড মেঘালয় এই বর্ডারগুলোর সমস্যা  আর আমার  মিজোরামের যে সমস্যা সেটি নিয়ে গতকাল আমার মুখ্যমন্ত্রীর সাথে কথা হয়েছে।আমার কথা হচ্ছে বর্তমানে আমার  প্রশাসন সেখানে আছে কিন্ত রোজ ওনারা মিজোরামের যে স্টুডেন্ট ফ্রনটে সেখানে আসার জন্য পদক্ষেপ নিচ্ছে যদি আমাদের সমস্যাটা দুই সরকার যোগাযোগ করে সমাধান সূত্র বাহির করা না হয় তাহলে আমাদের জনসাধারন আরও বিপদমূখী হবেন। আমাদের ডিসি মহোদয় ১৪৪ জারি করেছিলেন আমাদের অসমের কিছু জনসাধারন চেয়েছিলেন যে ওনারা সেখানে যাবেন বা কিছু পদক্ষেপ নিয়েছিলেন কিন্তু মিজোরাম সরকার কোনও পদক্ষেপ নেয়নি।  তাই আমি অনুরোধ রাখছি যে দুই সরকার যোগাযোগ  করে চিরতরে যাতে সমস্যাটির সমাধান করা হয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, যিটো অঞ্চলত হৈ আছে, তাৰ স্থানীয় বিধায়ক জন কোন?

**শ্ৰীশ্ৰীচুজামুদ্দিন আহমেদ ঃ** চাৰ মই।

**মাননীয় অধ্যক্ষ ঃ** Minister Please.

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** চাৰ, তেখেতে মিজোৰামৰ মুখ্যমন্ত্ৰী লগত কিবা আলোচনা কৰিছিলে।

**মাননীয় অধ্যক্ষ ঃ** সেইটো বেলেগ কথা। হাউচত তেনেকৈ নহয়। মই দিম বুলি কৈছো, কোনেও নটিচ দিয়া নাই। তথাপিও মই দিছো। কংগ্ৰেছে দিয়াৰ পাছতো । সমস্যা সমাধান হোৱাটো আমাৰ কাৰণে জৰুৰী। আপোনাৰ কিবা থাকিলে মন্ত্ৰীক দি দিব কথাখিনি পাতিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ বিধান সভাৰ মজিয়াত শ্ৰী দেৱব্ৰত শইকীয়া, শ্ৰী কমলাক্ষ দে পুৰকায়স্থ আৰু মাননীয় বিধায়ক সকলে অসম-মিজোৰাম সীমান্তত “কছুৰতলে, গুলি, সংঘৰ্ষে ১০ পুলিশ সহ, আহত বহু, পিছু হঠল মিজোৰা” শীৰ্ষক বাতৰি সন্দৰ্ভত উত্থাপিত কৰা বিষয়টো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। মিজোৰাম শীৰ্ষক বাতৰিটো আমাৰ ইয়াত উত্থাপন কৰিছে মাননীয় সদস্য সকলে। গতিকে এই ক্ষেত্ৰত এই কথাটো এনেকুৱা ধৰণৰ যে, চুবুৰীয়া ৰাজ্যসমূহৰ লগত সীমা সম্পৰ্কত আজি নাগালেণ্ডৰ লগতো আমাৰ অলপ সীমাৰ অসুবিধা হৈছে আৰু মেঘালয়ৰ লগতো আছে। কেতিয়াবা কেতিয়াবা অৰুণাচলৰ লগত হয়। মিজোৰামৰ লগতো আছে. এই বিষয় কেইটা আচলতে বৰ চেনচিটিভ। কিন্তু এই বিষয় কেইটাৰ ভিতৰত আটাইতকৈ গুৰুত্বপুৰ্ণ বিষয়টো হ’ল যে, আমাৰ অসম ৰাজ্যখনে  চুবুৰীয়া ৰাজ্যৰ লগত আমাৰ মাজত যিটো মিলা-প্ৰীতি আছে, এখন ৰাজ্য আৰু সিখন ৰাজ্যৰ মাজত এই মিলা-প্ৰীতিটো আমি ৰক্ষা কৰি আমাৰ মাটিন্খিনি ৰক্ষা কৰি গৈ আছো. আমাৰ মাটি আমি বেলেগক অধিগ্ৰহণ কৰিব দিয়া

নাই। আমি বিচাৰো যে, ৭ খন ৰাজ্যৰ ভিতৰত আমাৰ মিলা-প্ৰীতি থাকক।

**মাননীয় সভাপতি বীৰভদ্ৰ হাগজেৰ আসনত থাকে।**

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় সভাপতি ডাঙৰীয়া, আৰু সেই কাৰণে এই ঘটনাটো হোৱাৰ পিছতেই আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বিষয়টোৰ সম্পৰ্কত কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰী ৰাজনাথ সিং ডাঙৰীয়াৰ লগত বিষদভাৱে বিষয়টো আলোচনা কৰিছে। অৱগত কৰিছে আৰু লগতে মিজোৰামৰ মুখ্যমন্ত্ৰীৰ লগতো মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াই বিষয়টো আলোচনা কৰিছে আৰু আলোচনা কৰি ইয়াত যিখিনি মাটিক লৈ বিবাদ হৈছে। গতিকে সেইখিনি আমাৰ অসমৰ মাটি। অসমৰ মাটিখিনি লৈ আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই কেন্দ্ৰীয় চৰকাৰ আৰু গৃহমন্ত্ৰনালয়ৰ লগতো আলোচনা কৰিছে আৰু তদুপৰি চৰকাৰী বিষয়াৰ লগত মুখ্য সচিবে মিজোৰামৰ মুখ্য সচিবৰ লগতো কথা পাতিছে আৰু চৰকাৰী পৰ্য্যায়তো, উপায়ুক্তৰ পৰ্য্যায়তো তেনেকৈ কথা পাতিছে আৰু স্থানীয় বিধায়ক মহোদয়ে কৈছে যে, তেখেতে নিজেই সন্তুষ্টি প্ৰকাশ কৰিছে যে, সভাপতি ডাঙৰীয়া, তাত চৰকাৰৰ তৰফৰ পৰা যিখিনি ব্যৱস্থা লোৱা হৈছে, সেই ব্যৱস্থাখিনিত তেখেতে সন্তুষ্টি প্ৰকাশ কৰিছে। গতিকে এই ক্ষেত্ৰত আচলতে এনেকুৱা নহয় যে, আজি কিছুমান এই গোটেই ঘটনাবিলাকৰ আৰত কিছুমান ৰাজনৈতিক উদ্দেশ্য থাকে। আচলতে এইটো হ'বলগীয়া ঘটনা নহয়েই। মাটি অসমৰ। তাতে কিবা এটা ঘৰ বনাব আহিছে। কোনো দিন তেনেকুৱা কথা মিজোৰাম সীমাত আৰু স্থানীয় বিধায়ক আছে, তাত তেনেকুৱা কোনোধৰণৰ অপ্ৰীতিকৰ ঘটনা হোৱা নাই। সেই অঞ্চলসমূহ ভ্ৰমণ কৰাৰ সুযোগ মোৰো হৈছিল। ২০০৬, ২০০৮ চনত। সেই অঞ্চলসমূহত মই Leader of opposition ত থাকোতে কেইবাবাৰো গৈছিলো। তাত মানুহ বিলাকৰ মাজত তেনেকুৱা ধৰণৰ মিলা-প্ৰীতি অভাৱ নোহোৱা নহয়। সকলোৱে মিলা-প্ৰীতিৰে চলি আছে। গতিকে এইটো ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত ভাৱে কিছু লোকে এনেকুৱা এটা উত্তেজনাৰ সৃষ্টি কৰিব বিচাৰিছে আৰু সেই সম্পৰ্কত চৰকাৰে সতৰ্ক দৃষ্টি ৰাখি আছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজে তদাৰক কৰি আছে। তেওঁ নিজেই এই বিষয়টোৰ ওপৰত তদাৰক কৰি এই সম্পৰ্কত গোটেই কথাখিনি তৎপৰতাৰে বিবেচনা কৰি থকা হৈছে আৰু আমাৰ অসমৰ সেই সীমান্তত বসবাস কৰা প্ৰতিজন মানুহৰ জীৱন আৰু সম্পত্তি যাতে নিৰাপত্তা থাকে, তাৰ কাৰণে চৰকাৰে প্ৰতিটো মূহুৰ্ততে সতৰ্ক আছে আৰু সেই মতে Sufficienrt force তাত deploy কৰা হৈছে। DIG level ৰ Officer, SP level ৰ officer তাতে বাহৰ পাতি তেওঁলোকে গোটেই কথাবিলাক উচ্চপদস্ত বিষয়াই নিয়ন্ত্ৰণ কৰি আছে আৰু Civil officer, D.C, SDO Civil তেখেত সকলো আছে। সভাপতি ডাঙৰীয়া, মই ঘটনাৰ এটা বিৱৰণী দাঙি ধৰিব বিচাৰিছো। জিলা আৰু সেই সকলৰ বিভিন্ন ঠাইৰ পৰা সংগ্ৰহ কৰা খবৰৰ ভিত্তিত এটা ৰিপোৰ্ট দিব বিচাৰিছো।

যোৱা ২৭-০২-২০১৮ তাৰিখে মিজোৰামৰ এটা ছাত্ৰ-সংগঠন Mizo Zirlaw Paw (MZP) ৰ নামত এখন ফলক হাইলাকান্দি জিলাৰ ৰামনাথপুৰ থানাৰ অন্তৰ্গত কছুৰতল এলেকাৰ ১৫৪ ৰাষ্ট্ৰীয় ঘাই পথৰ দাতিত স্থাপন কৰে। ফলকখনত Site for Zofate Chawlbuk (i.e.site for rest house) লিখা আছিল আৰু ফলকখনৰ তলত অস্থায়ী বেঞ্চ এখন নিমাৰ্ণ কৰিছিল। এই খবৰ পোৱা মাত্ৰকে ৰামনাথপুৰ থানাত আৰক্ষীয়ে ফলক আৰু বেঞ্চখমন ভাঙি পেলায়।

ইতিমধ্যে মিজোৰাম পুলিচ সহিতে ৫০ জন মান মিজো মানুহ ঘটনাস্থলীলৈ আহি চিএৱৰ বাখৰ কৰে আৰু পুণৰ ৰাস্তাৰ কাষত এটা জিৰণি ঘৰৰ ছালি বনোৱা আৰম্ভ কৰে। অসম পুলিচে

তেওঁলোকক বাধাপ্ৰদান কৰা স্বতেও তেওঁলোতে কানসাৰ নকৰিলে। ইয়াৰ পিছতে কাটলিচেৰা মহকুমাধিপতি আৰু উপ-আৰক্ষী অধ্যক্ষক দ্বয়ে ১ম মিজোৰাম IR বেটেলিয়নৰ অধিনায়ক, কলাচি বৰ মহকুমাধিপতি আৰু কলাচিবৰ মহকুমা আৰক্ষী বিষয়াৰ লগত দীঘলীয়া আলোচনাত মিলিত হয় যাতে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব পৰা যায় কিন্তু কোনো মীমাংসাত উপনীত হ'ব পৰা নগ'ল। আইন শৃংখলা পৰিস্থিতি অৱনতি হোৱাৰ আশংকাত অসমৰ বিষয়াসকল সেই ঠাইৰ পৰা গুচি আহে। পিছত কাটলিচেৰাৰ মহকুমাধিপতিয়ে আন্ধাৰ হোৱাৰ পাছত আৰক্ষীলোক লগত লৈ উক্ত চালিখন ভাঙি দিয়ে। এই সংক্ৰান্তত ৰামনাথপুৰ বিট্ অফিচাৰৰ এজাহাৰৰ ভিত্তিত ৰামনাথপুৰ থানাত এটা গোচৰ ৰুজু কৰা হয়।

যোৱা ২৮-০২-২০১৮ তাৰিখে ঘটনাস্থলীত দুই Section BN মোতায়েন কৰা হয়। ইয়াৰ পিছত খবৰ পোৱা যায় যে MZP য়ে পুনৰ ০৮-০৩-২০১৮ তাৰিখে এই জিৰণি চালিতো পুণৰ নিৰ্মাণৰ পৰিকল্পনা কৰিছে। এই খবৰ পাই হাইলাকান্দিৰ উপায়ুক্তই ০৬-০৩-২০১৮ তাৰিখে ঘটনাস্থলীলৈ যায় আৰু মিজোৰামৰ কলাচিব জিলাৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকক স্থিতাবস্থা বাহাল ৰখাৰ বাবে আৰু কোনো সংগঠনকে আইন হাতত তুলি নোলোৱাৰ ব্যৱস্থা কৰিবলৈ মৌখিক ভাৱে আৰু লিখিত ভাৱে অনুৰোধ জনায় আৰু আলোচনাৰ বাবে আমন্ত্ৰণ জনায় অসমৰ ভূমিত MzP সদস্যৰ দ্বাৰা বেদখলৰ আশংকাত **০৭-০৩-২০১৮** তাৰিখে উক্ত অঞ্চলত CRPC ১৪৪ ধাৰা জাৰি কৰা হয়। ৮-৩-২০১৮ তাৰিখে ঘটনাস্থলীত দণ্ডাধীশ আৰু অতিৰিক্ত আৰক্ষী অধীক্ষকৰ নেতৃত্বত পয্যাপ্ত নিৰাপত্তাৰক্ষী মোতায়ন কৰা হয়। সেই দিনাই ১০ মান বজাত MzP ৰ ২০ জন মান সদস্যই ২ খন গাড়ীত নিৰ্মাণ সামগ্ৰী লৈ তাত উপস্থিত হৈ সামগ্ৰীবোৰ নমাবলৈ আৰম্ভ কৰে। কৰ্তব্যৰত দণ্ডাধীশে তেওঁলোকক বুজাবলৈ চেষ্টা কৰে যদিও তেওঁলোকে কোনো কথা মানিবলৈ মান্তি নহয়। মাইক যোগেও CRPC ১৪৪ ধাৰা জাৰি কৰা বিষয়ে ঘোষণা কৰা হয়। এটা সময়ত নিৰুপায় হৈ দণ্ডাধীশে গোট খোৱা লোক সকলক বে-আইনি সমদল বুলি ঘোষণা কৰে আৰু আৰক্ষীৰ দ্বাৰা নিম্নতম শক্তি প্ৰয়োগ কৰিব লগীয়া হয় আৰু প্ৰায় **২০০** মিটাৰ পিছলৈ খেদি পঠায়। ইয়াৰ পাচত MZP ৰ ৬০-৭০ জন মান সদস্যই দলটোত যোগ দিয়ে। অসমৰ বিষয়া সকলে তেওঁলোকক উক্ত স্থান ত্যাগ কৰিবলৈ আৰু তেওঁলোকৰ প্ৰশাসনৰ লগত যোগা যোগ কৰিবলৈ অনুৰোধ জনায়। কিন্তু তেওঁলোকে কোনো কথা নুশুনিলে। ৰাতি প্ৰায় **৮** মান বজাত কলাচিব জিলাৰ অতিৰিক্ত উপায়ুক্ত ঘটনাস্থলীলৈ আহে আৰু হাইলাকান্দি জিলাৰ উপায়ুক্তৰ লগতে উপ-আৰক্ষী মহাপৰিদৰ্শক (দক্ষিণ মণ্ডল) লগত আলোচনাত মিলিত হয়। কিন্তু সমস্যাটো মীমাংশা নহ'ল। হাইলাকান্দি জিলাৰ উপায়ুক্ত আৰু দক্ষিণ মণ্ডলৰ আৰক্ষী উপ-মহাপৰিদৰ্শকে মিজোৰামৰ কলাচিব জিলাৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ লগত আৰু যোৱা ৯-৩-২০১৮ তাৰিখে বিয়লি চাৰি বজাত এখন সভা অনুষ্ঠিত কৰি মিজো ছাত্ৰ সংগঠন (MZP ) ৰ সদস্য সকলে জিৰণি গৃহ নিৰ্মান সম্পৰ্কত লোৱা ভুমিকাক শান্তিপূৰ্ণ ভাৱে বুজাপৰাৰ মাজেৰে বিষয়টো নিস্পত্তি কৰাৰ চেষ্টা কৰে। মিজোৰামৰ কলাচিব জিলাৰ উপায়ুক্তক হাইলাকান্দি জিলাৰ উপায়ুক্তই পুনৰ পৰামৰ্শ দিয়ে যে সীমান্ত সংক্ৰান্তত থকা সমস্যা বা মতপাৰ্থক্য আলোচনাৰ মাজেৰে উপায়ুক্তৰ মঞ্চতহে সমাধান কৰা উচিত। কোনো ব্যক্তিকে জোৰ কৈ সংৰক্ষিত বনাঞ্চলৰ ভূমি আইন ভংগ কৰি অধিকাৰ কৰিবলৈ দিয়া উচিত নহয়। হাইলাকান্দি জিলা প্ৰশাসনে মিজো ছাত্ৰ সংগঠন (MZP) ক সন্মত কৰি আইন মানি চলি সেই ঠাইৰ পৰা আতৰি যাবলৈ মিজোৰাম প্ৰশাসনক অনুৰোধ কৰি কয় যে, যিহেতু দুয়োখন ৰাজ্যৰ চৰকাৰ আৰু প্ৰশাসনৰ লগত বিষয়টি মীমাংসাৰ বাবে প্ৰচেষ্টা চলি আছে। ইয়াৰ পিছতে কলাচিব

জিলাৰ প্ৰশাসনৰ বিষয়াসকলে সভাৰ শেষত নিজ ঠাইলৈ যোৱাৰ আগতে প্ৰতিশ্ৰুতি দিয়ে যে তেওঁলোকৰ এলেকাৰ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ বাবে ব্যৱস্থা লব। ইয়াৰ পিছতো কোনো ধৰণৰ সহাৰি কলাচিব জিলা প্ৰশাসনৰ পৰা পোৱা নগল আৰু মিজো ছাত্ৰ সংগঠনৰ ছাত্ৰ সকলে উক্ত ঠাইত শিবিৰ পাতি থাকিবলৈ লয়। পৰিস্থিতি নিয়ন্ত্ৰণ আৰু শান্তিৰ পৰিৱেশ আনিবলৈ অসমৰ পৰ্য্যাপ্ত নিৰাপত্তাৰক্ষী মোতায়েন কৰা হয়। সন্ধিয়া প্ৰায় ৭ মান বজাত খবৰ পোৱা গ'ল যে সীমান্তত মিজোৰামৰ ফালৰ পৰা কিছুমান ধ্বংসাত্মক ঘটণা সংঘটিত কৰিবলৈ চেষ্টা কৰা হৈছে। বিষয়টো ততাতৈয়াকৈ কলাচিবৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকক অৱগত কৰি প্ৰয়োজনীয় সুৰক্ষা দিবলৈ কোৱা হয়। ৯ মাৰ্চ ২০১৮ তাৰিখৰ নিশা ১১ বজাত উক্ত সীমান্ত অঞ্চলত কৰ্তব্যৰত দণ্ডাধিশ আৰু আৰক্ষী বিষয়াই জনায় যে সমস্যা সংক্ৰান্তত সেই দুটা পৰিত্যক্ত গৃহ কোনোবাই জ্বলাই দিয়ে। তৎকালীন ভাৱে কলাচিব জিলাৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকক উক্ত ঘটনাটো জনাই সেই ধৰণৰ আহুকলীয়া পৰিৱেশ বন্ধ কৰিবলৈ কোৱা হয়। অন্যথা এনেধৰণৰ পৰিৱেশে জটিল সমস্যাৰহে সৃষ্টি কৰিব। ১০ মাৰ্চ ২০১৮ তাৰিখৰ পুৱা এক বুজন পৰিমাণৰ মিজো ছাত্ৰ সংগঠনৰ সদস্যই আহি উক্ত শিৰিৰত যোগদান কৰে। তেওঁলোকে দা, যাঠি, লাঠি, কেটেপা ইত্যাদি অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত হৈ তাত সমেবেত হয়। এই সংক্ৰান্তত টেলিফোনৰ দ্বাৰা বাৰম্বাৰ কলাচিবৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকক উপৰ্যুপৰি অনুৰোধ কৰা হৈছিল যে, মিজো ছাত্ৰ সংগঠনক মিজোৰামৰ ভিতৰৰ সীমান্ত এলেকাত আইল শৃংখলা ৰক্ষাৰ স্বাৰ্থত মিজো ছাত্ৰ সংগঠনৰ সদস্য সকলক তাৰ পৰা আতৰাই পঠাব লাগে। প্ৰত্যুত্তৰত কলাচিব জিলাৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকে নিশ্চিত কৰে যে মিজো ছাত্ৰ সংগঠনক তাৰ পৰা সোনকালেই আতৰাই পঠাব আৰু তেওঁলোকে অশান্তিজনক পৰিস্থিতিৰ সৃষ্টি কৰিবলৈ নিদিয়ে। পুৱা ১১-৩০ বজাত মিজোৰাম প্ৰশাসনৰ হৈ এজন বিষয়াই কৰ্তব্যৰত থকা অসমৰ দণ্ডাধীশ আৰু ভাৰপ্ৰাপ্ত আৰক্ষী অধীক্ষকক হাইলাকান্দিক জনাই যে , ছাত্ৰ সংগঠনৰ কথাত সৈমান হৈ অসমৰ নিৰাপত্তাৰক্ষীক উক্ত ঠাইৰ পৰা যদি আতৰাই নিয়া হয়, তেতিয়া তেওঁলোকেও সেই ঠাইৰ পৰা আতৰি যাব. বিষয়া জনে আৰু জনাই যে দুয়োখন জিলাৰ উপায়ুক্তই আলোচনা মৰ্মে এই সমস্যাটো শান্তিপূৰ্ণ ভাৱে বুজা পৰাৰে গ্ৰহণযোগ্য সমাধানত যাতে উপনিত হব পাৰে। যদিও বিষয়টো আলোচনা চলি আছিল, তেনেতে প্ৰায় ১০০ জন মিজো ছাত্ৰ সংগঠনৰ সদস্যই লাঠি, দা চুৰি, কাঠৰ সামগ্ৰী, কাঠৰ তক্তা আৰু কেটেপা আদিৰে সজ্জিত হৈ অসমৰ নিৰাপত্তাৰক্ষী সকললৈ আগুৱাই আহি আক্ৰমন কৰে আৰু একে সময়তে মিজো ছাত্ৰ-সংগঠনে কাঠৰ খুটা পুতি গৃহ নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰে। তেওঁলোকে হাইলাকান্দিৰ ভাৰপ্ৰাপ্ত আৰক্ষী অধীক্ষককো আক্ৰমন কৰে। তেওঁলোকৰ আক্ৰমনত অসমৰ ১৫ জন আৰক্ষী বিষয়া আৰু জোৱান আহত হয়। উপৰ্যুপৰি অনুৰোধ কৰি উক্ত ঠাইত কৰ্তব্যৰত দণ্ডধীশ আৰু আৰক্ষী বিষয়াই মিজো ছাত্ৰ সংগঠনক আইন শৃংখলা, শান্তি,সম্প্ৰীতি ৰক্ষাৰ স্বাৰ্থত আইন ভংগ নকৰিবলৈ প্ৰচেষ্ট চলায়। তৎস্বত্বেও মিজো ছাত্ৰ সংগঠনৰ সদস্য সকলে কোনো কাৰণতে সেইবোৰ শুনিবলৈ প্ৰস্তুত নহে তেওঁলোক নিৰ্মাণ কামত ৰত হৈ থাকে আৰু কৰ্তব্যৰত থকা অসম আৰক্ষীয়ে অধিক সংযমেৰে পৰিস্থিতি মোকাবিলা কৰাৰ বাবে টেষ্টা চলায়। যি সময়ত মিজো ছাত্ৰ সংগঠনৰ সদস্য সকলে অসমৰ বিষয়া, আৰক্ষীক আক্ৰমণ কৰিছিল সেই সময়ত অসমৰ আৰক্ষী আৰু তেওঁলোকৰ মাজৰ দুৰত্ব আছিল ১০০ মিটাৰ তেওঁলোকক আতৰাই পঠাবলৈ কম পৰিমাণৰ আৰক্ষী নিয়োগ কৰি বেছিকৈ সংযম ৰক্ষা কৰাৰ বাবে কোৱা হৈছিল। যেতিয়া মিজো ছাত্ৰ-সংগঠনৰ সদস্যসকলে নিৰন্তৰ অসম আৰক্ষীক আক্ৰমণ কৰিলে শেষত তেওঁলোকক আতৰাই পঠিয়াবলৈ কোনো বিকল্প ব্যৱস্থা নথকাত মিজো ছাত্ৰ সংগঠনলৈ ৫ ৰাউণ্ড

ৰাবাৰ বুলেট আৰুশূন্যলৈ ২ ৰাউণ্ড ইনচাছ গুলি ফুটোৱা হয়। এইদৰে ছাত্ৰ সংগঠনৰ সদস্যসকলক তাৰ পৰা আতৰাই পঠিয়াবলৈ সক্ষম হয়। মিজো ছাত্ৰ সংগঠনৰ সদস্য সকলে সীমান্তত কিছু সময় ৰৈ আছিল আৰু অসমৰ আৰক্ষীয়ে নিৰন্তৰ তেওঁলোকক নিৰক্ষণ কৰি আছিল অত্যাধিক পৰিমাণৰ সংযম ৰক্ষা কৰি। কিছু সময় পিছত মিজো (MZP) ছাত্ৰ সংগঠনৰ সদস্যসকল ভৈৰৱী আৰক্ষী থানালৈ যায় আৰু কলাচিব জিলাৰ প্ৰশাসনে তেওঁলোক আইজললৈ নিবৰ বাবে আহে। প্ৰায় বিয়লি ৪-৩০ বজাত কলাচিবৰ উপায়ুক্তই হাইলাকান্দিৰ উপায়ুক্তক জনায় যে মিজো সদস্যসকলক উক্ত ঠাইলৈ ঘুৰাই পঠোৱা নহয় আৰু তেওঁলোকক আইজললৈ লৈ যোৱাৰ নিশ্চিতি প্ৰদান কৰে। সেই সময়ত তেতিয়াও পোন্ধৰ-বিশজন মিজো ছাত্ৰ-সংগঠনৰ সদস্যই ভৈৰৱীত আছিল যদিও বাকীসকল আইজললৈ উভতি যায়। হাইলাকান্দি জিলাৰ উপায়ুক্তজনে ইয়াৰ মাজতে নিৰন্তৰ ভাৱে কলাচিবৰ উপায়ুক্ত, আৰক্ষী অধীক্ষকৰ লগত সততে যোগাযোগ ৰাখি দুয়োফালৰ লোকৰ মাজত উক্ত ঘটনাৰ বাবে যাতে কোনো প্ৰতিক্ৰিয়া নহয় তাৰ বাবে যত্নবান থাকে। ইতিমধ্যে বিশেষ আৰক্ষী সঞ্চালক প্ৰধান (সীমান্ত) অসম আৰু বৰাক উপত্যকাৰ আয়ুক্তই উক্ত ঠাই ভ্ৰমণ কৰি পৰিস্থিতিৰ বুজ লৈছে আৰু কৰ্তব্যৰত বিষয়াসকলক প্ৰয়োজনীয় নিৰ্দেশ প্ৰদান কৰিছে। পৰ্য্যাপ্ত নিৰাপত্তাৰক্ষীক উক্ত ঠাইত মোতায়েন কৰা হৈছে যাতে যিকোনো অপ্ৰীতিকৰ পৰিস্থিতিৰ প্ৰতিহত কৰিব পৰা যায় এই সংক্ৰান্তত অসম চৰকাৰে মিজোৰামৰ মুখ্য সচিবলৈ পত্ৰযোগে বেদখল ৰোধ কৰিবলৈ সীমান্ত শান্তি ৰক্ষা কৰিবলৈ আৰু স্থিতাৱস্থা বাহাল ৰাখিবলৈ ব্যৱস্থা ল'বৰ বাবে অনুৰোধ জনাইছে। বৰ্তমান পৰিস্থিতি প্ৰশাসনৰ চোকা নজৰত আছে। মাননীয় সভাপতি ডাঙৰীয়া এই ঘটনাটো সম্পৰ্কত মাননীয় মুখ্যমন্ত্ৰীয়ে ভাল ধৰণে চাই আছে। ১০ তাৰিখলৈ হোৱা ঘটনা সম্পৰ্কত এইখিনি ক'লো আৰু ১১ তাৰিখৰ ঘটনাটো আছিল সম্প্ৰতি অসম-মিজোৰাম সীমান্তৰ হাইলাকান্দি জিলাৰ কছুতলত শান্তিশৃঙ্খলা সামগ্ৰীক ভাৱে শান্তিপুৰ্ণ হৈ আছে আৰু হাইলাকান্দিত আৰক্ষীয়ে উক্ত ঠাইত সতৰ্কতাৰে নিৰাপত্তাৰক্ষী নিয়োজিত কৰি ৰাখিছো। এই সংক্ৰান্তত ১১ মাৰ্চ ২০১৮ তাৰিখে আৰক্ষী সঞ্চালক প্ৰধান, অসম সীমান্ত আৰু উপ আৰক্ষী মহাপৰিদৰ্শক, উত্তৰ সংমণ্ডল, মিজোৰামৰ মাজত এখনি সভা অনুষ্ঠিত হয় সাম্প্ৰতিক অসম-মিজোৰাম সীমান্ত কচুৰতলৰ অঞ্চলৰ আইন শৃংখলা সম্পৰ্কত। মিজোৰাম আৰক্ষী উপ-মহাপৰিদৰ্শক উত্তৰ মণ্ডলে জনাই যে ১২-৩-২০১৮ তাৰিখৰ মিজোৰামৰ কলাছৱ জিলাৰ ভৈৰৱী অঞ্চলত হ'ব লগা প্ৰতিবাদ আৰু শোভাযাত্ৰাৰ বাবে তেওঁলোকে যথেষ্ট সংখ্যক নিৰাপত্তাৰক্ষী নিয়োগ কৰিব যাতে প্ৰতিবাদকাৰী আৰু শোভাযাত্ৰাকাৰীসকল কোনো কাৰণতে অসমৰ ভূমিৰ গৃহ নিমাৰ্ণ ঠাইলৈ যাব নোৱাৰে। লগতে তেওঁ আৰু জনাই যে, এই সংক্ৰান্তত কলাছৱ জিলাৰ উপায়ুক্তক এখন অনাতাঁৰ মেছেজ তৎকালিন ভাৱে প্ৰেৰণ কৰি অনুৰোধ কৰা হয় যে, উক্ত প্ৰতিবাদী আৰু শোভাযাত্ৰাকাৰীৰ শোভাযাত্ৰা বন্ধ কৰি তেওঁলোক যাতে নিমাৰ্ণস্থলী পাব নোৱাৰে সেয়ে নিশ্চিত কৰা হয়। এই সংক্ৰান্তত ওপৰৰ ঘটনাৰ বাবে তীক্ষ্ণ দৃষ্টি ৰখা হৈছে উক্ত অঞ্চলত যাতে যিকোনো অভাৱনীয় পৰিস্থিতিক চম্ভালিব পৰা যায়। ১২ মাৰ্চ ২০১৮ তাৰিখে তিনিতৰফীয়া নিৰাপত্তা বেষ্টনীৰ ব্যৱস্থা মিজোৰামৰ কলাছৱ জিলাৰ আৰক্ষী প্ৰশাসনে অসম-মিজোৰামৰ সীমান্তত প্ৰস্তুত কৰি তোলে যাতে প্ৰতিবাদকাৰীসকল অসম ভূমিলৈ প্ৰবেশ কৰাত বাধা দি যিকোনো অভাৱনীয় ঘটনা ৰোধ কৰিবৰ বাবে চেষ্টা কৰে। আবেলি প্ৰায় তিনি বজাত মিজোৰাম বিধান সভাৰ দুজন বিধায়ক ক্ৰমে শ্ৰীযুত বনলালভেনা আৰু যোছেফ লালহিমপৈয়া মিজো ছাত্ৰ সংগঠনৰ সভাপতি ৰাম ডিনাৰ সমন্বিতে অন্য তিনি চাৰিজন লোকে প্ৰস্তাবিত নিমাৰ্ণস্থলী পৰিদৰ্শন কৰি তেওঁলোক অসমৰ সীমান্ত পহৰা চকী ভাইছেৰালৈ গৈ আৰক্ষী সঞ্চালক প্ৰধান, অসম, সীমান্ত, মুখ্য বন সংৰক্ষক,

শিলচৰ মণ্ডল, উপ-আৰক্ষী মহাপৰিদৰ্শক, দক্ষিন সংমণ্ডল, উপায়ুক্ত আৰু আৰক্ষী অধীক্ষক হাইলাকান্দিৰ মতে এক আলোচনাত মিলিত হৈ সাম্প্ৰতিক পৰিস্থিতিৰ ওপৰত আলোচনা কৰে। তেওঁলোকে কয় যে আইন শৃঙ্খলা ৰক্ষাৰ বাবে পূৰ্বৰ সিদ্ধান্ত মতে স্থিতাৱস্থা বাহাল ৰক্ষাৰ হেতু চৰকাৰ পৰ্য্যায়িৰ সভাক সন্মান জনাব। কিন্তু তেওঁলোকে অভিযোগ কৰে যে অসমে সেয়া পালন কৰা নাই। উল্লেখযোগ্য যে, তীক্ষ্ণ চোকা নজৰ অসম-মিজোৰাম সীমান্তত ৰখা হৈছে আৰু যথেষ্ট সংখ্যক নিৰাপত্তাৰক্ষী নিয়োগ কৰি অভাৱনীয় ঘটনা ৰোধৰ যত্ন আছে। সভাপতি ডাঙৰীয়া বৰ্তমান পৰিস্থিতি নিয়ন্ত্ৰনাধীন হৈ আছে। আমাৰমাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই বিষয়টো যথেষ্ট গুৰুত্ব সহকাৰে লৈছে আৰু ইতিমধ্যে তেখেতে কেন্দ্ৰীয় গৃহমন্ত্ৰী, মিজোৰামৰ মুখ্যমন্ত্ৰীৰ লগত কথাও পাতিছে। দুয়োখন ৰাজ্যৰ মুখ্য সচিব পয্যায়তো কথা পতা হৈছে, জিলা আৰু আৰক্ষী অধীক্ষক পয্যায়তো কথা পতা হৈছে। তাত গুলিচালনা এই কাৰণেই হৈছে যে আমাৰ পোন্ধৰজন পুলিচ আহত হোৱাৰ পিচত যেতিয়া নিৰাপ্তাহীনতাত অনুভৱ কৰিলে তেতিয়া ছত্ৰভঙ্গ কৰাৰ বাবে দুই ৰাউণ্ড শূন্যলৈকে গুলি চালনা কৰিব লগা হৈছে। এই পৰিস্থিতিটো ভালদৰে নিয়ন্ত্ৰণ কৰা হৈছে আৰু আমাৰ মুখ্যমন্ত্ৰীয়েও কৈছে যে অসমৰ এক ইঞ্চি মাটিও আমি কোনো ৰাজ্যক এৰি নিদিও। গতিকে আমি বিচাৰো আমি যিটো সহনশীলতা দেখুৱাইছো আমাৰ প্ৰতিবেশী ৰাজ্যসমূহেও তেনেকুৱা সহনশীলতা দেখুৱাব। মই শাসক-বিৰোধী সকলোকে অসমৰ ভূমি ৰক্ষাৰ ক্ষেত্ৰত চৰকাৰৰ পদক্ষেপক সমৰ্থন দিবলৈ আহ্বান জনাইছো।

**শ্ৰীবীৰভদ্ৰ হাগজেৰ (সভাপতি)** ঃ শ্ৰীদেৱব্ৰত শইকীয়া।

**শ্ৰীদেবব্ৰত শইকীয়া** ঃ মাননীয় সভাপতি মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো বিৰ্বৃতিটো দিয়াৰ বাবে। কাৰণ আমাৰ চুবুৰীয়া ৰাজ্যসমূহৰ লগত সীমা সমস্যা আছে। বাকী ৰাজ্যসমূহৰ ক্ষেত্ৰত যিমান গুৰুতৰ মিজোৰামৰ ক্ষেত্ৰত তেনে গুৰুত্বৰ এতিয়াও হোৱা নাই। মন্ত্ৰী মহোদয়ে উল্লেখ কৰিছে যে ইয়াত ৰাজনীতিও জড়িত হৈ গৈছে আৰু দুজন বিধায়ক সেই সীমান্ত অঞ্চলত আহিছিল। আমাৰ ৰাজ্যৰ বহুলোকে আইজলকে আদি কৰি মিজোৰামৰ বিভিন্ন স্থানত ব্যৱসায় কৰি আছে। বাতৰি কাকতত প্ৰকাশ পাইছে তেখেতসকলৰ দোকান-পোহাৰ আঠচল্লিছ ঘন্টাৰ কাৰণে বন্ধ হৈছে। যিহেতু যোৱা সাতইছ তাৰিখৰ পৰা ঘটনাটো চলি আছে আৰু আমি সকলোৱেই যিহেতু অসমৰ ভূমিৰ সুৰক্ষা বিচাৰো গতিকে মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাইছো অসম বিধান সভাৰ পৰা এটা বিধায়কৰ সৰ্বদলীয় প্ৰতিনিধি দল উক্ত অঞ্চলটোৰ লগতে মিজোৰামলৈ গৈ চৰকাৰৰ লগত আলোচানাৰ বাবে প্ৰেৰণ কৰিব লাগে।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় সভাপতি ডাঙৰীয়া মই বিবৃতিটোত ঘটনাটো ঘটাৰ দিনৰ পৰা বাৰ তাৰিখলৈ আপ-ট্যু-ডেট দিছো আৰু চৰকাৰৰ এই বিবৃটিটোত এটা কথা স্পষ্ট হৈছে যে বৰ্তমান পৰিস্থিতি নিয়ন্ত্ৰণ হৈছে। এই ঘটনাটোৰ লগত ৰাজনীতি জড়িত হৈ আছে। তাত মিজোৰামৰ তিনিজন বিধায়ক আহি অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি কৰিলেও আমাৰ সৰ্বদলীয় দল প্ৰেৰণ কৰিলে পৰিস্থিতিটো উত্তপ্ত হ'ব। গতিকে বিষয়টো ৰাজনীতিকৰণ নকৰি নিয়ন্ত্ৰীত ঘটনাটো যাতে সম্পূৰ্ণ নিয়ন্ত্ৰণ হয় তাৰ বাবে আমি সকলোৱে চেষ্টা কৰা উচিত।

**শ্ৰীবীৰভদ্ৰ হাগজেৰ (সভাপতি)** ঃ মাননীয় মন্ত্ৰী ডাঙৰীয়া বিৰোধীদলপতিয়ে যিটো কথা কৈছে সৰ্বদলীয় প্ৰতিনিধিদল প্ৰেৰণৰ কথা সেইটো অধ্যক্ষৰ লগত আপোনালোকে বহি সিদ্ধান্ত ল'ব পাৰে।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় সভাপতি ডাঙৰীয়া, বিৰোধী দলপতি ডাঙৰীয়াই

সৰ্বদলীয় প্ৰতিনিধি দল প্ৰেৰণৰ যিটো কথা কৈছে, সেইটো তেখেতে খুব ভাল উদ্দেশ্যৰেই কৈছে যে এটা গুড উইল মিচন যাও। কিন্তু আমাৰ এই গুড উইল মিচনটো মিজোৰামে কিদৰে ল'ব? মিজোৰামে ল'ব যে অসমৰো সৰ্বদলীয় দল আহি মিজোৰামৰ ওপৰত এটা আঘাত হানিব বিচাৰিছে। তাৰ পিছত আকৌ মিজোৰামৰ পৰা এটা সজাতি দল আহিব। গতিকে আমি এই বিষয়টো ৰাজনীতিৰ পৰা আতৰত ৰাখি আমাৰ মাটিৰ নিৰাপত্তা আৰু ৰাইজৰ নিৰাপত্তা সুনিশ্চিত কৰিব পাৰো- আমি সেইটো চিন্তা কৰা উচিত। চৰকাৰে ইতিমধ্যে গোটেই পৰিস্থিতিটো নিয়ন্ত্ৰণ কৰিছে। গতিকে নিয়ন্ত্ৰিত পৰিস্থিতিটো আৰু উত্তেজিত কৰিব নালাগে। গতিকে সৰ্বদলীয় দল যোৱাটোৰ কোনো প্ৰয়োজন নাই বুলি মই অনুভৱ কৰো। ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ,উত্তৰ কৰিমগঞ্জ ঃ** সভাপতি মহোদয়, চৰকাৰে যিটো ব্যৱস্থা লৈছে, ঠিকেই আছে। আমাৰ ক'বলগীয়া একো নাই। বৰ্তমান তাত যিখিনি মানুহ আছে, মানুহখিনি শংকিত হৈ আছে। যিকোনো মূহূৰ্ত্তত যিকোনো ঘটনা এটা ঘটিব পাৰে। সেইকাৰণে আমি চৰকাৰক Apprise কৰিছো, যাতে চৰকাৰে কিবা এটা ব্যৱস্থা গ্ৰহণ কৰে।

**শ্ৰী বীৰভদ্ৰ হাগজেৰ, সভাপতি ঃ** চৰকাৰে বিহীত ব্যৱস্থা লৈ আছে। Lets go to the next one. এতিয়া মই মাননীয় সদস্য শ্ৰী মৃণাল শইকীয়া ডাঙৰীয়া, ইংৰাজী ২৩-০২-২০১৮ তাৰিখৰ নিয়মীয়া বাৰ্তা বাতৰি কাকতত প্ৰকাশিত"এন আৰ চি প্ৰস্তুতকৰণ প্ৰক্ৰিয়াত বাংলাদেশৰ প্ৰতিক্ৰিয়া" Shri Mrinal Saikia, please raise the issue

**শ্ৰী মৃণাল শইকীয়া, খুমটাই ঃ** মাননীয় সভাপতি মহোদয়, মই নিয়মীয়া বাৰ্তা কাকতত যোৱা ২৩ ফ্ৰেব্ৰুৱাৰীত প্ৰকাশিত বাতৰিৰ সন্দৰ্ভত ইয়াত আলোচনা কৰিব বিচাৰিছো। এই বাতৰিটো আছিল আমাৰ অসমত যি NRC প্ৰক্ৰিয়া চলি আছে, সেই প্ৰক্ৰিয়া সম্পৰ্কত আৰু এই সম্পৰ্কত বাংলাদেশ চৰকাৰৰ কেইজনমান দায়িত্বপূৰ্ণ বিষয়াই মন্তব্য কৰিছিল। বাতৰিখনৰ হেড লাইন এনেকুৱা ধৰণৰ আছিল। দ্বিপাক্ষিক সম্পৰ্কক লৈ ভাবুকিৰ সৃষ্টি হোৱাৰ দোহাৰি দি ভাৰতৰ বিৰুদ্ধে হাছিনা চৰকাৰৰ মুকলি বিষোদগাৰে "NRC বন্ধৰ হুংকাৰ বাংলাদেশৰ"। আমাৰ যি NRC প্ৰক্ৰিয়া চলি আছে, তাক লৈ বাংলাদেশ শংকিত হৈছে। তেওঁলোকেও জানে যে অসমত বাংলাদেশৰ অনুপ্ৰৱেশৰ পিছতেই অসমতে অসমৰ যিটো বিদেশী সমস্যা সেইটো আৰম্ভ হৈছে। এন আৰ চিৰ পিছত এই বিদেশীখিনিৰ যিহেতু বহিষ্কাৰ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। সেইকাৰণে তেওঁলোকে এতিয়াৰ পৰাই এটা বাধাৰ সৃষ্টি কৰিব বিচাৰিছে আৰু তেওঁলোকে সেইকাৰণে ভাৰতৰ লগত যি বন্ধুত্বপূৰ্ণ সম্পৰ্ক বাংলাদেশৰ, সেই সম্পৰ্কবোৰৰ দোহাৰি দি ভাৰত ৰাষ্ট্ৰক বা অসমক আগৰপৰাই এটা ৱাৰ্নিং মূলক বাৰ্তা দিব খুজিছে যে এই প্ৰক্ৰিয়াই আমাৰ এই বন্ধুত্ব ক নষ্ট কৰিব। এতিয়া কথাটো হ'ল যে বিদেশীৰ কাৰণে অসমে কথাখিনি ভোগ কৰিবলগীয়া হ'ল। অসমত ছয়বছৰীয়া এখন আন্দোলন হ'ল। আন্দোলনৰ পাছত এখন চুক্তি হ'ল আৰু চুক্তিৰ পিছত অসমৰ সকলো মানুহে আনন্দ উৎসৱ কৰিলে আৰু ভাৱিলে যে বিদেশী অসমৰ পৰা এইবাৰ আঁতৰি যাব। তাৰ পিছত দিন গ'ল, তাৰ পিছত আমাৰ ৰাইজক কোৱা হ'ল যে এতিয়া বিদেশী বহিস্কাৰ কৰিব নোৱাৰি। IMDT Act. খন আছে। এক্টখন বাতিল হ'লেহে বিদেশী বহিস্কাৰ হ'ব। তাৰ পিছত বিদেশী খেদিব লাগে বুলি অসমৰ মানুহে আন্দোলন নকৰা হ'ল। আই এম ডি টি এক্টখন বাতিল কৰিব লাগে বুলি আন্দোলন কৰা হ'ল। বহু বছৰ আকৌ আন্দোলন হ'ল যে আই এম ডি টি এক্টখন বাতিল কৰিব লাগে। তাৰ পিছত আই এম ডি টি এক্টখন বাতিল হ'ল। তাৰ পিছতো বিদেশী খেদাৰ প্ৰক্ৰিয়া আৰম্ভ নহ'ল। তাৰ পিচতেই আহিল এন আৰ চি প্ৰস্তুতকৰণৰ যিটো প্ৰক্ৰিয়া সেইটোত নিজে আগভাগ লৈ ইয়াৰ তদাৰক কৰি আছে আৰু অহা ৩০

জুনত সম্পূৰ্ণ খচৰা প্ৰকাশ হোৱাৰ কথা। কিন্তু খচৰা প্ৰকাশ হোৱাৰ আগতেই যিহেতু বাংলাদেশে এনেকুৱা এটা বিবৃতি দি আমাৰ মনত শংকা হয় যে এন আৰ চি প্ৰস্তুত কৰণৰ পাছত বাংলাদেশে কেনেকুৱা এটা স্থিতি ল'ব আৰু সেই স্থিতিক আমাৰ ভাৰত চৰকাৰে কেনেকুৱা ধৰণে মোকাবোলা কৰিব আৰু অসমে তাৰ কাৰণে কেনেকুৱা ধৰণে প্ৰস্তুত হৈ আছে? এন আৰ চিৰ পিচত আমাৰ চৰকাৰে কেনেকুৱা ধৰণে আগবাঢ়িব। কাৰণ বিদেশী সমস্যাক লৈ অসমে আৰু ভুগিব নোৱাৰে। ইয়াৰ এটা হেস্ত-নেস্ত হ'ব লাগে। বিদেশীখিনিক কি কৰিব ? গতিকে বাংলাদেশে যি হুংকাৰ দিলে যে তেওঁলোকে নিশ্চয় আগলৈ কিব-কিবি কৰি থাকিব। সেইখিনিৰ কাৰণে আমাৰ অসম চৰকাৰ তথা ভাৰত চৰকাৰ, অসম চৰকাৰে ভাৰত চৰকাৰক জনাইছে নে নাই যে এনেকুৱা এটা পৰিস্থিতি তাত সৃষ্টি হ'ব পাৰে। বাংলাদেশে এনেকুৱা এটা ৰিয়েকশ্যন দিছে। সেই বিষয়টো মই জানিব খুজিছো।

মাননীয় অধ্যক্ষ ঃThank you. Minister Please.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, চলিত বিধান সভাৰ অধিৰেশনত শূন্যকালীন ঘণ্টাত মাননীয় সদস্য শ্ৰী মৃণাল শইকীয়া ডাঙৰীয়াই ১৩-০২-২০১৮ তাৰিখৰ নিয়মীয়া বাৰ্তাত প্ৰকাশিত "NRC বন্ধৰ হুংকাৰ বাংলাদেশ"ৰ শীৰ্ষক বাতৰি সম্পৰ্কত বিধান সভাৰ অধিৰেশনৰ শূন্যকালীন ঘণ্টাত উত্থাপন কৰা বিষয়টো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। অধ্যক্ষ ডাঙৰীয়া, NRC ৰ গোটেই বিষয়টো আজি Monitor ভাৰতৰ উচ্চতম ন্যায়ালয়ে ইয়াৰ প্ৰতিটো ক্ষেত্ৰতে উচ্চতম ন্যায়ালয়ৰ Direction আছে। এই গোটেই বিষয়টো উচ্চতম ন্যায়ালয়ে মণিটৰ কৰি আছে আৰু ভাৰতবৰ্ষৰ ভিতৰত অসমেই একমাত্ৰ ৰাজ্য য'ত NRC ৰ কাম আৰম্ভ হৈছে। বাকী ৰাজ্যত NRC হোৱা নাই। আজি অধ্যক্ষ ডাঙৰীয়া, উচ্চতম ন্যায়ালয়ৰ Direction মতে NRC যাতে হ'ব পাৰে তাৰ কাৰণে ৫০ হাজাৰতকৈও অধিক অসম চৰকাৰৰ কৰ্মচাৰীয়ে দিনে-নিশাই NRC ৰ কামত ব্যস্ত হৈ আছে। চৰকাৰে এইটোৰ ক্ষেত্ৰত চৰকাৰৰ যিটো সদিচ্ছা, সেই সদিচ্ছা চৰকাৰে প্ৰকাশ কৰিছে। গতিকে এই NRC ৰ ক্ষেত্ৰত আমাৰ এখন খচৰা ওলাইছে।সেই খচৰা যে ওলাল তাত আমাৰ অসমৰ ৰাইজে আমাৰ শাসক-বিৰোধী সকলো মাননীয় বিধায়ক সকলে আৰু অসমৰ সকলো সংগঠনে ইয়াত যিটো সহাৰি জনালে সেই সহাৰিৰ কাৰণে আমি সকলোকে ধন্যবাদ জনাইছো। এতিয়া দ্বিতীয় খচৰা প্ৰস্তুত হ'ব আৰু দ্বিতীয় খচৰা প্ৰস্তুত হোৱাৰ ক্ষেত্ৰতো প্ৰথম খচৰা প্ৰস্তুত হওতে যেনেকৈ সকলো দল-মত নিৰ্বিশেষে আমাৰ সন্মানীয় শাসক-বিৰোধী সকল, সকলো সংগঠন, আমাৰ সংবাদ মাধ্যম বা সংবাদ মাধ্যমৰ বন্ধু বা বান্ধৱী সকলে যেনেধৰণে সহায়-সহযোগ কৰিছিল। এতিয়া দ্বিতীয় যিখন NRC ৰ খচৰা প্ৰস্তুত কৰাৰ ক্ষেত্ৰতো আপোনালোক সকলোৰেপৰা সহায়-সহযোগিতা বিচাৰিছো। আমাৰ শ্ৰী মৃণাল শইকীয়া ডাঙৰীয়াই যিটো কথা কৈছে, যোৱা ইংৰাজী ২৩-০২-২০১৮ তাৰিখৰ 'অসমীয়া নিয়মীয়া বাৰ্তা' বাতৰি কাকতত প্ৰকাশিতNRC বন্ধৰ হুংকাৰ বাংলাদেশৰ শীৰ্ষক বাতৰিটোৰ প্ৰতি চৰকাৰ দৃষ্টিগোচৰ হৈছে। ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ নিৰ্দ্দেশ আৰু প্ৰত্যক্ষ তদাৰোক্তিৰ মৰ্মে আৰু নাগৰিকত্ব আইন ১৯৫৫ চন আৰু নাগৰিকত্ব আইন ৰাষ্ট্ৰীয় পৰিচয়-পত্ৰ প্ৰদান বিধি ২০০৩ ৰ আধাৰত অসমত NRC উন্নীতকৰণৰ কাম কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা কৰা হৈছে। এইটো আৰ জি আইৰ অধীনত থাকে আৰু মণিটৰ ভাৰতৰ উচ্চতম ন্যায়ালয়ে কৰি আছে NRC উন্নীতকৰণৰ বিৰুদ্ধে বাংলাদেশে ভাৰত চৰকাৰৰ ওচৰত আনুষ্ঠানিকভাৱে কিবা প্ৰতিবাদ জনাইছে নেকি, এই বিষয়ে অসম চৰকাৰ জ্ঞাত নহয়। এখন বিদেশী ৰাষ্ট্ৰৰ লগত সম্পৰ্কৰ বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ বৈদেশিক মন্ত্ৰালয়ৰ অন্তৰ্গত। বৰ্তমান NRC উন্নীতকৰণৰ কাম সুকলমে চলি আছে আৰু মাননীয় উচ্চতম ন্যায়ালয়ে ধাৰ্য্য কৰি দিয়ামতে ২০১৮

চনৰ ৩০ জুনত সম্পূৰ্ণ খচৰা নাগৰিকপঞ্জী প্ৰকাশৰ বাবে তৎপৰতাৰে কাম অব্যাহত আছে। প্ৰায় ৫০ হাজাৰ কৰ্মীয়ে ইয়াত কাম কৰি আছে আৰু শ্ৰী মৃণাল শইকীয়াদেৱে যিটো কৈছে যে নাগৰিকপঞ্জী খন হোৱাৰ পিছত আমাৰ কি হ'ব? আগতে আমাৰ নাগৰিকপঞ্জীখন হৈ যোৱাৰ পিছতহে পৰৱৰ্তী কি হ'ব, কি নহয়, সেই সম্পৰ্কে আলোচনা হ'ব। গতিকে গোটেই বিষয়টোত আজি আমি কোনো মতামত দিব নোৱাৰিম। কাৰণ এই গোটেই Matterটো Monitor by Hon'ble Supreme Court of India.

**মাননীয় অধ্যক্ষ ঃ** Thank you এতিয়া কাৰ্য্যসূচী নং -২। অহাকালি অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ২০৩ ৰ অধীনত অসম বিধান সভাৰ চলিত বাজেট অধিৱেশনত দাখিল কৰা ২০১৮-১৯ বিত্তীয় বৰ্ষৰ বাজেটৰ ওপৰত সাধাৰণ আলোচনাৰ বাবে বিভিন্ন দলৰ সময় নিৰ্দ্ধাৰণ আৰু দাবী মঞ্জুৰীৰ বাবে দাবী সমূহৰ সম্পৰ্কত অগ্ৰাধিকাৰৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিবলৈ যোৱা মাৰ্চ, ২০১৮ তাৰিখে সদনৰ কাৰ্য্যসূচী অন্ত পৰাৰ লগে লগে অধ্যক্ষৰ কাৰ্যালয়ৰ সন্মিলন কক্ষত কাৰ্য্য উপদেষ্টা সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত দাবী মঞ্জুৰী সমূহৰ ওপৰত বিশদভাৱে আলোচনা কৰি সমিতিয়ে ১৩,১৪ আৰু ১৫ মাৰ্চ, ২০১৮ তাৰিখে হ'বলগীয়া বাজেটৰ ওপৰত সাধাৰণ আলোচনাৰ বাবে সকলো দল গোট আৰু নিৰ্দ্দিলীয় সদস্যক সময় আবণ্টন কৰে আৰু লগতে পৰৱৰ্তী সময়ত দাবী মঞ্জুৰী সমূহৰ ওপৰত হ'ব লগা আলোচনাৰ বাবে বিভাগসমূহৰ মাজৰ পৰা অগ্ৰাধিকাৰ ভিত্তিত আলোচনা কৰিবলৈ তলত দিয়া ধৰণে সিদ্ধান্ত গ্ৰহণ কৰে। সমিতিয়ে ১৩,১৪ আৰু ১৫ মাৰ্চ, ২০১৮ তাৰিখে সদনৰ কাৰ্য্যসূচী মতে যিহেতু শূন্যকালীন ঘণ্টাৰ ওপৰতো আলোচনা থাকিব সেয়েহে সময়ৰ প্ৰতি লক্ষ্য ৰাখি নিয়ম ৩০১ ৰ অধীনত কেৱল এটা বিষয় লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। বাজেটৰ ওপৰত সাধাৰণ আলোচনাৰ বাবে ধাৰ্য্য কৰা সময় ঃ মুঠ সময় ৩৬০ মিনিট। প্ৰতিগৰাকী সদস্য/সদস্যাৰ বাবে ২.৩০ মিনিট, ভাৰতীয় জনতা পাৰ্টীৰ বাবে ১৮০ মিনিট, (বিত্ত মন্ত্ৰীৰ উত্তৰৰ সৈতে) ভাৰতীয় জাতীয় কংগ্ৰেছৰ বাবে ৭৫ মিনিট, অসম গণ পৰিষদৰ বাবে ৪২ মিনিট, সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চাৰ বাবে ৩৯ মিনিট, বড়োলেণ্ড পিপ'লচ্ ফ্ৰণ্ট ৩৫ মিনিট আৰু নিৰ্দ্দিলীয়ৰ বাবে ৫ মিনিট।

২৬ মাৰ্চৰ পৰা দাবী মঞ্জুৰীৰ ওপৰত আলোচনা হ'ব। আমি তলত দিয়া মঞ্জুৰী কেইটা অগ্ৰাধিকাৰ দিয়াৰ বাবে সিদ্ধান্ত লৈছো। ১নং মঞ্জুৰী হ'ব ৪১ আৰু ৭২ যুটীয়াভাৱে প্ৰাকৃতিক দুৰ্যোগ আৰু সাহাৰ্য্য আৰু পুনৰ সংস্থাপন। ২ নং অগ্ৰাধিকাৰ দিছো পানীযোগান আৰু অনাময়ত, গ্ৰ্যাণ্ট নং ৩০। ৩ নংত আমি অগ্ৰাধিকাৰ দিছো, আৰক্ষী বিভাগ, গ্ৰ্যাণ্ট নং ১৪। লগতে সমিতিয়ে কাইলৈ সদনৰ বুধবাৰৰ কাৰ্য্যসূচী পাচবেলাও অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত লয়। পাচবেলা সদনৰ আলোচনা যি কেইখন বিল ইতিমধ্যে আহি গল, তাৰ পাৰিতকৰণৰ বাবে সংশোধনী লোৱা হৈছে। দুয়োখন বিলৰ পাৰিতকৰণৰ বাবে সেই সময়খিনি ধৰি লোৱা হৈছে। মই এতিয়া আশা কৰো মাননীয় সদনৰ এই বিষয়ত অনুমোদন আছে। আছে নে? এতিয়া আমাৰ আৰু এটা আইটেম আছে। তাৰ পিছত আমি বাজেটৰ ওপৰত আলোচনা কৰিম। বাজেটৰ ওপৰত আলোচনাৰ বাবে বি পি এফ দলৰ পৰা তেওঁলোকৰ বক্তাসকলৰ নাম দিয়া নাই। মোক দিলে ভাল হয়।

**(সভাপতিৰ সন্মানীয় আসনত মাননীয় অধ্যক্ষ মহোদয় উপবিষ্ট)**

**অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্যপৰিচালনাৰ নিয়মাৱলীৰ অধীনত ৫৪ নং নিয়ম অধীনত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছে মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰে**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্যসূচী নং ৩ । শ্ৰী জাকিৰ হুছেইন সিকদাৰে ৫৪ নং নিয়মৰ অধীনত ২০১৮ তলৰ ২৪ ফেব্ৰুৱাৰী তাৰিখৰ"অসমীয়া প্ৰতিদিন" কাকতত প্ৰকাশিত "হোমিঅ'পেথিক চিকিৎসা সেৱাৰ প্ৰতি চৰকাৰৰ অৱহেলা" শীৰ্ষক বাতৰিটোৰ প্ৰতি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, বিধায়ক** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্যপৰিচালনাৰ নিয়মাৱলীৰ অধীনত ৫৪ নং নিয়মৰ অধীনত ২০১৮ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখৰ "অসমীয়া প্ৰতিদিন " কাকতত প্ৰকাশিত "হোমিঅ'পেথিক চিকিৎসা সেৱাৰ প্ৰতি চৰকাৰৰ অৱহেলা" শীৰ্ষক বাতৰিটোৰ প্ৰতি আপোনাৰ জৰিয়তে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, হোমিঅ'পেথিক চিকিৎসাই ভাৰতবৰ্ষই স্বাধীনতা পোৱাৰ আগৰপৰাই অসমত জনপ্ৰিয়তা লাভ কৰি আহিছে। বিশিষ্ট সমাজ সেৱিকা ৰেণুকা দেৱী বৰকটকীৰ পিতৃ ডাঃ ৰুদ্ৰ শৰ্মাই গুৱাহাটীত হোমিঅ'পেথিক চিকিৎসা আৰম্ভ কৰি সুখ্যাতি অৰ্জন কৰিছিল । নলবাৰীত ১৯২১ চনৰ পৰা ডাঃ পদ্মপানি দত্ত আৰু ১৯২৬ চনৰ পৰা ডাঃ দামোদৰ দেৱশৰ্মাই হোমিঅ'পেথিক চিকিৎসা প্ৰদান কৰি জনসাধাৰণৰ সমাদৰ লাভ কৰিছিল। ডাঃ ভোগেশ্বৰ দত্তই গোলাঘাটত 'The Assam Hemoeopathic Research Institution' নামেৰে এখন হোমিঅ'পেথিক চিকিৎসা মহাবিদ্যালয় স্থাপন কৰিছিল। এই মহাবিদ্যালয়খনেই অসমত হোমিঅ'পেথিক চিকিৎসাৰ পাতনি মেলিছিল যদিও ই দীৰ্ঘস্থায়ী নহ'ল। ১৯৬৮ চনত নগাঁৰৰ হয়বৰ গাঁৱত কেইজনমান হোমিওপেথিক চিকিৎসকে 'The Assam Hemoeopathic Medical College' নামেৰে এখন মহাবিদ্যালয় খোলে যদিও ১৯৭৬ চনৰ পৰাহে নিৰ্দিষ্ট পাঠ্যক্ৰমৰ আধাৰত শিক্ষা দিবলৈ আৰম্ভ কৰে।১৯৭৫ চনত গুৱাহাটী হোমিঅ'পেথিক মেডিকেল কলেজ আৰু যোৰহাট হোমিঅ'পেথিক মেডিকেল কলেজ নামেৰে দুখন হোমিঅ'পেথিক মহাবিদ্যালয় স্থাপন হয় ।যোৰহাট হোমিঅ'পেথিক মহাবিদ্যালয়খনে ডাঃ জীৱকান্ত শইকীয়াৰ পৰিয়ালৰ পৰা ৬ লাখ টকাৰ দান গ্ৰহণ কৰি ডাঃ জীৱকান্ত শইকীয়া হোমিঅ'পেথিক চিকিৎসা মহাবিদ্যালয় বুলি নামাকৰণ কৰা হয়। ১৯৭৬ চনত কেইজনমান বিশিষ্ট ব্যক্তিৰ প্ৰচেষ্টাত 'প্ৰাগজ্যোতিষপুৰ হোমিঅ'পেথিক চিকিৎসা মহাবিদ্যালয়' নামেৰে আন এখন মহাবিদ্যালয় গুৱাহাটীত স্থাপন হয়। ১৯৮৮ চনত গুৱাহাটীৰ দুয়োখন হোমিঅ'পেথিক কলেজ লগ লগাই "শ্বহীদ যাদৱ নাথ হোমিঅ'পেথিক চিকিৎসা মহাবিদ্যালয়"হিচাপে নামাকৰণ কৰা হয়।১৯৮৮ চনতে ৰাইজৰ বিপুল দাবীত অসম চৰকাৰেনগাওঁ আৰু যোৰহাটস্থ হোমিঅ'পেথিক কলেজ দুখন আৰু ১৯৮৯ চনত গুৱাহাটীস্থ হোমিঅ'পেথিক চিকিৎসা মহাবিদ্যালয়খন চৰকাৰীকৰণ কৰে। চৰকাৰীকৰণৰ সময়ত তেতিয়াৰ

মাননীয় স্বাস্থ্যমন্ত্ৰী শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়াও আছিল। গতিকে এই কথাখিনি এই কাৰণেই অৱগত কৰিছো যে - হোমিঅ'পেথিক চিকিৎসাৰ প্ৰতি অসমৰ ৰাইজ আগৰ পৰাই আগ্ৰহী। এই চিকিৎসাৰ দ্বাৰাই ৰাইজে সেৱা গ্ৰহণ কৰি আহিছে। যোৱা ২৬ ফেব্ৰুৱাৰী পৰা ২৮ ফেব্ৰুৱাৰী পৰ্য্যন্ত গুৱাহাটী লাষ্টগেটত হোমিঅ'পেথিক চিকিৎসা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে বা হোমিঅ'পেথিক চিকিৎসা মহা বিদ্যালয়ৰ পৰা যিসকলে ডিগ্ৰী লাভ কৰিছে তেওঁলোকে চিকিৎসা মহাবিদ্যালয় খনৰ আন্তঃগাঁথনি, চিকিৎসা মহাবিদ্যালয় খনত বিভিন্ন ধৰণৰ শিক্ষকৰ পদ খালী, লৰা-ছোৱালীৰ হোষ্টেলকে

আদি কৰি দিশপুৰ লাষ্টগেটত সম্পূৰ্ণ গণতান্ত্ৰিক ভাৱে অৱস্থান ধৰ্মঘট তেওঁলোকে পালন কৰিছিল। কেন্দ্ৰীয় হোমিঅ' পৰিষদৰ নিয়ম অনুযায়ী প্ৰতিখন হোমিঅ'পেথিক চিকিৎসা মহাবিদ্যালয়ত নিম্নতম ২৪ জনকৈ শিক্ষক লাগে যদিওঁ বৰ্তমানে গুৱাহাটীত ১৫ জন নগাওঁত ৭ জন আৰু যোৰহাটত ১৪ জনহে শিক্ষক আছে। গতিকে তেওঁলোকে খালী পদসমুহ পুৰণ কৰাৰ কাৰণে দাবী কৰিছিল। ইয়াৰ উপৰিও আন্তঃচিকিৎসালয়ত ২৫ খন বিচনা আছে যদিও চিকিৎসক কৰ্মচাৰীৰ অভাৱত বন্ধ হৈ আছে।

অধ্যক্ষ ডাঙৰীয়া, হোমিঅ' চিকিৎসা মহাবিদ্যালয়ত বছৰি ৫০ জনকৈ ছাত্ৰ-ছাত্ৰীয়ে তাত নাম ভৰ্তি কৰিব পাৰে। নাম ভৰ্তি প্ৰক্ৰিয়া -এলোপেথিক হওঁক, হোমিঅ'পেথিক হওঁক চিকিৎসা মহা বিদ্যালয়ত নাম ভৰ্তি কৰাৰ কাৰণে যি এনট্ৰেন্স হয়, সেই এনট্ৰেন্সত উত্তীৰ্ণ হোৱাৰ পিচতহে নাম ভৰ্তি কৰিব পৰা যায়। প্ৰথমে এলোপেথিক, তাৰ পিছত আয়ুৰ্ৱেদিক আৰু তাৰ পিছত হোমিঅ'পেথিকত তেওঁলোকৰ স্থান নম্বৰ অনুসৰি নাম ভৰ্তি কৰা হয়। ভৰ্তি হোৱাৰ পিছত হোমিঅ'পেথিক চিকিৎসা মহাবিদ্যালয়ত যি সকলে নাম ভৰ্তি কৰে তেওঁসোকে যি ধৰণে সা-সুবিধা পাব লাগিছিল, সেই সা-সুবিধা খিনিৰ পৰা তেওঁলোকক বঞ্চিত কৰা দেখা যায়।

অধ্যক্ষ ডাঙৰীয়া, এই বঞ্চিত হবলগীয়া হোৱাৰ কাৰণেই ছাত্ৰ-ছাত্ৰী সকলে দিশপুৰ লাষ্টগেটত সদৌ অসম হোমিঅ'পেথিক চিকিৎসক সন্থা, সদৌ অসম হোমিঅ'পেথিক কনিষ্ঠ চিকিৎসক সন্থা, সদৌ অসম হোমিঅ'পেথিক চিকিৎসালয়ৰ ছাত্ৰ সন্থাই তিনিদিনীয়াকৈ যে অৱস্থান ধৰ্মঘট কৰিছিল, সেই ধৰ্মঘটকাৰী সকলৰ ওপৰত অসম আৰক্ষীয়ে বৰ্বৰ-নিমৰ্ম ভাৱে লাঠী চাৰ্জ কৰিছে, তেওঁলোকৰ ওপৰত মানসিক আৰু শাৰীৰিক নিৰ্যাতন চলাইছে, এইয়া কিন্তু অসম ৰাজ্য খনৰ কাৰণে শুভ লক্ষণ নহয়। কাৰণ হোমিঅ'পেথিক চিকিৎসা মহা বিদ্যালয়ৰ কথা যদি কবলৈ যাওঁ, তাৰ লগত অসম আন্দোলন জড়িত হৈ আছে। অসম আন্দোলনত সেই সময়ত হোমিঅ'পেথিক চিকিৎসা মহাবিদ্যালয়ৰ ছাত্ৰ সকলে তাত ভাগ লৈছিল। গতিকে তেনেকুৱা বিদ্ৰোহত জড়িত থকা চিকিৎসা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ ওপৰত পুলিচে যি ধৰণে অত্যাচাৰ চলাইছে, জাতি, মাটি-ভেটি আৰু পৰিবৰ্তনৰ কথা কোৱা এই চৰকাৰ খনৰ এনেকুৱা কাৰ্য্যক কিন্তু অসমবাসীয়ে ধিক্কাৰ দিছে।

অধ্যক্ষ ডাঙৰীয়া, এই কথাখিনি আপোনাৰ জৰিয়তে আমাৰ বিভাগীয় মন্ত্ৰী ডাঙৰীয়াৰ লগতে মুখ্যমন্ত্ৰী ডাঙৰীয়াকো অবগত কৰিব বিচাৰিছো। লাঠী চালনাৰ পিচত বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই সংবাদমেল যোগে বিভিন্ন কথা উত্থাপন কৰিছে। সময় কম যদিও মই আৰু দুটামান কথা আপোনাৰ যোগেদি মাননীয় স্বাস্থ্য মন্ত্ৰীৰ লগতে পবিত্ৰ সদনক জনাব বিচাৰিছো। যোৱা ১৬ ফেব্ৰুৱাৰী তাৰিখে। কেন্দ্ৰীয় চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী অশ্বিনী কুমাৰ চৌবে সংবাদমেল যোগে কিছু কথা ঘোষণা কৰিছিল। তেখেতে কৈছিল - ভাৰতবৰ্ষত ১৬৬৭ জনৰ জনসংখ্যাৰ বিপৰীতে এজন চিকিৎসকৰ ব্যৱস্থা বৰ্তমান চলি আছে আৰু তাৰ অনুপাতে অসমত ৩০০০ জনসংখ্যাৰ বিপৰীতে এজন চিকিৎসকে সেৱা আগবঢ়ায় আহিছে। World Health Organization ৰ Survey মতে প্ৰতি ১০০০ জনসংখ্যাৰ বিপৰীতে এজন চিকিৎসক প্ৰয়োজন। অধ্যক্ষ মহোদয়, যত অসমত ১০০০ জনসংখ্যাৰ বিপৰীতে এজন চিকিৎসক হব লাগে তাত ৩০০০ জনসংখ্যাৰ বিপৰীতে এজন চিকিৎসকে সেৱা আগবঢ়ায় আহিছে। এই কেন্দ্ৰীয় মন্ত্ৰীজনৰ কথাই স্পষ্ট কৰি প্ৰমাণ কৰি দিয়ে যে অসমত চিকিৎসকৰ দৰকাৰ আছে। যিসময়ত চিকিৎসকৰ পদ পুৰণ কৰাৰ বাবে হোমিঅ'পেথিকত যিসকলে ইতিমধ্যে ডিগ্ৰী লৈ আহিছে, যি সকল কনিষ্ঠ চিকিৎসক তেওঁলোকক আমি যদি বঞ্চিত কৰি ৰাখো তেনেহলে স্বাস্থ্য খণ্ডত ৰাজ্যৰ প্ৰতি সেৱা কৰাৰ কাৰণে আমাৰ কোনো

সদিচ্ছা নাই বুলি তেওঁলোকে কোৱাৰ থল নিশ্চয় থাকিব। সেয়েহে, আজি পবিত্ৰ সদনত আপোনাৰ যোগেদি এই কথাটো মাননীয় স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক অবগত কৰিব বিচাৰিছো। আজি বিভিন্ন সময়ত পুঁজিৰ কথা কয়। কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী কুমাৰ চৌবে ডাঙৰীয়াই এটা কথা কৈছে যে- যোৱা বিত্তীয় বৰ্ষত NHM ৰ অধীনত অসমে মাত্ৰ ১৩.৫৭শতাংশহে খৰছ কৰিব পাৰিছে, অৰ্থাৎ ১০০ টকাৰ ১৩.৫৭ শতাংশ অসমে NHM ৰ অধীনত খৰছ কৰিব পাৰিছে। ইয়াৰ পৰা এটা কথাই বুজা যায় যে আমাৰ অসমত পুঁজিৰ অভাৱ নাই। আমাৰ হোমিঅ'পেথিক চিকিৎসা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে যিখিনি দাবী লৈ আহিছে, সেইখিনি আমি পুৰণ কৰাৰ ব্যৱস্থা কৰিব পাৰো যিহেতু পুঁজিৰ অভাৱ চৰকাৰৰ নাই। এই কথা মই কোৱা নাই অধ্যক্ষ ডাঙৰীয়া, আমাৰ অসমতো BJP চৰকাৰ, কেন্দ্ৰটো BJP চৰকাৰ আছে। BJP চৰকাৰৰ এজন কেন্দ্ৰীয় মন্ত্ৰীয়ে এই কথা উল্লেখ কৰি গৈছে ।

মই স্বাস্থ্য বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক ক'ব বিচাৰিছো। বৰ্ত্তমানে হোমিঅপেথিক যিসকলে পাছ কৰিছে সেইসকল ইতিমধ্যে এপি এছ চিৰ জৰিয়তে ৭৫ জন কৰ্মৰত আছে আৰু এন আৰ এইচ এমৰ জৰিয়তে ২৩২ জনে বৰ্ত্তমান অসমত চিকিৎসা সেৱা আগবঢ়াই আহিছে। আজিৰ তাৰিখ পৰ্য্যন্ত যিহেতু বছৰি প্ৰত্যেকখন চিকিৎসা মহাবিদ্যালয়ত ৫০ জনকৈ ছাত্ৰই নাম ভৰ্ত্তি কৰিব পাৰে। বছৰি ১৫০ জনকৈ চি কিৎসকে পাছ কৰি আহে আৰু তাৰ ভিতৰত ১২০০ জন চিকিৎসক আজি বেকাৰ হৈ থাকিব লগা হৈছে। গতিকে আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰিব বিচাৰো যে দিশপুৰত কাৰ নিৰ্দ্দেশত আৰু কিয় আমাৰ হোমিঅপেথিক ছাত্ৰ ছাত্ৰীসকলৰ ওপৰত পুলিছে লাঠি চাৰ্জ কৰিলে ? যিসকলে আজি মানৱ সেৱা কৰাৰ বাবে আগবাঢ়ি আহিছে সেই বিশ্ববিদ্যালয়ৰ যিসকল অসম আন্দোলনৰ লগত জড়িত এই কথাটো বিতংভাৱে অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰো। হোমিঅপেথিক কলেজৰ ছাত্ৰ ছাত্ৰীৰ যিখিনি অভাৱ অভিযোগ সেইখিনি কেনেকৈ দুৰ কৰা হ'ব আৰু অভাবসমূহ দুৰ কৰি পৰৱৰ্ত্তীসময়ত কেনেকৈ এখন অভাৱমুক্ত সৰ্ব্বাঙ্গি সুন্দৰ এখন হোমিঅপেথিক কলেজ স্থাপন কৰিব পাৰো, যিসকল হোমিও চিকিৎসক তেওঁলোকক যাতে কৰ্মসংস্থান দিব পাৰো তাৰ বিষয়ে আপোনাৰ জৰিয়তে বিভাগীয়া মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষন কৰি মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ , মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**ড° হিমন্ত বিশ্ব শৰ্মা , মাননীয় মন্ত্ৰী, স্বাস্থ্য, শিক্ষা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, হোমিঅপেথিক চিকিৎসাৰ লগত অসম আন্দোলনৰ কি সম্পৰ্ক আছে মই নাজানো। কাৰণ অসম আন্দোলনটো বিদেশী নাগৰিকৰ বহিস্কাৰৰ বাবে হৈছিলে। হোমিঅপেথিক চিকিৎসা উন্নত কৰাৰ কাৰনে কিবা অসম আন্দোলন হৈছিলে, এনেকুৱা ধাৰণা মোৰ নাই। অধ্যক্ষ মহোদয় , মই এইটো কৈছো যে, অসম আন্দোলনৰ লগত এন আৰ চিৰ সম্বন্ধ আছে কিন্তু অসম আন্দোলনৰ লগত হোমিঅপেথিৰ কি সম্পৰ্ক মোৰ বোধগম্য হোৱা নাই। যিহওক অধ্যক্ষ মহোদয়, পুলিছে কি কাৰণে হোমিঅপেথিৰ ছাত্ৰখিনিক লাঠি চাৰ্জ কৰিলে এই প্ৰশ্নটো গৃহ দপ্তৰত কৰিলে সঠিক উত্তৰ পালেহেঁতেন। এই লাঠি চাৰ্জৰ বিষয়টোৰ তথ্য মোৰ হাতত বৰ্ত্তমান নাই। অধ্যক্ষ মহোদয় পুলিছৰ লাঠি চাৰ্জৰ বিষয়ে স্বাস্থ্য মন্ত্ৰীয়েতো ক'ব নোৱাৰে। এইটো গৃহ মন্ত্ৰীয়ে ক'ব লাগিব। গতিকে মই চন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়াক অনুৰোধ কৰিম যদি সময় পায় তেখেতে হাউচৰ ভিতৰত আপোনাক জনাব নহ'লে ব্যক্তিগতভাৱে সদস্যগৰাকীক জনাব। অধ্যক্ষ মহোদয়, অসমত তিনিখন হোমিঅপেথিক চিকিৎসালয় আছে শ্বহীদ যাদব নাথ হোমিঅ পেথিক কলেজ, য'ত ২৩ জন শিক্ষক বৰ্ত্তমান কৰ্মৰত হৈ আছে। যোৰহাট হোমিওপেথিক চিকিৎসালয়ত ১৪ জন শিক্ষক কৰ্মৰত হৈ আছে। আৰু নগাওঁত ১৩ জন

শিক্ষক কৰ্মৰত হৈ আছে। প্ৰতিখন চিকিৎসালয়ত নিম্নতম ২৪ জন চিকিৎসক লাগে তাৰ পৰা দেখা যায় যে, গুৱাহাটীৰ শিক্ষানুষ্ঠানৰ ক্ষেত্ৰত এটা শিক্ষকৰ পদ খালী হৈ আছে। আৰু বাকী দুখনত ১২ জনকৈ শিক্ষকৰ পদ খালী হৈ আছে। কিন্তু গোটেই পদসমূহ এন্ট্ৰি লেভেলত নহয় ওপৰৰ লেভেলত খালী হৈ আছে। তাৰ কাৰনে প্ৰমোচন পাবৰ কাৰনে হোমিওপেথিক যিটো চাৰ্ভিছ্ ৰুল সেই চাৰ্ভিজ ৰুল নথকাৰ বাবে আমি পদোন্নতিসমূহ দিব পৰা নাছিলো। বৰ্ত্তমান আমি এটা কথা চিন্তা কৰিছো যে চাৰ্ভিজ ৰুল নহলেও আমি চৰকাৰী ডিপাৰ্টমেন্টৰ একজিকিউটিভ অৰ্ডাৰ অনুসৰি পদোন্নতিৰ ব্যৱস্থা কৰিব খুজিছো। আৰু পদোন্নতিৰ ব্যৱস্থা হ'লেই তেতিয়া এন্ট্ৰি লেভেলত আমাৰ পদ খালী হ'ব।অধ্যক্ষ মহোদয় ইয়াৰ ওপৰিও আমাৰ অসম চৰকাৰৰ বাজেটত উল্লেখ কৰাৰ দৰে তেজস্বী আঁচনিৰ জৰিয়তে হোমিওপেথি মহাবিদ্যলয়সমূহক আমি প্ৰতিখন মহাবিদ্যালয়ক এতিয়ালৈকে ২ কোটি টকাকৈ আৱন্টন দিছো। তাৰে ১ কোটি টকা আমি অনুমোদন কৰিছো। আয়ুস মিছনৰ ফালৰ পৰা গুৱাহাটী হোমিওপেথিক কলেজৰ নামত ২ কোটি ৩০ লাখ টকা যোৰহাট হোমিওপেথিক কলেজৰ নামত ২ কোটি টকা ১৭ লাখ টকাআৰু নগাওঁৰ হোমিঅপেথিক কলেজৰ নামত ২ কোটি ৪০ লাখ টকা অনুমোদন দিয়া হৈছে। গতিকে এই গোটেই ব্যৱস্থাটোৰ পৰা ক'ব পাৰো আমি তিনিওখন হোমিপেথিক কলেজৰ আন্তঃ গাঁথনি উন্নয়নৰ বাবে আমি প্ৰচেষ্টা চলাই আছো। আৰু অনাগত দিনতো সেই প্ৰচেষ্টা অব্যাহত থাকিব। আৰু অধ্যক্ষ মহোদয় মই ভাবো যে, আমি যেনেকৈ মেডিকেল কলেজৰ কাৰণে টকা পইছা দিছো, আয়ুৰ্বেদিক কলেজৰ কাৰণে টকা পইছা দিছো, তেনেকৈ আমি হোমিওপেথিক কলেজৰ বাবেও আমি টকা পইচা যোগান ধৰি আহিছো আৰু ভবিষ্যতেও আমি টকা পইচা যোগান ধৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিম।

**শ্ৰীৰকিবুল হুছেইন ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই এটা পাৰ্টৰহে উত্তৰ দিছে, আনটো পাৰ্ট ল এণ্ড অৰ্ডাৰৰ দিয়া নাই?

**মাননীয় অধ্যক্ষঃ** আমি ৰুল ৫৪ জৰিয়তে ইম্পৰ্টেন্ট ইছু এটা চৰকাৰৰ দৃষ্টি আকৰ্যন কৰিম। চৰকাৰে যাতে ব্যৱস্থা লয়। সাধাৰনতে তাত ডিছকাচন নাথাকে । আমাৰ হোমিওপেথিক চিকিৎসাৰ প্ৰতি চৰকাৰৰ যিটো অৱহেলা সেইটো এম্পাছিছ কৰোতে যিটো আন্দোলন হৈছে, তাৰ কাৰনে যিটো ঘটনা ঘটিছে তাৰ কাৰণেও কৈছে। তেখেতে কৈছে মই এই বিষয়ে এটা নোট দিয়াৰ বাবে পাটোৱাৰী ডাঙৰীয়াক অনুৰোধ কৰিম, আজিতো নোৱাৰিম। ইয়াৰ পিছত কাৰ্য্যসূচী নং-৭ । ৰমেন্দ্ৰ নাৰায়ন কলিতা ডাঙৰীয়া , তেখেত এবচেন্ট গতিকে বাজেটৰ ওপৰত আলোচনা কৰিবলৈ মই তৰুন গগৈ ডাঙৰীয়াক ক'বলৈ অনুৰোধ জনালো।

**শ্ৰীতৰুন গগৈ, মাননীয় প্ৰাক্তন মূখ্যমন্ত্ৰী, বিধায়কঃ** অধ্যক্ষ মহোদয়, যোৱাকালি বিত্ত মন্ত্ৰী ডাঙৰীয়াই পোন প্ৰথমবাৰৰ বাবে ডিজিটেল বাজেট তেখেতে দিলে আৰু প্ৰথমবাৰৰ কাৰনে যি বাজেট দিলে তাৰ কাৰনে মই ধন্যবাদ দিছো। তেখেতে হয় এনেধৰনৰ এটা ইমপ্ৰেছন দিবলৈ গৈছে যে যোৱা ১৫ টা বছৰ আমি একোৱে কৰা নাই। দুটা বছৰত গোটেই অসম পৰিৱৰ্ত্তন হৈ গ'ল। এটা কথা কালি মই শুনিছো যে তৰুণ গগৈৰ বাজেটত ১০ শতাংশও কাম হোৱা নাই। মই প্ৰমান কৰি দিম। হ'ব পাৰে, মই এগ্ৰি কৰিছো। মোৰ ১০ শতাংশও হোৱা নাই জিৰো শতাংশও হ'ব পাৰে। জিৰো শতাংশ হয় যদি আগেয়ে জানে য'ত আমাৰ চেক্ৰেটেৰীয়েটেই নাছিল , যিখন ৰাজ্যত কিমান বছৰ চেক্ৰেটেৰিয়েট নাছিল, সেই চেক্ৰেটেৰিয়েট আমিয়ে কৰিলো , মেডিকেল কলেজবিলাকৰ কি অৱস্থা আছিল, কলেজবিলাকৰ কি কথা আছিল, সেইক্ষেত্ৰত অৱশ্যে আজিৰ বিত্ত মন্ত্ৰী তেখেতও তাৰ মানে তেখেতৰ নিজৰ বিভাগত ১০ শতাংশহে কাম কৰিছিল। কিন্তু তেতিয়া তেখেতেই

আমাৰ বিত্ত মন্ত্ৰীয়ে মোৰ হৈ তেখেতে উত্তৰ দিছিল । তাৰ মানে তেখেতে তেতিয়াও প্ৰকৃত সত্য কথা কোৱা নাই। আজিও যে সত্য কথা কৈছে মোৰ ডাউট হৈছে। হয়, শিক্ষাৰ প্ৰতি গুৰুত্ব আমি আগেও দি আহিছো। শিক্ষাৰ প্ৰতি গুৰুত্ব আজিও দিছে মই নাই দিয়া বুলি নকওঁ। আজি হয়তো নাম দিছে গুণগত, আমি কৈছিলো হয়তো বুনিয়াদ। সেই সময়ত কি দুৰৱস্থা আছিল আমি সকলোৱে জানো। তেখেতে এটা কথা ক'ব বিচাৰিছে উত্তৰধিকাৰী হিচাপে বিত্তীয় বিশৃংখলতাৰ উত্তৰাধিকাৰী তেখেতসকলে আছিল । কিন্তু মই ক'ম এই চৰকাৰ যিমান লাকী ইয়াৰ আগতে কোনো চৰকাৰ ইমান লাকী নাছিল। ৭৭ চনলৈকে মই নকওঁ, ৭৭ চনৰ পিচৰ পৰা যেতিয়াৰ পৰা অসমত আন্দোলন হ'ল, আন্দোলনৰ কাৰনেই হওক বিত্তীয় অৱস্থাই হওক অতি শোচনীয় আছিল ।সকলোৱে জানে। মহন্তৰ দিনতো কওক, আমাৰ দিনত আটাইতকৈ বেছি আছিল। যিহেতু আমাৰ দিনত আমি চৰকাৰী চাকৰিয়ালক দৰমহাও দিব পৰা নাছিলো। আমাৰ আগৰ চৰকাৰৰ নাচিল আৰু সেই হিচাপে মই উত্তৰাধিকাৰী হৈছিলো। দৰমহা দিব পৰা নাছিল, ট্ৰেন্সপোৰ্টৰ কি আছিল হাজৰিকা ডাঙৰীয়া বহিয়েই আছে। স্বাস্থ্য বিভাগৰ কি আছিল আমাৰ এখেত বহি আছে দেখোন আমাৰ পাটোৱাৰী ডাঙৰীয়াই জানে। এগ্ৰিকালচাৰৰ কি আছিল পাটোৱাৰী ডাঙৰীয়াই জানে। মন্ত্ৰীসকলতো তেতিয়াও আছিল, সেই সময়ত আমি সকলো ডেফিচিটত আছিলো। ৰেভিনিউ ডেফিচিটে কওক ফিচকেল ডেফিচিটে কওক, অভাৰ ড্ৰাফট আছিল, আমাক এটা হিচাপ দেখুৱাছিলে যে **২০০১** চনত আমি **২৯৪** দিন, ৩০০ দিনৰ ভিতৰত বেংকত overdraft হৈ আছে। তাৰ পিছত RBI ban কৰি ৰাখিছিল পইচা, উলিয়াব নোৱাৰো । আজিটো কোনো নাই, এই চৰকাৰে প্ৰথমে কৈছিল যে তেখেতসকলে আমাৰ লোণৰ বোজা লয় দহ হাজাৰ। এই চৰকাৰে আকৌ এবছৰ পিছত উত্তৰ দিলে যে নহয় সেই তাৰিখত আমি দহ হাজাৰ টকা জমা কৰি থৈ গৈছো। উত্তৰটো তেখেতসকলে দিছে আমি দিয়া নাই। একে বিত্ত মন্ত্ৰী, একে উত্তৰ। এক বছৰৰ আগত কলে দহ হাজাৰ টকা লোকচান হৈছে। আমাৰ বিধায়ক নুৰুল হুডা ডাঙৰীয়াৰ উত্তৰত আকৌ দিলে যে **২০১৭** চনত **৫৬** হাজাৰ আছে Reserve Bank ত। অৱশ্যে এই বিলাকৰ প্ৰশ্নৰ উত্তৰ একেটা। আজি সেয়েহে কৈছো যে অৱস্থা ভাল আছিল, সেইবিলাকলৈ মই যাব খোজা নাই। মই শিক্ষাৰ ক্ষেত্ৰত দুটা মান কথা কবলৈ বিচাৰিছো আমি Institution ৰ ওপৰত গুৰুত্ব দিছিলো। Women University খনত ইমান কিয় চৰকাৰে বেয়া পাবলৈ ধৰিছে। বেটি বচাওঁ, বেটি পঢ়াও। আজি সেই Women University আমি কিয় বনাইছো, মই concept ৰ কথা ক'বলৈ বিচাৰিছো যে Women University খন আমাৰ idea নহয়। SNDT বুলি আছে মোম্বাই ইউনিভাৰচিটি, নিশ্চয় শৰ্মা ডাঙৰীয়াই জানে যে এখন ইউনিভাৰচিটি লেখত লবলগীয়া বুলি মই কওঁ। কাৰণ সেইখন ইউনিভাৰচিটি এছিয়াৰ ভিতৰত one of the oldest আৰু তাত যিমান বিলাক course আছে, সকলো employment oriented । যিটো skill development বুলি কয়। যিটো প্ৰধান মন্ত্ৰীয়ে কৌশলৰ কথা কৈছে। আৰু আমি সেই আৰ্হিত, সেই ইউনিভাৰচিটিখন কৰিবলৈ গৈছো। তাত সকলো ধৰণৰ course থাকে - Diploma course, Certified course, design, Physiotherapy, Child care, Air Hostess, Master course, Graduate course, Doctorate course থাকিব। It is a new concept, এইটো মোৰ ঘৰুৱা সম্পত্তি নহয়। সকলোকে টকা দিছে, এতিয়া শুনিছো Homeopathy কো দিছে। মই ভাল পাইছো, কাৰণ হোমেওপেথিকও লাগিব, আৰু আয়ুৰ্বেদিকও লাগিব। প্ৰধানমন্ত্ৰীয়ে জিলাই জিলাই কৰাৰ কথা কৈছে। কৰক, আজি ইয়াত সকলোকে দিলে টকা কিন্তু মহিলা কলেজখন আজি ভাঙি পেলাব

বিচাৰিছে, মই জনামতে যদি হৈছে মই নাজানো। মই অনুৰোধ কৰিছো যে এই মহিলা কলেজখনৰ বাবেও তেওঁলোকে অলপ চকু দিয়ক।

তেওঁলোকে নতুন ইউনিভাৰচিটিৰ কথা কৈছে, ইউনিভাৰচিটিখনত বেলেক কোৰ্চ কৰক, নিজৰ নিজৰ যি ধৰণে ভাৰে। আমিও ভাৰিছো যে child care হওঁক, old age home care, nutritious food, design, physiotherapy হওঁক, সকলো ধৰণক কোৰ্চ কৰক। কিন্তু সেইখনক আজি তেওঁলোকৰ বাজেটত নেদেখা কাৰণে মই কৈছো। আৰু এখন ইউনিভাৰচিটিৰ কথা মই কৈছো সেই খন আছিল -Rajiv Gandhi Cooperative Management University ।সেইখনৰ concept টো নতুন, এইকাৰণে যে চিলেবাচ কৰিছিলে আহমেদাবাদৰ মেনেজমেন্ট ইনষ্টীটিউতে। যিখন আজি one of the top management আজি আমি self help group ৰ কথা কৈছো। cooperative, agriculture ৰ কথা কৈছো। agriculture যেতিয়ালৈকে cooperative নহয়, ভাৰত তেতিয়ালৈকে Indian Economy growth নহয়। Indian Economy growth কৰিবলৈ যিবিলাক small holdings আছে, সেই বিলাকক একলগ কৰিব লাগিব। একলগ নকৰিলে machanize কেনেকৈ কৰিব, management কেনেকৈ কৰিব। এতিয়া সকলোখিনি joint management কৰিবলৈ হ'লে economics টো আছে। আজি India ত small holdings নহয়। প্ৰধানমন্ত্ৰীয়ে কৈছে যে আমি দুগুণ আয় কৰিব লাগে। দুগুণ আয় কৰ পৰা হ'ব। যদি আমি সেই small holdings বিলাক একেলগে নকৰি cooperative নকৰো । cooperative কেনেকৈ কৰিব লাগে। Management কেনেকৈ কৰিব লাগে। self help group কেনেকৈ কৰিব লাগে। It is itself a unique idea আৰু এইটো কতো নাই, সেইকাৰণে Oxford University য়ে এইটো গৱেষণা কৰিবলৈ আহিছে। সেইটো আৰু লাগিলে বেলেগ কোৰ্চ কৰক, কিন্তু তাতো আজি এক পইচাও নিদিলে। এই দুখন ইউনিভাচিটিয়ে কি দোষ লগালে মই নাজানো। মই ভাৱো যে বিত্ত মন্ত্ৰী ডাঙৰীয়াই এই দুখন ইউনিভাৰচিটিৰ প্ৰতি অকনমান চকু দিলে মই ভাল পাম। ইয়াৰ বাদে মই আৰু এটা কৈছো যে মোৰ সমষ্টি তিতাবৰত Sericulture college আছে। কাৰণ এইটো সকলোৱে জানে যে অসমত আমি Sericulture ৰ ওপৰত গুৰুত্ব নিদিও, Sericulture firm এখনো আছে। আমি মূগাৰ কথা কওঁ। চিল্কৰ কথা কওঁ। আজি এই দুটা Industry are in bad shape । শুৱালকুছিৰ কথাই মই কওঁ-এইটো বিত্তমন্ত্ৰীৰ নিজৰ সমষ্টি। শুৱালকুছিত যিসকলে এই ব্যৱহাৰ কৰি আছে, তেওঁলোকৰ খবৰ লওঁক। শুৱালকুছিত যিসকলে তাঁত সুতাৰে manchaster বুলি কয়, তাতো আজি কিয় হৈছে। হয় আমি modernisation কৰিব লাগিব। আমি হয়তো সুতা বিলাক সস্তা দামত দিয়াব লাগিব। শিপিনীসকলক আজি যদি এইবোৰ নকৰো, তেন্তে এই শিল্পবিলাক কেনেকৈ থাকিব। এতিয়া আমি sericulture college খুলিছিলো। সেইখনো আজি গা-কৰি উঠা নাই। ঠিক তেনেকৈ আৰু এখন কৰিছিলো সেইটোৰ অৱশ্যে চলি আছে কাম। নলবাৰীত Horticulture এখন কৰিবলৈ বিচাৰিছো। এইখনৰ কাম কৰি আছে। মই ভাৱো যে Institute বিলাকত গুৰুত্ব দিলে ভাল হ'ব। ঠিক সেইদৰে Rajiv Gandhi Petroleum Institute আছিলে শিৱসাগৰত, ভাৰত চৰকাৰে কৰিম কৰিম বুলি কৈ আছে কিন্তু এই কাম এতিয়ালৈকে আৰম্ভ কৰা হোৱা নাই। সেই কামটো নকৰো বুলিও কোৱা নাই, কিন্তু ভাৰত চৰকাৰ should put pressure ।যেনেকৈ এতিয়া যোৰহাটত আমি NID কৰিছো, এতিয়াও ক্লাচ হোৱা নাই। অধ্যক্ষ মহোদয়ৰ সমষ্টি, তেখেতে এটা খবৰ লব পাৰে। আমি কৈছো যে ক্লাচ

কৰিবলৈ, মই নিজেও চাই আহিছো। NID খন অৱশ্যে Ministry of Commerce & Industry য়ে কৰে। কাৰণ NID ভাৰতবৰ্ষৰ আহমেদাবাদৰ বাহিৰে কতো নাই। NIFD এইটো বেলেগ। এইখন ফেচন ডিজাইন। সেইখনো লগে, আৰু এটা মই ভাৱো যে ভাৰত চৰকাৰে ঘোষণাও কৰিছে যে আমি প্ৰত্যেক ৰাজ্যত Indian Management Institute (IMI) কৰিম। সেইটোতো আমি perssure কৰিব লাগে। যিহেতু Govt. of India on their own সেইটো আমি লব লাগে। কাৰণ Institute বিলাক যদি নহয়, আজি আমাৰ ৰাজ্যবিলাকত আমি কেনেকৈ আগুৱাই যাম। পিছত আছে TATA Institute of Social Science ইয়াতে এতিয়া strike চলি আছে। সেইটো অৱশ্যে তেওঁলোকৰ fees বঢ়াৰ কাৰণে সেইটো অকল অসমতে নহয় গোটেই ভাৰতবৰ্ষত। আমি সেই Institute বিলাক কিয় আনিছো। সেই বিলাক হৈছে job oriented । কাৰণ এই বাজেটখনত এইটো কথা reflect হোৱা নাই । এইটো হোৱাৰ দৰকাৰ মই ভাৱো। কাৰণ বাজেটখন হ'ব লাগিব job oriented. It must create jobs. ইয়াৰ দ্বাৰা সৰ্বসাধৰণ মানুহৰ আয় বঢ়াব লাগিব। যিটো আমি fast and inclusive growth বুলি কওঁ। আৰু যিটো Sustainable Economic Development ৰ কথা আমি কৈ আছো, হয় সেইটো লাগিব। Sustainable Economic Development আৰু UN ৰ SDG আছিলে, সেই goals আমিয়ে আৰম্ভ কৰিছিলো। আপোনালোকে জানি ভাল পাব যে বিশ্বত আমি প্ৰথম চৰকাৰ আছিলো এই আঁচনি লোৱাৰ কাৰণে। মাননীয় অধ্যক্ষ মহোদয়, সেই ধৰণে মই দুটা মান কথা কব বিচাৰিছো, আমি ও তেতিয়া Quality of Education টো বঢ়াবলৈ বিচাৰিছো। অকল LP School, High School য়ে নহয়, Even Engineering Collage বিলাক হিমন্ত বিশ্ব শৰ্মা জানে যে Parth University লৈ তেওঁ গৈছিল। যে আজিও আমাৰ যি বিলাক পাঠ্যক্ৰম চলি আছে, সেই বিলাক আজি World Standerd ৰ নহয়। মই India ৰ কথা কৈ আছো আৰু অসমৰো কথা কৈ আছো, গতিকে সেই বিলাক যাতে ওপৰলৈ লৈ যাব পাৰো, সেয়েহে আমি Parth University ৰ লগত আলোচনা কৰিছিলো তাৰ পিছত Melbourne University আলোচনা কৰিছিলো থিক তেনেকৈ কলম্বিয়া বিশ্ববিদ্যালয়ৰ লগতো, সেই বিশ্ববিদ্যালয়ৰ প্ৰধান জেফ্ৰিচিয়াচৰ লগতো আমি Tie up কৰিছিলো। Oxford University লগত আলোচনা কৰিছিলো। কিয় আমি কৰিছিলো, কাৰণ Education ৰ Quality আজিও India ত ভাল নহয়। তাৰ কাৰণে Problem টো হৈ আছে। আজি Growth হোৱা নাই, ভাৰত চৰকাৰৰ অসমৰটো বাদেই। কালি আপোনালোকে দেখিব যে খাদী উদ্যোগত ৭লাখ মানুহে কৰ্ম সংস্থাপন হেৰুৱাব লগা হৈছে। এইটো মন্ত্ৰীয়ে উত্তৰ দিছে সংসদত। খাদী যিহেতু কুটিৰ উদ্যোগ গতিকে এনেকুৱা ধৰণৰ উদ্যোগত কৰ্মৰত মানুহ বিলাক মৰিছে, PMEGP অৰ্থাত Prime Minister's Employment Generation Programme তাতো Job Creation কমি গৈছে। সেইটো সংসদত দিয়া ৪লাখৰ পৰা গৈ এতিয়া ৩লাখ মান হৈছে। So আজি Employment Growth টো India ত হোৱা নাই। সেই কাৰণে We must be very concerned about it আজি আমাৰ Unless বাজেট যদি Growth Oriented নহয়, Growth Oriented মানে Job Creation হব লাগিব, Employment Oriented হব লাগিব, Education System টোও হব লাগিব। Overall System India ত ও লাগিব। সেয়েহে আমি India ও কৈছিলো যে Community Collage লাগিব। ভাৰত চৰকাৰেও এইটোৰ নাম কৈ আছে, কিন্তু আৰম্ভ কৰা নাই। যে Community Collage আৰু

বাকীবোৰৰ মাজত প্ৰাৰ্থক্য এইটো যে এই Community Collage ৰ Concept টো লৈয়ে আমি Women University কৰিব গৈছিলো, যিটো Job Oriented । আজিকালি ইয়াতো কয় Community Collage কৰিব লাগে। আমেৰিকাত আজি কি কৰিছে, যে তেওঁলোকৰ দুভাগ আছে, এটা হল University আনটো হল Community Collage । Community Collage ত Carpenter ৰ পৰা Mini Doctorate লৈকে যাৰ। সৰু Carpenter ৰ পৰা গৈ he can be a Doctorate. আজি Skill সেইটোয়ে How to upgrade the skill। Minimum Skill, মধ্যমীয়া Skill, Up Skill। আমাক সকলো ধৰণৰ লাগিব। Employment Generation কৰিবলৈ হলে Top Skill লাগিব। IIT লাগিব, যদি এইটো নহয়, আজি আমি Develop কৰিব নোৱাৰিম, যদি আমি Base টো বনাব নোৱাৰো। সেয়েহে আমি Community College ৰ কথা কৈ আছো। এই কথা মই আমাৰ কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীমতী স্মৃতী ইৰাণী ডাঙৰীয়ানীক ও মই কৈছিলো। ভাৰত চৰকাৰৰ এইটো Policy আছে,Community Collage বুলি কয়। কিন্তু আজিও কৰা নাই আমাৰ চৰকাৰৰ দিনতো আমি এইটোত লাগি আছিলো। আমাৰ ইয়াতো এইটো লাগিব, ITI লাগিব কিন্তু ITI কৈও তাত যেনিবা তলৰ পৰা গৈ গৈ Doctorate পৰ্য্যায়লৈযাব পাৰে। বহুতে ভাৰে যে বিদেশলৈ গৈ মই এনে ঘুৰি ফুৰো। মই ভিয়েটনামলৈ গৈছিলো তাত মই Agriculture চাইছিলো, মাছ কেনেকৈ উৎপাদন কৰে, খেতি কেনেকৈ কৰে। তেতিয়া তাৰ Embassy বিলাকে কয়, ছাৰ আপুনি খেতি চাবলৈ কিয় আহে, পথাৰলৈ আহে, গাওঁলৈ আহে। কিয় গৈছে, কাৰণ Agriculture টো যদি আমি নকৰো তেতিয়া হলে আমি Development হব নোৱাৰো। India ত কৈছো অকল অসমৰ কথা কোৱা নাই, আজি Agriculture টোত এতিয়া Advantage Assam কৰি এটা লেভেলত গৈছে, কিন্তু যদি Agro Base নহয়, Agro Industry যদি নহয়, আনকি মই ৰতন টাটাকো কৈছিলো যে Agriculture ৰ ওপৰত আপোনালোকে গুৰুত্ব দিয়ক। Agriculture তাত যেতিয়া মানুহৰ ইনকাম হব তেতিয়া আপোনাৰ Nano কিনিব। আপোনাৰ Nano কিনিবৰ কাৰণে গাওঁৰ মানুহৰ উন্নতিৰ ওপৰত গুৰুত্ব দিয়ক নহলে আপোনালোকৰ বিৰুদ্ধে Revolt হব এদিন, আপোনালোকৰ Industry growth নহয়। সেয়েহে এতিয়া মই কওঁ যে এই ধৰণে Irrigation ৰ ওপৰত, Soil ৰ ওপৰত, Health ৰ ওপৰত গুৰুত্ব দিব লাগিব। ইয়াৰোপৰি শক্তিৰ ওপৰত যিমান গুৰুত্ব দিব লাগে সেইটো দিয়া হোৱা নাই। কাৰণ আমি শক্তিৰ গুৰুত্ব সকলোৱে জানে, আপুনি এদিন শক্তি মন্ত্ৰী আছিল। BTS TTS আমি আৰম্ভ কৰিলো, ইয়াৰ পিছত আমি মাৰ্ঘেৰিতাৰ কথাও কৈ আছিলো, আমাক Advantage India Industry আহিবলৈ হলে যদি আমাৰ পাৱাৰে নাই কিন্তু এইটো লাগিব Transmission line টো পাৱাৰ হয়, পাটোৱাৰীয়ে কৈছে আমি কিনিব পাৰো হয়, কিন্তু Transmission line নহলে আপোনাৰ পইচা থাকিলেও কামত নাহে। এই কামবিলাক আমি কেনেকৈ কৰিছিলো, এতিয়া অৱশ্যে কিছু আপোনালোকে কৰিবলৈ লৈছে, যিটো External Headed সেই Head লৈ বিজেপিয়ে আগতে আমাক সমালোচনা কৰিছিল। ১০হাজাৰ টকাৰ Lone লৈ এতিয়াটো Lone বেছি হৈছে, মই Lone লোৱাৰ ক্ষেত্ৰত পক্ষপাতি আছিলো, কাৰণ External Headed Lone লাগিবই। গতিকে এই External Headed Lone ৰ ক্ষেত্ৰত UPA Govt. Credit দিব লাগিব। 13th Finance Commission কৈছিল, যে এই Lone টো দিব লাগিব, উত্তৰ পূৰৰ কাৰণে নাথাকিব। আমাৰ কিন্তু চৰকাৰে কেবিনেট সিদ্ধান্ত লৈ কলে যে এইটো নৰ্থ ইষ্টৰ কাৰণে নহব। উত্তৰ

পূৰ্বৰ কাৰণে যিটো আজি ক'ব বিচাৰে Special Status ৰ কথা। সেই Special Status ৰ ক্ষেত্ৰত ভাৰত চৰকাৰে এটা কথা বিচাৰে যে এইটো 14th Finance Commission ৰ, এইটো সত্য নহয়। 14th Finance Commission আৰু Special Status ৰ লগত কোনো সম্বন্ধ নাই। 13th Finance Commission পঢ়ি চালেও Special Status টো বেলেগ আৰু যিটো কয়, Recommendation, transfer of Central resources to the State এইটো এটা বেলেগ তাৰ পিছত কি হল যে এতিয়া আমাৰ আৰু গুজৰাটৰ মাজত কোনো পাৰ্থক্য নাই। আমি আৰু মহাৰাষ্ট্ৰৰ মাজত কোনো পাৰ্থক্য নাই। 42% আমিও পাইছো, তেওঁলোকেও পাইছে আৰু এই কথাটো মই মোডী ডাঙৰীয়াকো কৈছিলো কিন্তু মোডী ডাঙৰীয়াইতেতিয়া মোক কি বুলি কলে মই আপোনালোকক সেইটো হে কব বিচাৰিছো। আমি গোটেই Matter টো কলো। চৌহানক কলো আৰু চৌহানে Recommendation, নকৰা বুলি কলে। যে 90 Pattern ত কিছু কিছু আছে। 90/10 সেই Pattern টো বেলেগ। বহুতে এইটোত Confusion কৰি দিয়ে। আমাৰ বিত্ত মন্ত্ৰীয়ে জানিও এইটো কয় দিলে যে এইটো Change কৰা নাই বুলি। সেইটো পলিটিকেলি কোৰাটো বেলেগ কথা। সেইটোত বাৰু আমাৰ আপত্তি নাই। কিন্তু এই কথাটো, যাৰ ফলত অসম আজি হেৰি হ'ল, বৰঞ্চ তেতিয়া সকলো অসমৰ নৰ্থ ইষ্টৰ গোটেই কেইজন মুখ্যমন্ত্ৰীয়ে একেলগে লিখি দিছিল। Zillion তেতিয়া তেওঁ লোকৰ লগত আছিল, বাকী আমাৰ দলটোৰ বাবে চেমলিং তেওঁয়ে লিখিছিল আমাৰ লগত। কিন্তু এইটো Restore নহ'ল সেইটোলৈ আমিও মই লাগি আছিলো, কিন্তু মই এতিয়াও বিচাৰো। আজি কি কৰিছে, আজি অন্ধ্ৰইও লাগি আছে, যদি special statusৰ বস্তুও নাই why Andhra Pradesh is fighting তাৰমানে Government of India দিব পাৰে, Government of India ৰ কি নাই। They can do it, special statusটো থাকিলে এটা ৰাইট থাকে আজি অন্ধ্ৰপ্ৰদেশে কি কৰিছে, special pakage দিব খুজিছে বোলো মোক নালাগে, তেওঁলোকে কি ক'ব বিচাৰিছে যে আমাক special pakage নালাগে। আমাক special status লাগে। আজি কিন্তু আমাৰ থকাটোও ক্ৰাইম হৈ গ'ল। আমি যিটো এনজয় কৰি আছিলো যিটো ১৯৬৯ চনৰ পৰা কৰি আছিলো। এইটো নহয়যে কেইবছৰমানৰ কাৰণে কৰি আছো আৰু এইটো কিহৰ কাৰণে কৰিছো Regional যিটো emblance থাকে। আমি এতিয়া নহলে কেনেকৈ আজি কমপ্লিট কৰিব পাৰিম। আজি যদি কমপ্লিট কৰিবলৈ হয় তেতিয়াহলে আমি কেনেকৈ কমপ্লিত কৰিব পাৰিম। সেইকাৰণে আমি এতিয়াও বিচাৰো যে Regional Recharge তাৰ ওপৰত আমাৰ গুৰুত্ব দিব লাগে, Agricultureৰ ওপৰত গুৰুত্ব দিব লাগে, Educational Instituation কেইটাৰ ওপৰত গুৰুত্ব দিব লাগে, যদি ইয়াৰ বাবে বাকী যিকেইটা কথা কৈ আছে হয় হোমিঅ'পৈথিৰ ওপৰটো গুৰুত্ব দিয়াতো উচিত বুলি মই ভাৱো। কাৰণ হোমিঅ'পৈথিকৰ ডাঙৰ চাইঞ্চ। আয়ুৰ্বেদিক যেনেকৈ দিব লাগে, ইমানেই হওঁক আৰু এটা মই কম যিটো আজি হেল্থৰ কাৰণে আমি এটা 3 years Course উলিয়াইছিলো, হয় সেই Course টো লাহেকে গুচাই দিলে। কিন্তু Government of India ই এতিয়া 4 years Course এটা উলিয়াইছে, গাৰলৈ এতিয়া আমাৰ Primary Health বিলাকত কোন যাব, নাযায়। সেইবোৰত নাযায় আনকি Develop States বিলাকত তেওঁলোকেও যোৱা নাই। সেই Course টো যদি, আজি এতিয়া মেডিকেল কাউন্সিলে সেইটো এগ্ৰি কৰিছে। হিমন্ত বিশ্ব শৰ্মাই জানে, কাৰণ তেওঁ হেল্থ মন্ত্ৰী আছিল, আমাৰে আছিল, যিটো আমাৰ আগৰ License set বুলি কয়। আমাৰ যেনে যোৰহাটত

আমাৰ স্পিকাৰ ডাঙৰীয়া আছে, তেতিয়া তেখেতে License set ত আছিল আমি সেই Course ত দিছিলো আৰু সেইবিলাক কামো কৰি আছে এতিয়া। তেতিয়া আমি ৰুৰেল Practitioner বুলি আমি কৰি দিছিলো, বেলেগ ঠাইত Recognised নকৰে আমি কৰিছিলো। সেই Course টো কিন্তু আজি মাৰি পেলাইছে। যিটো প্ৰাইমেৰী বুলি আমি কৈছো। কাৰণ বেছিভাগ গাৱৰ মানুহৰ বেমাৰ কি সেইটোৱে প্ৰমান হৈছে। 4 years যিটো Course আছে, সেই Course টো মই ভাৱো কৰিলে প্ৰাইমেৰি একেবাৰে ভিতৰুৱা, আজি ভিতৰুৱা ঠাইলৈ ক'ত যাব ডাক্তৰ। এম বি বি এছও নাযায়, আজিকালি তাতে নাৰ্চিংহোম ইমান বেছি হৈ গৈছে যে সেয়েহে আমি বিচাৰো যে সেইটোৰ ওপৰটো গুৰুত্ব দিব লাগে আৰু এটা আমি ভাৱো যে এইবাৰ বা পিছত উলিয়ালে ভাল হব খোৱা পানীৰ বাবে যে কেন্সাৰ বেছি হৈ আছে, ফ্লৰাইড আৰু আৰচেনিকে হওঁক কেইটামান বিষয়ৰ ওপৰত যদি আমি গুৰুত্ব নিদিও তেতিয়াহলে health most important, হেল্‌থ যদি আমি কৰি লব নোৱাৰো তেতিয়া হলে productiveহিচাপে বা যি হিচাপে হওঁক আৰু আমাৰ কিছুমান আঁচনি আছিলে, কিছুমান তেখেতসকলে উঠাই দিছে ,কিছু কৰিলেকছু নাই কৰা বুলি কয়, আমি ভাৱো যিবিলাক আঁচনি, এতিয়াও মই ভাৱো আঠুৰা দিয়াতো, বহুতে আমাক ইতিকিং কৰে, কিন্তু আঠু ৰা ই কেনেকৈ আজি মেলেৰিয়াক অসমত চেভ কৰিলে, বা গোটেই South Africa ত তেনেকৈ চেভ কৰিছে। এই আঠুৰা দিয়াটো আমি ৰাজনীতি বুলি কোৱা নাই, আঠুৰাটো কেন্দ্ৰীয় চৰকাৰৰো স্কিম আছিল। আজি আনকি কম্বল দিয়াতো, হাহে বহুতে কয় যে কম্বলৰ ৰাজনীতি কৰি আছে। মই Zefracious ৰ কথাকে কওঁ আপোনালোক তেওঁ World ৰ Top most Economic তেওঁৰে আজি advise টো দিয়ে Sustainable Economic Development আগৰ মিলিয়ন বোৰত তেওঁৰে এডভাইজাৰ। তেওঁৰ এপাৰ্টমেন্টত গৈ মই কল্বম্বিয়া University ত এই কথাকে কৈছিলো। যে মই আঠুৰা দিলো, আঠুৰা দি মানুহজনক মেলেৰিয়াৰ পৰা বচালো, এই মানুহজন প্ৰডাকটিভ হৈ থাকিল। খেতিয়কে হওঁক, শিক্ষকে হওঁ ক, Advocate ই হওঁক আৰু মেলেৰিয়া মহৰ কাৰণে মই মেডিকেল ৰ expenditureৰো কমালো, মইEconomic হয়নে নহয় কওঁক। ঠিক তেনেকৈ মই কৈছো যে মই কম্বল দিলো, কম্বলৰ পৰা বেমাৰ নহয়, জ্বৰ নহয়, প্ৰডাক্টিভ হৈ থাকিব। সূতা দিলে হাহে মোক, সূতা দিয়াৰ পৰা গাৱৰ মানুহে সূতা অলপ পাবৰ কাৰণে কেনেকৈ দৌৰিফুৰে, আপোনালোকৰ সমষ্টিত যদি আছে নাজানো, মোৰ সমষ্টিত হলে বিচাৰি ফুৰে। বাকী বিলাকত অৱস্থাপাতি ভাল হব পাৰে, আমাৰ তাত খুব বিচাৰে। মোৰ তাত কিন্তু বিচাৰিয়ে ফুৰে এতিয়াও, এতিয়াও আহে। কিন্তু তাৰ পৰা মানুহজনৰ কিমান সহায়। মই এটা সৰু উদাহৰণ দিম, সোনাপুৰতে হাহৰ কণী বেচি কেনেকৈ লৰা-ছোৱালী পঢ়াইছে, ডাঙৰ দীঘল কৰিছে সেই কথাটো মই আব্দুল কালাম ৰাষ্ট্ৰপতিক লৈ গৈ দেখাইছো, যে চাওঁক যে দেখাত কিন্তু এইটো সৰু, আমি সেই ধৰণৰ কৈছো। দেখাত কিন্তু সৰু, কিন্তু সৰু সৰু মানুহৰ কাম কৰাবলৈ মই ভাৱো, এই চৰকাৰে কিন্তু সেইটো নাভাৱে, চৰকাৰে কেৱল ভাৱেযে কৰ্পৰেট চেক্টৰটো হোৱাটো, এডভানটেজ অসম কৰি ডাঙৰ ডাঙৰ Industry, Tea Industry is not in sape. কেনেকৈ টাটা ক কৈ ৰাখিলে চেল বন্ধ, আকৌ যিজনে কিনিব তেওঁক কেনেকে কলে নিকিনিব, কোন মন্ত্ৰীয়ে কি কৰিলে। ৰিকুৰেষ্ট কৰিব লগীয়া হ'ল অসম চৰকাৰে। যে এইটো চেল নকৰো নহলে দেখাইযাব পৰা কিনোটা জনকো কব লগীয়া হ'ল। যে আপুনি নিকিনিব এতিয়া। Tea Industry is in very bad sape কি কাৰণে, মোক যদি খোধে। যে Tea Research Institutate ক আজি কেন্দ্ৰীয় চৰকাৰে neglect কৰি আছে। আজি যদি Research নহয়, যদিTea Industry

নহয়, তেতিয়াহলে কি হব আজি অৱস্থা। Tea Industry য়ে আজি বহু দুখ পাইছে, আৰু এটা কথা মই কম মালিক সকলেও যি ধৰণে আজি লিড লব লাগিছিল, সেই প্লেনটেচনত কৰা নাই। তেওঁলোকে আজি আফ্রিকাত ইনভেষ্টমেন্ট কৰি আছে। আফ্রিকাত কৰি আছে সেয়েহে এই Industryটোৰ ওপৰত যদি আমি গুৰুত্ব নিদিও, পিছৰ Research ৰ ওপৰতও গুৰুত্ব দিব লাগে, Diversification ৰ ওপৰত আমি গুৰুত্ব দিছিলো, এই Tea Industry কাৰণে যিকেইটা Industry ৰ Row Material আমাৰ ইয়াত available, যেনেকৈ গেছয়ে হওঁক, বেলেগে হওঁক। কালি কৈছে ঠিকেই, যে আমি ইনভেষ্ট কৰিব লাগে, যেনেকৈ নুমলিগড়ত কৰিছে। সেইকাৰণে কাৰণে নুমলিগড়ৰো এটা প্ৰপোজেল আছে। যে ৩ মিলিয়নৰ পৰা ৯ মিলিয়ন কৰিবৰ কাৰণে। সেইবিলাক ও কেন্দ্ৰীয় চৰকাৰে লব লাগে। যে আমাৰ এনেকুৱা চিন্তা হোৱা নাই। এতিয়াও চলি আছে, যে এইটোত এতিয়া তেওঁলোকে Expand কৰিবলৈ বিচাৰিছে, ৰিফাইনেৰিয়ে profit কৰি আছে। ১০০ বা ১০০০ কোটিতকৈ বোধ হয় বেছি চৰকাৰে পাইছে। সকলোতে ইনভেষ্টমেন্ট কৰিছে, কৈছে কালি। আমি কৈছো এইটোও কৰিব লাগে। থিক তেনেকৈ প্লষ্টিক পাইপৰ ওপৰত আমি গুৰুত্ব দিব লাগে। আজি আমি গেছ ক্ৰেকাৰ কিয় কৰিছো, গেছ ক্ৰেকাৰ টো Polimer কৰি বিক্ৰী কৰিবৰ কাৰণে কৰি একো লাভ নাই। সেইটো new কৰি employment create কৰিব পাৰে। Other wise, he is not economically viable. আমি economically viable কৰিবৰ কাৰণে আমি প্লষ্টিক পাৰ্ক যিখন কৰিছো সেইখনত আজি যিখিনি গুৰুত্ব দিব লাগিছিল সেই গুৰুত্ব দিয়াতো মই দেখা নাই। যদি নিদিয়ে it is very purpose of Industrialization. সেই Industrialization কৰ পৰা আহিব। ঠিক সেই ধৰণে Water Resourcesৰ ওপৰত যিটো গুৰুত্ব দিব লাগিছিল, সেইটো দিয়া নাই। কাৰণ Flood and Erosion এই দুটা হৈছে বেচিক প্ৰবলেম। যিটো কাৰণে আজি অসমৰ economy টো, কাৰণ অসমৰ economy is link up with Agriculture and Agriculture is link up with economy. এতিয়া আমাৰ দিনে দিনে বছৰে বছৰে ৮ হাজাৰ হেক্টৰ মাটি গৈ আছে। মাটি গৈ আছে মানুহৰ সংখ্যা বাঢ়িছে। সেইবাবে Erosion is number one problem. কিন্তু কেন্দ্ৰীয় চৰকাৰে এতিয়াও, আমাৰ চৰকাৰৰ দিনতো মই কম যে আমাক যি ধৰণে গুৰুত্ব দিব লাগিছিল দিব পৰা নাই। মই প্লেনিং কমিচনাৰ লগত যেতিয়া কথা পাতো তেতিয়া measure হয়, কিন্তু যিটো মিজৰ লব লাগে সেইটো নহয়। যিটো measure ত ল'ব লাগে 14th finance Commission ৰ ওপৰত মই সদায় এই কথাটোত লাগি থাকো যে erosion is much more dangerest problem than flood.আমি erosion effected সকলৰ কাৰণেও scheme কৰিছিলো কাৰণ erosion effected মানুহবিলাক landless হৈ যায়। তেওঁলোকৰ একোৱেই নাথাকে। কিন্তু Flood Effected মানুহবিলাকৰ কিছু ক্ষয়-ক্ষতি হলেও মাটিটো তেওঁলোকৰ থাকে আৰু কিছু compensation তেখেতসকলে পায়। বিশেষকৈ ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে থকা মানুহখিনিৰ যি অৱস্থা সেইটো আটাইতকৈ বেয়া। Tea Gardent ত যিটো pay আছিলে তাৰ minimum pay টো আজিলৈকে দিয়া নাই। চৰকাৰ বদলি হোৱাৰ পাছতো তেওঁলোকে আজিলৈকে এইটো পোৱা নাই। আগতে এওঁলোকেই আমাক দোষিছিল ইয়াৰ বাবে। আজি যেতিয়া আমি minimum wage টো কৰিব বিচাৰিছিলো , এওঁলোক court লৈ গৈ stay কৰালে। তেওঁলোকে stay vacate কৰাব লাগে,তেওঁলোকক বাধ্য কৰাব লাগে। কাৰণ minimum wage টো they are bound to give it.মই আৰু

বেছি সময় নলও। মই আশা কৰিছো মন্ত্ৰী ডাঙৰীয়াই যিবিলাক আশ্বাস দিছে সেই আশ্বাসবিলাক যাতে কামত হয়। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী দেবানন্দ হাজৰিকা।

**শ্ৰী দেবানন্দ হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি আমাৰ মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই যিখন বাজেট সদনত দাখিল কৰিলে তাৰ ওপৰত দুষাৰমান ক'ব বিচাৰিছো। প্ৰথম কথা এইখন এখন যুগজয়ী বাজেট বুলি মই কব বিচাৰিছো, কাৰণ ইয়াত যিখিনি পদক্ষেপ লোৱা হৈছে সেইখিনি সমাজৰ একেবাৰে শেষত থকা মানুহজনৰ লৈকে পোৱাকৈ এই বাজেটখন তৈয়াৰ কৰা হৈছে। এই বাজেটখন তৈয়াৰ কৰাৰ কাৰণে এখন বিশাল হৃদয়ৰ প্ৰয়োজন, কৰ্মনিষ্ঠাৰ প্ৰয়োজন আৰু সমাজৰ উন্নতিৰ কাৰণে প্ৰবল ইচ্ছাৰ প্ৰয়োজন। এই বাজেটখনক যুগজয়ী বুলি আৰু এটা কাৰণত কৈছো যে অসমত পোন প্ৰথম বাৰৰ বাবে ডিজিটেল ,পেপাৰলেছ বাজেট প্ৰস্তুত হ'ল। অৱশ্যে লগতে হাৰ্ড কপি এটাও দিয়া হৈছিলে। যোৱা কালি মই এটা চেনেল চাওঁতে দেখিলো যে এই বাজেটৰ ওপৰত কিছু চৰ্চা চলি আছে। সেই চৰ্চা দেখি মোৰ মনত পৰিল ভুপেনদাৰ 'চিকমিক বিজুলী' চিনেমাখন চাই এই চিনেমাখনৰ ওপৰত দিয়া ভুপেনদাৰ এটা মন্তব্য। এই চিনেমাখন চোৱাৰ পিছত যেতিয়া কোনোৱাই নিগেটিভ সমালোচনা কৰিলে , তেতিয়া ভুপেনদাই কলে যে তেখেতে চিনেমাখন চোৱাই নাই আৰু লগুৱাটোক এটা কণ্ডিচনত চিনেমাখন চাবলৈ পঠালে যে ঘুৰি আহি সি তেওঁক চিনেমাখনৰ কাহিনীটো ক'ব লাগিব কাৰণ তেওঁ সমালোচনাৰ টোকাটো লিখিব লাগিব। মই যোৱাকালি টি ভি চেনেলটো খুলোতে দেখিলো যে এফালে কাগজৰ দমটো আৰু আনফালে আমাৰ ডিজিটেল টেপটো দেখুৱাই আছে। তাত কৈ আছিলে যে ডিজিটেল বাজেট কৰি চৰকাৰখনে আভুৱা ভাৰিছে। যদি হয় তেতিয়াহলে ইমানবোৰ কাগজ নষ্ট কৰি কিয় চৰকাৰী টকা অপব্যয় কৰিলে। আৰু যিসকল লোকে আগৰে পৰাই গম পায় যে এইবাৰ বাজেটখন ডিজিটেল হ'ব তেওঁলোকে কৈ আছিলে যে তেওঁলোকক কাগজৰ বাজেটহে লাগে। কিন্তু যোৱাকালি সেই একেখিনি মানুহে তাৰ সমালোচনা কৰি কৈ আছিলে যে, কাগজখিনি প্ৰিণ্ট কৰি চৰকাৰী ধন অপব্যয় কৰিলে। অৱশ্যে স্বাধীন ভাৰতৰ নাগৰিক হিচাপে সমালোচনা কৰা বা কথা কোৱাৰ সকলোৰে অধিকাৰ আছে। এই বাজেটখনত মই দেখা পাইছো যে, ২০১৪ চনৰ ১৯ জুলাই তাৰিখেUnited nations এ যি ১৭ টা স্তম্ভ তৈয়াৰ কৰিছিলে Sustainable Development Growth ওপৰত আৰু এই বাজেটখনে সেই Sustainable Development Growth ক এটা Goal কৰি পদক্ষেপ লোৱা মই দেখিছো। এই ১৭ টা স্তম্ভ হৈছে End of poverty in all forms of everywhere, End hunger, achieve food security and improve nutrition and promote sustainable agriculture, Ensure healthy lives and promote well being for all ages, Ensure inclusive and equitable quality education and promote life-long learning opportunities for all, Achieve gender equality and empower all women and girls, Ensure availability and sustainable management of water and sanitation for all, Ensure excess to affordable, reliable, sustainable and modern energy for all, Promote inclusive and sustainable economic growth, Full and productive empowerment and decent work for all, Bill resilience infrastructure, Promote sustainable inclusive

and sustainable industrialization and foster innovation, Reduce inequality within among countries, Make cities and human settlement inclusive self reliance and sustainable, Ensure sustainable consumption and production pattern, Take urgent actions to combat climate change and its impact, Conserve and sustainable use the oceans, seas and marine resources for sustainable development, Protect, restore and promote sustainable use of territorial eco-system, Sustainably manage forest, Combat desertification and halt and reverse land degradation and halt bio diversity loss, Promote peaceful inclusive societies for sustainable development, Provide excess to justice for all and Bill effective accountability and inclusive institutions at all level, Strengthen the means and implementation and revitalize the global partnership for sustainable development.এই ১৭ টা স্তম্ভৰ ভিতৰত ১ টা স্তম্ভ বাদ দি , সেইটো হৈছে Conserve & Sustainable use of oceans এইটো বাদ দিয়া হৈছে কাৰণ আমাৰ অসমত সাগৰ নাই। এতিয়া প্ৰতিটো স্তম্ভতেই বাজেটখনত টকা নিৰ্দ্ধাৰিণ কৰিছে। আমাৰ লক্ষ্যটো হৈছে যে, ২০৩০ চন পৰ্য্যন্ত আমাৰ সকলোৰে নিজৰ ভৰিত থিয় হ'ব পৰা আৰু এই ১৭ টা goal achieve কৰিব পৰাকৈ। তাৰে প্ৰথম পদক্ষেপ হিচাপে এই বাজেটখন আজি আহিছে আৰু এই বাজেটখন দেখা পাই কিছুমানৰ চকুৰ পোৰনি হৈছে। কিন্তু কথা হ'ল এই বাজেটখনৰ জৰিয়তে আমাৰ সকলো মানুহৰে উন্নতি হ'ব। আমি Sabka sath sabka bikash ৰ ওপৰত বিশ্বাস কৰো। এই বাজেটখনৰ মাত্ৰ ৪ টা কথা মই আলোচনা কৰিব গৈছো।

**সদনত মাননীয় অধ্যক্ষৰ আসনত মাননীয় উপাধ্যক্ষ মহোদয় উপবিষ্ট**

**শ্ৰীদেৱানন্দ হাজৰিকা, (বিহপুৰীয়া)ঃ** প্ৰথম কথা হ'ল শিক্ষা। এই ক্ষেত্ৰত কোনোবা জ্ঞানী মানুহে কৈছিল যে, এটা জাতিক যদি ধ্বংস কৰিব লগা হয়, তেনেহ'লে কোনো Atom Bomb বা Hydrogen Bomb ৰ প্ৰয়োজন নাই। You appoint some bad teachers and have some bad Educational Institutions and it will slowly poison the Nation and its root will be ruined at time. গতিকে কথাটো হৈছে যে শিক্ষাৰ মানদণ্ড, Quality Education ৰ কথা আমি সদায়ে কৈ থাকো কিন্তু কাম একো নকৰো। আমাৰ চৰকাৰখন অহাৰ পিছত আমাৰ শিক্ষামন্ত্ৰী ডাঙৰীয়াই Continuous Comprehensive Evaluation ৰ দ্বাৰা গুণোৎসৱ পাতিলে। গুণোৎসৱ পতাৰ বাবে বহুতে হাঁহিছিল। কিন্তু গুণোৎসৱ পতাৰ পিছতহে স্কুলবোৰত Grade system কৰিলে, স্কুলবোৰৰ বিষয়ে সকলোৰে গম পালে যে ক'ত কি দৰকাৰ হয়। এটা কথা মই আচৰিত পাইছো যে আগতে মই Primary School ৰ কাষত ডাঙৰ ডাঙৰ পানীৰ কিছুমান Reservoir দেখা পাইছিলো আৰু এই Reservoir বোৰ কিহৰ বাবে ৰখা হৈছিল বুলি স্কুলৰ প্ৰধান শিক্ষকক সোধাতে তেওঁ কৈছিল যে এই Reservoir টো Rain Water Harvesting ৰ বাবে ৰখা হৈছে। কিন্তু অসমত Rain Water Harvesting ৰ কোনো প্ৰয়োজন নাই কিয়নো ১৮ ফুট মাটি খান্দিলেই অসমৰ ঠাইত পানী ওলায়। কিন্তু যিবোৰ ঠাইত পানী নোলায় সেইবোৰ ঠাইত Rain Water Harvesting কৰিব পাৰি। পূৰ্বৰ ব্যৱস্থাটো reform কৰিবৰ বাবে আমাৰ চৰকাৰ খনে গুণোৎসৱ পাতিলে

আৰু এই গুণোৎসৱ এতিয়া অন্য ক্ষেত্ৰতো লৈ যাব বিচাৰিছে। কাৰণ ইয়াৰ জৰিয়তে আমি যদি চালি-জাৰি চাওঁ যে আমাৰ শিক্ষা ব্যৱস্থাটো কেনেদৰে চলি আছে, Quality Education impart হৈছে নে নাই, সেইবোৰ চাই finally, য'ত infrastructure লাগে সেই গোটেইবোৰৰ ওপৰত ভিত্তি কৰি আমাৰ চৰকাৰে এই বাজেটত ৯৮০ কোটি টকা ইতিমধ্যে sanction কৰিছে। গতিকে এইটো এটা ডাঙৰ পদক্ষেপ বুলি মই ভাৱো। বাজেটত অন্যান্য ক্ষেত্ৰত যিখিনি টকা দিছে, সেইটো Higher Education য়েই হওঁক বা বিশ্ববিদ্যালয় স্থাপন বা নতুন কলেজ স্থাপনৰ ক্ষেত্ৰতেই হওঁক, সেই বিষয়ে মোৰ ক'ব লগীয়া নাই। কিন্তু, স্কুলৰ শিক্ষাৰ ক্ষেত্ৰত বাজেটত যিটো পদক্ষেপ লৈছে এইটো আমি সদায় মনত ৰাখিব লাগিব আৰু এইটো নিশ্চিত যে Quality Education ৰ ক্ষেত্ৰত ই আমাক এখোজ আগুৱাই লৈ যাব । কাৰণ Quality Education ৰ অবিহনে আমি আমাৰ ল'ৰা-ছোৱালীক আগবঢ়াই নিব নোৱাৰো। আমাৰ অসমৰ ল'ৰা-ছোৱালীয়ে ভালকৈ এখন Application লিখিব নাজানে। I have come across found a Master Degree holder who does not know how to write an application. He did not even sign in the application. I asked him why did not you sign? তেতিয়া তেওঁ ক'লে যে, sign কৰিব লাগিব নেকি? কিয়নো তলত ইতিমধ্যে নাম লিখিছোৱেই। তেতিয়া মই ক'লো যে, হয়, নামটো লিখিলেও sign কৰিব লাগিব। তেতিয়া তেওঁ কয় যে, sign ৰ বাবে ঠাই ৰখাই নহ'ল। তাৰ উত্তৰত মই তেওঁক ক'লো যে if you do not sign, I shall not accept this application. তাৰ পিছত তেওঁ আবেলি application খন লিখি আনে, য'ত মই দেখিবলৈ পাওঁ যে তেওঁ '-ইতি'ৰ ওপৰতে চহী কৰি লৈ আনিছে। So this is the quality of Education we have got during last so many years and now because of this reform called "Gunotsav", আমি আশা কৰিছো যে Quality Education ৰ দিশত ই এটা growth আনিব আৰু আমাক এখোজ আগবঢ়াই লৈ যাব। immediate measure কৰি ৯৮০ কোটি টকাৰ আৱণ্টন দিয়াৰ বাবে অসম চৰকাৰ, বিত্ত মন্ত্ৰী তথা শিক্ষা মন্ত্ৰী ডাঙৰীয়াক মই ধন্যবাদ জ্ঞাপন কৰিছো। শিক্ষা ক্ষেত্ৰত ই এটা ডাঙৰ পদক্ষেপ।

ইয়াৰ পিছত, Hospital বোৰতো যেতিয়া গুণোৎসৱ হ'ব আৰু এইটো হোৱাটো জৰুৰী কাৰণ যাৰ স্বাস্থ্য ভাল নহয় তাৰ একোৱেই ভাল নহয়। শিক্ষাৰ লগতে স্বাস্থ্যৰো প্ৰয়োজন। গতিকে স্বাস্থ্য ক্ষেত্ৰত গুণোৎসৱ হ'লে প্ৰতিখন Hospital ত কি কি প্ৰয়োজনীয়তা আছে সেইবোৰ গম পোৱা যাব। Hospital বোৰত কেৱল ডাক্তৰ দিলেই নহ'ব তাত অন্য বস্তুৰো প্ৰয়োজন হয়। আজি সদনত বহুতে ইতিমধ্যে প্ৰশ্ন কৰিছে আৰু মই মোৰ সমষ্টিৰ ক্ষেত্ৰতো কৈছো যে তাত ডাক্তৰ নাই। কিন্তু, ডাক্তৰ নথকাৰ কাৰণটো মই বুজি পাইছো আৰু সেই কাৰণে মই স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক এই বিষয়ে নকওঁ। এতিয়া কথাটো হৈছে যে কেৱল ডাক্তৰ দিলেই নহ'ব। Infrastructure facilities বা অন্যান্য equipment বোৰৰ ব্যৱস্থা কৰিব লাগিব। এতিয়া, Digital X-Ray Machine ৰ ব্যৱস্থা কৰি দিয়া হৈছে কিন্তু X-Ray Machine চলোৱা মানুহ নাই। প্ৰসূতিৰ বাবে room, equipment আছে কিন্তু প্ৰসূতি ডাক্তৰ নাই। এই গোটেইবোৰ কথা চালি-জাৰি চোৱাটো উচিত কাৰণ চৰকাৰ খনে Hospital ৰ যেতিয়া গুণোৎসৱ পাতিব তেতিয়া আমাৰ স্বাস্থ্য খণ্ডত quality health check-up ৰ এটা ধাৰা আৰম্ভণি হোৱাটো নিশ্চিত । গতিকে এই বিষয়ে বাজেটখনত ৰখাৰ বাবে মই বিত্ত মন্ত্ৰী ডাঙৰীয়াক আপোনাৰ যোগেৰে ধন্যবাদ

জনাইছো।

ইয়াৰ পিছত, আনটো বিষয় হ'ল কৃষি। অসমৰ ৮০% মানুহেই কৃষিজীৱি। কিন্তু কৃষি কোনে কৰে ? আজি আমাৰ সমাজত যিটো শিক্ষা ব্যৱস্থা হ'ল, ইমান দিনে এই শিক্ষা ব্যৱস্থাৰ যোগেৰে হালোৱাও নহ'লো, জালোৱাও নহ'লো ধৰণৰ এচামৰ সৃষ্টি হ'ল যিয়ে খেতি কৰিবলৈ বা দৈনিক মজুৰি কৰিবলৈ লাজ পায়, অথচ বাহিৰত গৈ চকীদাৰী কৰিবলৈ ভাল পায়। এই লাজ বস্তুটো আমাৰ মনত সুমুৱাই দিয়াৰ বাবে, আমাৰ শিক্ষা ব্যৱস্থাত Quality Education নথকাৰ বাবে, আত্ম-নিৰ্ভৰশীল হ'ব পৰা শিক্ষা নোহোৱাৰ বাবে আজি আমাৰ ল'ৰা-ছোৱালীবোৰ জাকে-জাকে গৈ বাহিৰত চকীদাৰ বা অন্যান্য সৰু সৰু কামত নিয়োগ হৈ আছে। কিন্তু এই বাজেটখনত বহিৰাগত ৰাজ্যত নিয়োজিত হৈ থকা লোক সকলক ঘূৰাই অনাৰ ব্যৱস্থা কৰা হৈছে। Skill Development ৰ বাবে টকা-পইচা দিছে আৰু এই Skill Development ৰ জৰিয়তে সৰু-সুৰা কামবোৰ আমাৰ ল'ৰা-ছোৱালীৰ হতুৱাই কৰাই বা কৃষি ক্ষেত্ৰত কৃষিৰ কামবোৰ তেওঁলোকৰ হতুৱাই কৰাই আমাৰ মাজত ৰাখিব পাৰো। কৃষিৰ ক্ষেত্ৰত Soil Testing ৰ কথা কোৱা হৈছে। সভাপতি মহোদয়, এইখিনিতে মই এটা কথা ক'ব বিচাৰিছো যে মোৰ চাকৰি জীৱনত মই বহুত ঠাই ঘূৰি ফুৰোতে মই গোৱালিয়ৰৰ পৰা ৬৫ কিঃমিঃ আঁতৰত থকা এখন ঠাইলৈ গৈছিলো আৰু তাৰ চাৰিওফালে মই চয়াবিনৰ খেতি দেখিবলৈ পাইছিলো। তেতিয়া মই সেই ঠাইৰ স্থানীয় কৃষক এজনক সুধিছিলো যে এই মাটিখিনিত যিহেতু চয়াবিনৰ খেতি কৰিছে গতিকে এই মাটিখিনি ধান খেতিৰ বাবেও নিশ্চয় উপযোগী। তেতিয়া তেওঁ ক'লে যে - আমি এসময়ত ইয়াত ধানৰ খেতি কৰিছিলো। কিন্তু ধানৰ উৎপাদন কৰিবলৈ আমাক যথেষ্ট পানীৰ প্ৰয়োজন আৰু আমাৰ ইয়াত পানীৰ অভাৱ আছে। তা ৰোপৰি আমি যিটো production বা সেই উৎপাদিত ধানৰ যি বিক্ৰীমূল্য আশা কৰো সেইমতে নাপাওঁ। তাৰ পিছত তেওঁ ক'লে যে কৃষি বিভাগৰ মানুহে Soil Testing কৰি আমাক ধান খেতিৰ পৰিৱৰ্তে বেলেগ খেতি কৰিবলৈ ক'লে আৰু আমাক চয়াবিনৰ খেতি কৰিবলৈ উপদেশ দিলে। গতিকে আজি সেই চয়াবিনৰ খেতি কৰা কৃষক সকলে কৈছে যে, We are now getting 10 times more yield than before. গতিকে আমাৰ অসমত যি সকল কৃষি বিভাগৰ মানুহ আছে তেওঁলোক অফিচত বহি থকাৰ বাবে field ত নাযায়। মই যিটো আঁচনি দেখিছো তাত যদি কৃষি বিভাগৰ বিজ্ঞানী সকলে খেতি-পথাৰলৈ গৈ Soil Testing কৰি কৃষক সকলক উপযুক্ত খেতি সম্পৰ্কত উপদেশ দিয়ে তেনেহ'লে তেওঁলোক sustain কৰিব আৰু তেওঁলোকৰ income বাঢ়িব আৰু তেওঁলোক খেতিৰ প্ৰতি আকৰ্ষিত হ'ব। আমাৰ মাজৰ পৰাই বহু যুৱক-যুৱতী এই কৃষি কৰ্মৰ দ্বাৰা আত্ম-নিৰ্ভৰশীল হোৱা আমি দেখা পাইছো আৰু এই বাজেটখনত তাৰ scope দিয়াৰ বাবে মই মাননীয় বিত্ত মন্ত্ৰীক অশেষ ধন্যবাদ জনাইছো। আন এটা কথা যিটো মই আগতেও সদনত কৈছিলো আৰু ইয়াক পুনৰবাৰ ক'ব বিচাৰিছো যে হাজাৰ হাজাৰ ল'ৰা-ছোৱালী যেতিয়া ৭-৮ হাজাৰ টকাৰ দৰমহাত হায়দৰাবাদ, বাংগালুৰুত গৈ কাম কৰি থাকে, কেতিয়াবা তেওঁলোকৰ ওচৰত ঘৰলৈ আহিবৰ বাবে ৰে'লৰ টিকট কৰিবলৈ টকা হাতত নাথাকে আৰু ঘৰলৈ পইচা পঠিওৱাতো দূৰৰে কথা সেই ল'ৰাবোৰে পৰিয়াল গঢ়িব নোৱাৰিব, বিয়া পাতিব নোৱাৰিব। বিয়া পাতিলেও তেওঁৰ পত্নীক শাৰী এখন দিয়াৰ বাবে হাতত পইচা নাথাকিব যাৰ ফলত ইয়াত generation gap এটা আহিঁ যাব আৰু এইটো encash কৰিব আন কোনোৰে। গতিকে এই কৃষি ক্ষেত্ৰত বাজেটৰ যোগেৰে চৰকাৰে যি পদক্ষেপ লৈছে, এই ক্ষেত্ৰত আমি ভাৱো যে আমি আমাৰ ল'ৰা-ছোৱালীক ওচৰৰ ৰে'লৰে ষ্টেশ্যনত বহি হায়দৰাবাদ,

মুম্বাই, চেন্নাইত গৈ চকীদাৰী কৰিবলৈ পঠিয়াব নালাগিব। তাৰ বাবে পদক্ষেপ লোৱাৰ লগতে Skill Development ৰ বাবে টকা দিয়াৰ বাবে ধন্যবাদ জনাইছো। স্বাস্থ্য ক্ষেত্ৰত মই আকৌ এটা কথা কৈছো, আমাৰ ২ লাখ টকা পৰ্যন্ত যিবোৰ Health Card দিয়াৰ ব্যৱস্থা কৰিছে এই Health Card ৰ যোগেৰে মানুহ যথেষ্ট উপকৃত হ'ব। আমি ঘৰত থাকিলে যেতিয়া ৰাইজ সকল স্বাস্থ্যৰ সম্পৰ্কত আমাৰ ওচৰলৈ আহে তেতিয়া দেখিবলৈ পাওঁ যে এনেধৰণৰ কিছুমান দুখীয়া মানুহ আছে যাৰ দৰৱ কিনিবলৈ ৫০০ টকাও নাথাকে। শ্বহীদ আঁচনিৰ যোগেৰে আমি সেইখিনি সুবিধা দিব পাৰিছো। অটল অমৃত অভিযানৰ কাৰ্ড সমূহ অহা এপ্ৰিল মাহত সক্ৰিয় হ'ব বুলি যোৱা কালি ঘোষণা কৰিছিল । গতিকে, ইয়াৰ দ্বাৰা যি সকল মানুহ এই ৬ টা বিভিন্ন বেমাৰত, যি কেইটা বেমাৰৰ বিষয়ে আপোনালোকে ইতিমধ্যে জানেই, এই বেমাৰত তেওঁলোকে অসম চৰকাৰৰ পৰা ২ লাখ টকা পৰ্যন্ত বিনামূলীয়া চিকিৎসা পাব আৰু এনেকুৱা এখন অভিলাসী আৰু বৃহৎ আঁচনি পৃথিৱীত ক'তো নাই। এই আঁচনি খনৰ বিষয়ে চিন্তা কৰাৰ বাবে, স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই এই বিষয়ত পদক্ষেপ লোৱাৰ বাবে আৰু বাজেটত টকা খিনি দিয়াৰ বাবে মই বিত্ত মন্ত্ৰী ডাঙৰীয়াক অশেষ ধন্যবাদ জনাইছো। আমাৰ সমাজ ব্যৱস্থাত বহুতো মহিলা unmarried হৈ থাকে। তেওঁলোকে যেতিয়া গাভৰু হৈ থাকে ঘৰত ককায়েক ভায়েক বিলাকৰ পৰিয়াল তেনেকৈ নহয়। তেতিয়া এখন সুখৰ সংসাৰ হয় আৰু যেতিয়া মাক বাপেক স্বৰ্গগামী হয় আৰু ল'ৰা বিলাকে বিয়া পাতি তেওঁলোকৰ ল'ৰা ছোৱালী হয় তেতিয়া সেই ছোৱালী গৰাকীৰ যি দুৰ্দশা হয় মই বহুত তেনেকুৱা মহিলা দেখা পাইছো। তেওঁলোকে কোনো ফালৰ পৰা একো সহায় সুবিধা নাপায়। গতিকে সেইসকলৰ বাবে যেতিয়া পেঞ্চনৰ ব্যৱস্থা কৰিছে এইটো কিন্তু এটা অতি আদৰণীয় পদক্ষেপ আৰু তাৰ বাবে মই বিত্ত মন্ত্ৰী ডাঙৰীয়াক এই সদনত আপোনাৰ যোগেদি ধন্যবাদ জনাইছো। ইয়াৰ ওপৰিও বৃদ্ধ পেঞ্চনৰ নামত যি ৰাজনীতি চলি আছিল সেইটোৰ অৱসান ঘটাবৰ বাবে এই বাজেটত এটা পদক্ষেপ লোৱা হৈছে। বৃদ্ধ পেঞ্চনৰ ক্ষেত্ৰত অঙহী বঙহী বিলাকক লৈ বহুলোকে ইমানদিনে ৰাজনীতি খেলি আছিলে। কিন্তু এতিয়া সকলোৰে বৃদ্ধ পেঞ্চন পাব। এইটোও এটা অতি আদৰণীয় পদক্ষেপ। ইয়াৰ বাবেও মই বিত্তমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। ইয়াৰ উপৰিও আৰু এটা ডাঙৰ পদক্ষেপ আমাৰ স্বাস্থ্য ক্ষেত্ৰত ললে। কেঞ্চাৰ বেমাৰৰ ক্ষেত্ৰত। আমাৰ অসমত কেঞ্চাৰ হস্পিতাল কেৱল গুৱাহাটীতহে আছে। দুখীয়া মানুহে সেই treatment ৰ re-imbursement পালেও তেওঁলোকে প্ৰথমতে বাছৰ টিকেট কৰিবলৈও পইচা নাথাকে। 1st stage ত দেখুৱাব নোৱাৰাৰ কাৰণে কেতিয়াবা গৈ 3rd stage পাই তেওঁলোক মৃত্যু মুখত পৰে। গতিকে আজি ১১ খন জিলাত Tata Memorial Hospital ৰ মাধ্যমেৰে Tata trust ৰ যোগেদি ৮৩০ কোটি টকা Tata ৰ আৰু ১০৮০ কোটি টকা আমাৰ অসম চৰকাৰৰ পৰা লৈ ১১ খন জিলাৰ ১১ খন হাস্পতালত cancer centre খুলিব। এইটোৱে আমাৰ অসমীয়া ৰাইজক বহু উপকৃত কৰিব। কাৰণ অসমত আজি কেঞ্চাৰৰ পয়োভৰ খুব বেছি হৈ পৰিছে। এইটো নানান কাৰণত হ'ব পাৰে, that can be decided by the doctor why people are suffering from cancer. ইয়াৰ পিছত বৃদ্ধ পেঞ্চনৰ কথা মই আপোনাক কৈছোৱেই। দিব্যাংগ সকল সদায় অৱহেলিত হৈ আছে। আজি দিব্যাংগ সকলৰ বাবে এটা scheme উলিয়াইছে যে প্ৰত্যেক মাহে এহেজাৰকৈ বছৰকেত ১২ হাজাৰ টকা দিব্যাংগ সকলক ভাত্তা দিবলৈ লৈছে। গতিকে দিব্যাংগ সকলে আজি বেলেগৰ ওচৰত হাত নপতাকৈ নিজেই প্ৰত্যেক মাহে এহেজাৰ টকাকৈ যিটো ভাত্তা পাব সেই পইচাৰ পৰা তেওঁলোক নিশ্চয় উপকৃত হ'ব। আত্ম সহায়ক গোট বিলাকক আগতে একলাখ আছিল,

এতিয়া ১ লাখ ২৬ হাজাৰকৈ আত্ম সহায়ক গোটক পইচা দিয়াৰ বাবে আমাৰ চৰকাৰে এই বাজেট খনত ৰাখিছে। Minority girls student বিলাকক খুব কম সময়তে তেওঁলোকৰ বিয়া হৈ যোৱা দেখা যায়। মই দেখিছো যে সিদিনাখন এজনী ছোৱালী ১৫ বছৰ বয়সতে কোনোৱাই পলুৱাই লৈ গুছি গ'ল। মেট্রিক দিছে। মাকে ক'লে কেৱল ১৫ বছৰ হৈছেহে। তাইক লৈ গুছি গ'ল। ঠিক তেনেধৰণৰ কথা থাকে আৰু সেইবিলাক উচ্চ শিক্ষাৰ ক্ষেত্ৰত বেছি আকৃষ্ট নহয় বহু ঠাইত। সেইকাৰণে এই Minority girls student বিলাকক তেওঁলোকক scholarship দিছে যাতে তেওঁলোকে গৈ উচ্চ শিক্ষা পাব পাৰে। আমাৰ ব্ৰহ্মপুত্ৰ আৰু বৰাক এই দুখন নদী চীনৰ হোৱাংহো নদীৰ দৰে। হোৱাংহো নদীক চীনৰ sorrow বুলি কৈছে। কাৰণ বানপানীয়ে জুৰুলা কৰি হোৱাংহো নদীয়ে চীন দেশক জ্বলাকলা কৰিছিলে। এতিয়া চীনদেশে হোৱাংহো নদীখনক control কৰিছে now it is not a sorrow but Huang He is boon of China. চীনৰ কাৰণে এটা আৰ্শীবাদ স্বৰূপ হৈ পৰিল হোৱাংহো নদাখন। আমাৰ ব্ৰহ্মপুত্ৰ খনক যদিও আমি পূজা কৰি থাকো এই বিশাল ব্ৰহ্মপুত্ৰখন নহ'লে আমাৰ অসমৰ জীৱন নিৰ্বাহৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সৃষ্টি হ'ব। without Brahmaputra we can not think of Assam. Without Barak we can not think of Assam that means Barak Valley. গতিকে এই নদী দুখনে কেতিয়াবা ত্বৰান্বিত হোৱাৰ পিছত গভীৰতা নোহোৱাৰ কাৰণে বানপানী খুব বেছি হৈ গৈছে আৰু সেইবাবে বহু কৃষকে জ্বলাকলা খাইছে আৰু গড়াখহনীয়াৰ বাবে মানুহৰ বহুতো কৃষিভুমি ইতিমধ্যে পানীত জাহ গৈছে। এইটো নিয়ন্ত্ৰণৰ কাৰণে এতিয়া dredger ৰে ব্ৰহ্মপুত্ৰৰ খনন কাৰ্য্য, ব্ৰহ্মপুত্ৰৰ নিয়ন্ত্ৰণ কৰি যাতে হোৱাংহোৰ নিচিনাকৈ Brahmaputra is the boon of Assam বুলি যাতে আমাৰ পাছৰ প্ৰজন্মই ক'ব পাৰে তাৰ এটা ব্যৱস্থা কৰা হৈছে। বৰাকত ইতিমধ্যে খনন কাৰ্য্য আৰম্ভ হৈছে আৰু ২৫০ কোটি টকা ইতিমধ্যে বাংলাদেশক আগৰ খিনি খান্দিবৰ কাৰণে দিয়া হ'লে আৰু এইটোৱেই কেৱল ব্ৰহ্মপুত্ৰৰ পানীৰ বহন ক্ষমতাটোৱে নহয় আমাৰ commercial sector ত সহায় কৰিব। গতিকে এই পদক্ষেপ বিলাক আমাৰ চৰকাৰৰ আৰু বাজেটত যি সংমিশ্ৰণ কৰিছে এইবিলাকে সঁচাকৈয়ে আমাক বহুত সহায় কৰিব যেনেকৈ আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই এই খনক সৰ্বস্পৰ্শী আৰু সৰ্বব্যাপী বাজেট বুলি কৈছে। ইয়াৰ লগতে আমাৰ বাজেটখনত তেখেতে কৈছে যে উদ্দেশ্যটোৱে হৈছে একত্ৰীকৰণ, সম্প্ৰসাৰণ আৰু উত্তৰণ। এই বাজেটৰ যোগেদি যিমানবিলাক স্তম্ভ ধৰা হৈছে সিমান খিনি মই যদি দুদিনো কৈ থাকো শেষ নহয়। কাৰণ ইয়াত explain কৰি ক'ব লাগে আৰু এইবিলাক কথাই আমাৰ অসমৰ প্ৰতিজন নাগৰিকক যে আকৃষ্ট কৰিব বা তেওঁলোকক সুবিধা দিব এইটোত কোনো দ্বিমত নাই। ইয়াত আমাৰ সন্মানীয় বিৰোধী সকলে যিমানেই সমালোচনা নকৰক কিন্তু তেখেত সকলো ইয়াৰ দ্বাৰা উপকৃত হ'ব এইটো তেখেত সকলে ধৰি লোৱাটো উচিত। প্ৰথম পদক্ষেপত poverty line ৰ ক্ষেত্ৰত আমাৰ বাজেটখনত ৫৫ কোটি ৮০ লাখ টকা ভোক নিবাৰণৰ কাৰণে ১০৫.২৭ কোটি টকা inchesive আৰু quality education ৰ ২২৬.৬৫ কোটি টকা, gender equality আৰু empowerment of women and girls ৰ বাবে ১৫০ কোটি , এনেদৰে যিখিনি টকা আৱণ্টন কৰিছে এই টকাখিনি মই আশা কৰো বিগত দিনবোৰত আমাৰ সমাজখনক এটা অতি সুন্দৰ পথেৰে লৈ যাব বুলি এই বাজেটখনৰ যোগেদি মই আশা কৰিছো। অসমৰ বাঁহৰ ক্ষেত্ৰত এষাৰ কথা আছে " যাৰ নাই বাঁহ তাৰ নাই সাহ" এই বাঁহৰ দ্বাৰা যিখিনি আমি উদ্যোগ কৰিব পাৰো তাৰ কাৰণেও এই বাজেটখনত বহু স্কোপ ৰাখিছে। তাৰ কাৰণে মই বিত্তমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। ঠিক তেনেদৰে আমাৰ

এই বাজেটখনত যিমানবিলাক দফা আছে মই যদি এটা এটাকৈ কৈ যাব বিচাৰো তেতিয়া হ'লে বহুত বেছি সময় লৈ ল'ব আৰু মোৰ সতীৰ্থ বহুতে এই বাজেটৰ ওপৰত ক'ব গতিকে I do not want to be selfish সেইকাৰণে আজি মই এই বাজেটখন সুন্দৰকৈ ইয়াত আমাৰ চৰকাৰে উপস্থাপন কৰাৰ কাৰণে আৰু আমাৰ বাজেটখনৰ যোগেদি আমাক আশাৰ সঞ্চাৰ কৰাৰ কাৰণে মই আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াকবহুত বহুত ধন্যবাদ জনাইছো আৰু ভাৱিছো ইয়াত বহুতো ক্ষেত্ৰত আমি তেখেত সকলৰ লগত আলোচনা কৰিম যে ইয়াত আমি আৰু বহুতো পদক্ষেপ ল'ব পাৰিম। যিখিনি টকাৰ আবণ্টন দিছে তাৰে আমি সুন্দৰকৈ কামখিনি কৰিব পাৰিম। গতিকে মই বিৰোধী পক্ষৰ ফালৰ পৰা যোগাত্মক সমালোচনাহে বিচাৰিছো। যাতে আমি এই যোগাত্মক সমালোচনাৰ দ্বাৰা আগন্তুক দিন বিলাকত এখন সৰ্বাংগ সুন্দৰ অসম তথা উন্নয়ন মূলক অসম গঢ়িব পাৰো আৰু যি উদ্দেশ্যৰে এই বাজেট খন প্ৰস্তুত কৰা হৈছে এইটো যাতে আমি achieve কৰিব পাৰো তাৰ কাৰণে সকলোৰে সহায় বিচাৰি আৰু মোক এই দুআষাৰ ক'ব দিয়াৰ বাবে ধন্যবাদ জনাই মই মোৰ বক্তব্যৰ সামৰনি মাৰিছো। ধন্যবাদ।

Hon'ble Deputy Speaker : Thank you. Shri Aminul Islam ডাঙৰীয়া।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যিটো বাজেট কালি বিত্ত মন্ত্ৰী মহোদয়ে সদনত দাখিল কৰিলে, এই বাজেট খনৰ ওপৰত বহুতে বহু ধৰণৰ মন্তব্য কৰি আছে, বহুতে কৈছে আশাৰ বাজেট। উত্তৰণ, সম্প্ৰসাৰণ আৰু একত্ৰীকৰণৰ বাজেট, সপোনৰ বাজেট। বহুতে কৈ আছে এইটো চমক সৃষ্টি কৰা বাজেট। যিয়ে নহওঁক, কথাবিলাক কোৱা বা হয়তো আজি ৰুলিং পাৰ্টিৰ বা বিৰোধী দলৰ সদস্যসক লে নিজৰ নিজৰ দৃষ্টি ভংগীৰে আৰু হয়তো ৰাজনৈতিক বাধ্যবাধকতাৰে মন্তব্যবিলাক কৰিব। কাৰণ, একেগৰাকী বিধায়ক যেতিয়া এফালে বহে, তেওঁ কথাবিলাক এটা লিমিটত কব লাগিব। সেইফালে বহিলে একেখন বাজেটৰ একেটা বিষয়ৰ ওপৰত কথাৰ সুৰটো বেলেগ হ'ব লাগিব। ৰাজনৈতিক বাধ্যবাধকতা এটা থাকে। গতিকে উপাধ্যক্ষ মহোদয়, কথাটো মই কোৱাৰ আগতে মই এটা বিষয়ৰ ওপৰত আপোনাক দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে, বাজেটখন কেৱল এইখনক লৈ আমি ৰাজনৈতিক সমালোচনা, আত্মসমালোচনা কৰি থাকিম বা ৰাজনৈতিক আক্ৰমণ প্ৰত্যাক্ৰমণ, আত্মৰক্ষা কৰি থাকিম এইটো নহয়। বাজেটখন অসমৰ ৩ কোটি ৩০ লাখ জনসাধাৰণৰ ভৱিষ্যত নিৰ্ভৰ কৰা এটা আহিলা। আৰু এই বাজেটৰ ওপৰত নিৰ্ভৰ কৰিব আগন্তুক দিনৰ আমাৰ ৰাজ্যখনৰ বিত্তীয় অৱস্থা, জনসাধাৰণৰ উন্নয়ন, ৰাজ্যখনৰ সামগ্ৰিক অগ্ৰগতি। উপাধ্যক্ষ মহোদয়, আপোনাক মই এটা সৰু উদাহৰণ দিব বিচাৰিছো। পশ্চিম বংগত কংগ্ৰেছৰ এজন মুখ্যমন্ত্ৰীয়ে বাজেট নিৰ্ধাৰণৰ আগে আগে তেখেত চেম্বাৰত বহি থাকোতে কেই গৰাকীমান কেবিনেট মন্ত্ৰী গৈ বহি আছিলে বাহিৰত বাজেট সংক্ৰান্তত আলোচনাৰ বাবে। তেওঁলোকে নিজৰ নিজৰ বিভাগৰ এলোকেশ্যনটো বঢ়াই দিবৰ বাবে। কথাবিলাক মুখ্যমন্ত্ৰীক অৱগত কৰিব নিজৰ নিজৰ বিভাগৰ পৰা প্ৰপ'জেলবিলাক লৈ তেখে ত সকলে গৈ বহি আছে মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি কথাবিলাক জনাব। সেই সময়ত কেবিনেট মন্ত্ৰী সকল বহি থকা অৱস্থাত তাতে গৈ উপস্থিত হ'ল বিৰোধী দলৰ দলপতি জ্যোতি বসু। তেতিয়া তেখেত চি পি এম দলৰ বিৰোধী দলৰ সদস্য আছিলে। আৰু ভিতৰৰ পৰা মুখ্যমন্ত্ৰী মহোদয়ে কথাটো গম পালে যে, জ্যোতি বসু আহিছে। লগে লগে জ্যোতি বসুক আহিব দিলে। আৰু ভিতৰত জ্যোতি বসুৰ লগত প্ৰায় ৩ ঘণ্টা সময় আলোচনা কৰিলে মুখ্যমন্ত্ৰী মহোদয়ে আৰু তেতিয়া বাহিৰত বহি থকা কেবিনেট মন্ত্ৰী সকলে তেওঁলোক অলপ বিৰক্ত হ'ল যে আমি একেখন চৰকাৰৰ অংশীদাৰ হৈয়ো কেবিনেট মন্ত্ৰী হৈ আমি ৩ ঘণ্টা বহি আছো, আমাক পাত্তা

নিদিলে আৰু ভিতৰত যাব নিদিলে। বিৰোধী দলৰ সদস্য জ্যোতি বসু আহি বহিব লগাও হোৱা নাই, লগে লগে মুখ্যমন্ত্ৰীয়ে তেওঁক ভিতৰত সোমাব দিছে। ভিতৰত ৩ ঘণ্টা তেওঁৰ লগত কথা পাতি আছে। আমি কেবিনেট মন্ত্ৰী সকলে বোন্দাপৰ দি আছো। তেওঁলোকে অলপ অসহিষ্ণুতা পদৰ্শন কৰিলে। তাৰ পাচত যেতিয়া জ্যোতি বসু ওলাই গ'ল, তেতিয়া সেই কেবিনেট মন্ত্ৰী সকলে মুখ্যমন্ত্ৰীক অভিযোগ দিলে যে, আমি আপোনাৰ চৰকাৰৰ কেবিনেট মন্ত্ৰী হৈ ৩ ঘণ্টা বাহিৰত বহি আছো । বিৰোধী দলৰ সদস্যৰ লগত আপুনি ৩ ঘণ্টা কথা পাতিলে, আমাক আপুনি পাত্তা নিদিলে। তেতিয়া মুখ্যমন্ত্ৰীজনে কৈছে, শুনক আপোনালোক আহিছে নিজৰ নিজৰ স্বাৰ্থত , নিজৰ নিজৰ কাৰণে। নিজৰ বিভাগত ফাণ্ড বঢ়াব লাগে। এই কথাবিলাক কবলৈ আহিছে। আৰু জ্যোতি বসু আহিছে গোটেই পশ্চিম বংগৰ স্বাৰ্থত। পশ্চিম বংগত কি Strategy লব লাগিব, কি অৰ্থনৈতিক সিদ্ধান্ত লব লাগিব, আমা ৰ পৰিকল্পনা কি হ'ব। বাজেটত দৰিদ্ৰ জনসাধাৰণৰ কথাবিলাক কেনেকৈ আমি প্ৰতিফলিত কৰিব পাৰিম, কোন চেক্টৰত কেনেকৈ লাভান্বিত কৰিম, কি অৰ্থনৈতিক সিদ্ধান্ত ললে, কি পৰিকল্পনাৰে বাজেট প্ৰস্তুত কৰিলে দৰিদ্ৰ জনসাধাৰণ উপকৃত হ'ব, উদ্যোগীকৰণ সম্ভৱ হ'ব, শিক্ষাৰ ক্ষেত্ৰত সমস্যাবিলাক সমাধা হ'ব, কেনেকৈ পশ্চিম বংগক আমি এখন আদৰ্শ ৰাজ্যলৈ ৰূপান্তৰিত কৰিব পাৰিম, সেই কথা বিলাক লৈ আহিছে জ্যোতি বসুৱে। আপোনালোক আহিছে নিজৰ নিজৰ কথালৈ, নিজৰ স্বাৰ্থত। গতিকে আপোনালোকক বহাই থৈ জ্যোতি বসুৰ লগত ৩ ঘণ্টা আলোচনা কৰিলো। এইটো আছিল মানসিকতা। আৰু মানসিকতাটো এই কাৰণেই আছিল যে, আমি যেতিয়া এটা বাজেট প্ৰস্তুত কৰিম, বা ৰাজ্যৰ কোটি কোটি জনসাধাৰণৰ ভৱিষ্যত, তেওঁলোকৰ উন্নয়ন, তেওঁলোকৰ আবেগ অনুভূতি, আশা আকাংশা ৰূপায়ণ কৰা এটা সিদ্ধান্ত আমি যেতিয়া লম, তাত কেৱল আমি এই বাজেটক এটা নামাকৰণ দিলেই নহ'ব যে এইটো কৌশলিক বাজেট, নিৰ্বাচন মুখী বাজেট, জনমুখী বাজেট, জনবিৰোধী বাজেট, এইবিলাক কথা কলে নহ'ব। আমি তাত প্ৰত্যেকেই সুক্ষ্মভাৱে পৰ্য্যবেক্ষণ কৰিব লাগিব যে, আমি জনসাধাৰণৰ আশা আকাংশা কিমান প্ৰতিফলিত কৰিব পাৰিছো। অসমবাসী কিমান পৰিমাণৰ লাভান্বিত হ'ব, নিৰ্বাচনত কাৰ লাভ-লোকচান হ'ব, সেইবিলাক কথাই যদি মুখ্য উদ্দেশ্য হয়, তেনেহ'লে নিশ্চয় এই বাজেটৰ দ্বাৰা আমাৰ অসমবাসীৰ আবেগ অনুভুতি আশা-আকাংশা পুৰণ নহ'ব। মাননীয় উপাধ্যক্ষ মহোদয়, আমি যিখন বাজেট দেখা পালো, নিঃসন্দেহে বাজেটত কেইটামান ভাল কথাও আছে। তাৰ কাৰণে আমি বিত্ত মন্ত্ৰী মহোদয়ক ধন্যবাদ দিব লাগিব। কিন্তু এনেকুৱা বহু জলন্ত সমস্যা আছে অসমত য'ত বাজেটত দৃষ্টিকটুভাৱে উপেক্ষা কৰা হৈছে। এই কথাটো আমি অতি পৰিতাপৰে নিৰীক্ষণ কৰি আছো। বহুকেইটা জলন্ত সমস্যা অতি দৃষ্টিকুটভাৱে উপেক্ষা কৰা হৈছে। এই কথাবিলাকো আমি চালি-জাৰি চাব লাগিব। কেৱল ৰাজনৈতিক উদ্দেশ্যৰে ভাষণ দিলেই বা সমালোচনা, প্ৰসংশাা কৰিলেই নহ'ব। প্ৰথমতে আমি চাব লাগিব, এই বাজেটখন এখন সুস্থ বাজেট হৈছেনে নে নাই? আমি যদি বিগত ৫ বছৰৰ বাজেট পৰ্য্যালোচনা কৰো, তেনেহ'লে দেখা পাম, ২০১৫-১৬ বৰ্ষত যিটো বাজেট গ্ৰহণ কৰা হৈছিলে, তাত যিটো প্ৰথম বাজেটৰ এষ্টিমেট আছিলে, বাজেট এষ্টিমেটৰ পাছত আকৌ ৰিভাইচ বাজেটৰ পাছত যিটো একচুৱেল ফিগাৰটো তাত আহিছিলে, সেই একচুৱেল বাজেটটো আছিল এনেকুৱা তাত ৰেভিনিউ Receipt ৰ হেডত আছিলে ৪২৪৫৭.৭০ কোটি টকা। আৰু ২০১৫-১৬ বৰ্ষত ৰেভিনিউ এক্সপেনডিচাৰ আছিল ৩৭০১১.৪২ কোটি টকা। আৰু আমি দেখা পালো ২০১৫-১৬ বৰ্ষত তাত ৰেভিনিউ চাৰপ্লাছ হৈছিলে ৫৪৪৬.২৮ কোটি , আৰু ২০১৫-১৬ বৰ্ষত কেপিটেল চাৰপ্লাছ হৈছিলে ১০৮৮.২৮ কোটি। গতিকে তাত যিটো ফিক্সস্কেল চাৰপ্লাছ আছিল

প্ৰায় ১৬ হাজাৰ কোটি টকা। ২০১৬-১৭ বৰ্ষৰ যিটো বাজেট এষ্টিমেটেড ৰেভিনিউ ৰিচিপ্টৰ এষ্টিমেট আছিলে ৬৬১৭৯.৮৮ কোটি টকা। আৰু এইটোৰ পাছত ২০১৬-১৭ বৰ্ষত প্ৰকৃততে আমি ৰেভিনিউ কালেকশ্যনটো কিন্তু ইয়াতকৈ কম হৈছিলে, ৪৯২১৯.৮১ কোটি। গতিকে দেখা গ'ল যে, ২০১৬-১৭ বৰ্ষত যিটো বাজেটত ৰেভিনিউ collection Estimation কৰা হৈছিল, Estimation তকৈয়ো ১৬৯৬০.০৭ কোটি টকা কম সংগ্ৰহ হৈছিল। আৰু ২০১৬-১৭ বৰ্ষত যিটো ৰেভিনিউ এস্কপেনডিচাৰ ধাৰ্য্য কৰা হৈছিল, তাত কিন্তু দেখা গ'ল ১৩০৯৬.৩২ কোটি টকা কম খৰচ কৰিব লগা হ'ল। বাজেটত যিটো খৰচ, ৰেভিনিউ এস্কপেনডিচাৰ যিটো ধৰা হৈছিল. তাতকৈ প্ৰায় ১৩০১০·০০ কোটি টকা কৰ্তন কৰিব লগা হ'ল খৰচ । মাননীয় উপাধ্যক্ষ মহোদয়, তাৰ পাছত যোৱা ২০১৭-১৮ বৰ্ষৰ বাজেট লৈ এতিয়া আমি আহিম। ২০১৬-১৭ বৰ্ষত কিন্তু ৰেভিনিউ ডেফিচিট অলপ কম আছিলে। তাত আছিল ১৪৩.৯৬ কোটি টকা ৰেভিনিউ ডেফিচিত আছিলে, ২০১৬-১৭ বাজেটত। তাৰ পাছত ২০১৭-১৮ বৰ্ষত যিটো ৰেভিনিউ এষ্টিমেট দিয়া হৈছিল, ২০১৬-১৭ বৰ্ষত আছিলে ৭০৭১৯.৬১ কোটি টকা ৰেভিনিউ কালেক্শ্যন কৰাৰ শিতানত ধাৰ্য্য কৰা হৈছিল। উপাধ্যক্ষ মহোদয়, তাৰ পাছত দেখা গ'ল তাত আমাৰ ৰেভিনিউ collection হ'ল revise Estimate মতে ৫৫৯০৫.১৩ কোটি টকা। গতিকে ২০১৭-১৮ বৰ্ষত আমি estimate কৰাতকৈ, ১৪,৮১৪, ৪৮ কোটি টকাতকৈ কম ৰাজহ সংগ্ৰহ হ'ল আৰু অন্যহাতে ২০১৭-১৮ বৰ্ষত যিটো Revenue Expenditure estimate কৰা হৈছিল, তাত Revenue Expenditure ধাৰ্য্য কৰা হৈছিল ৬৮,৩১৯.৪৫ কোটি। কিন্তু Revised Estimate ত গৈ Revenue Expenditure হৈ গ'ল ৭৯,২৫৬.৫কোটি অৰ্থাৎ যিমান টকা ৰাজহ শিতানৰ পৰা খৰচ কৰিব বুলি ৰাজ্য চৰকাৰে নিৰ্ধাৰণ কৰিছিল, তাতকৈ ১০,৯৩৭.০৯ কোটি টকা অধিক খৰচ হ'ল অৰ্থাৎ প্ৰায় ১১,০০০ কোটি টকা অধিক খৰচ হ'ল এতিয়া উপাধ্যক্ষ মহোদয়, মই এই কথাটোলৈ আপোনাৰ দৃষ্টিগোচৰ কৰাব বিচাৰিছো, যে যিমান টকাৰ Revenue ২০১৬-১৭ আৰু ২০১৭-১৮ বৰ্ষত ৰেভিনিউ collection হ'ব বুলি ধৰি লৈছিল estimate তাতকৈ ১৪,৮১৪ কোটি টকা কম collection হ'ল। ৰেভিনিউ শিতানত যিমান টকা খৰচ হ'ব বুলি ভাবিছিলো, তাতকৈ প্ৰায় ১১.০০০ কোটি টকা বেছি খৰচ হ'ল। এতিয়া আমাৰ revenue deficit হৈ গ'ল ২৫,৭৫১ কোটি টকা। উপাধ্যক্ষ মহোদয়, অতি ভয়ংকৰ খবৰ ৰাজ্যবাসীৰ কাৰণে আৰু অত্যন্ত দুঃ চিন্তাৰ খবৰ যে যোৱা ২০১৭-১৮ বৰ্ষত revenue deficit হৈ গ'ল২৫.০০০ কোটি টকা। আৰু এই কথাটোৰ অৰ্থ হ'ল এই যে ২৫.০০০ কোটি টকা আমাৰ ৰেভিনিউ collectionতকৈ বেছি আমি খৰচ কৰিব লগা হ'ল। এই পইচাখিনি আমাৰ Capital Account ৰ পৰা আহিছে। গতিকে Capital Account ত আমি বিশ্ব বেংকৰ পৰা বা অন্যান্য শিতানৰ পৰা ধাৰ কৰি আমি Capital fund আমি গঠন কৰো তাৰে আচলতে Capital Expenditure ত খৰচ কৰিব লাগে। য'ৰপৰা income generate হয়। Capital Expenditure ত খৰচ কৰা মানে, আমাৰ চৰকাৰে যদি কোনো ইণ্ডাষ্ট্ৰিত খৰচ কৰে, য'ৰ পৰা income টো generate হ'ব। এতিয়া Capital Expenditureত খৰচ কৰিলে তাৰ পৰা income টো generate হ'ব। চৰকাৰৰ লাভ হ'ব। কিন্তু যদি Capital Head ত, আমি বিশ্ব বেংকৰ পৰা বা অন্যান্য Head ৰ পৰা ধাৰ কৰা টকা আমি Revenue Expenditure ত খৰচ কৰো, যেনেকৈ দৰমহা দিয়া বা নিত্য নৈমিত্তিক খৰচতCapital Head ৰ পৰা যদি ব্যৱহাৰ কৰি দিও এনেকৈ ২৫,০০০ কোটি টকা যোৱা বিত্তীয় বৰ্ষৰ বাজেটত আমাৰ

Revenue deficit হৈ আছে। এই যে ২৫,০০০ কোটি টকা আমি Capital Expenditure ত খৰচ নকৰি Revenue Expenditure ত খৰচ কৰি দিলো, আমাৰ প্ৰত্যেকজন অসমবাসীৰ মুৰত এই ২৫,০০০ কোটি টকাৰ নতুনকৈ ধাৰৰ বোজা লাগি গৈছে। আজি যিটো সন্তান জন্মগ্ৰহণ কৰিব, লগে লগেই তেওঁ প্ৰায় ২৫,০০০ টকাৰ ধাৰৰ বোজা লৈ পৃথিবীত ভুমিষ্ঠ হব লাগিব। উপাধ্যক্ষ মহোদয়, গতিকে আমাৰ এই কথা বিলাকক যদি আওকান কৰি কেৱল চমক দিয়াৰ উদ্দেশ্যে যদি আমি এনেকে revenue deficit ত চলি থাকে তেতিয়াহ'লে এই বাজেট খন কোনোপধ্যে আমি এখন সুস্থ বাজেট বুলি কব নোৱাৰিম। উপাধ্যক্ষ মহোদয়, কোনো দৃষ্টিকোনেৰে, এই বাজেটখনক আমি সুস্থিৰ বাজেট বুলি ক'ব নোৱাৰিম। গতিকে উপাধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই প্ৰথমেই কৈছিলো সেই পশ্চিমবংগৰ কংগ্ৰেছৰ মুখ্যমন্ত্ৰী মহোদয়ে, নিজৰ কেবিনেটৰ তিনিজনকৈ সদস্যক তিনি ঘণ্টা বহুৱাই থৈ জ্যোতি বসুক মাতি আনি, আলোচনা কৰি তেওঁ কেনেকৈ ৰাজ্যখনৰ বিত্তীয় অৱস্থা টনকিয়াল কৰিব, সেই বিষয়বিলাক আলোচনা কৰিছিল। আজি সেই কাৰণে পশ্চিমবংগ বহুটো আগুৱাই গৈছে। উদ্যোগিক ক্ষেত্ৰত বহুখিনি আগবাঢ়ি গৈছে। ভৰতকে ধৰি অন্যান্য ৰাজ্যৰ লগত প্ৰতিযোগিতা কৰিব পৰাকৈ পশ্চিমবংগ আজি বহুত আগুৱাই গৈছে। এই বাজেটে প্ৰকাশ কৰা কথা বিলাক অসমবাসীৰ মনৰ কথা প্ৰতিফলিত হ'ব লাগিব, আবেগ অনুভুতিবিলাক প্ৰতিফলিত হ'ব লাগিব আৰু যিবিলাক জ্বলন্ত সমস্যা আছে, এই সমস্যা বিলাকৰ প্ৰতিফলন যদি ইয়াত নাই তেনেহ'লে কোনোপধ্যেই এইখনক এখন কল্যানকামী বাজেট, এখন জনমুখী বাজেট বুলি আমি ক'ব নোৱাৰিম। মাননীয় উপাধ্যক্ষ মহোদয়, গোটেই বছৰটোৰ ভিতৰত আমাৰ অসম বিধান সভাত সকলো সন্মানীয় সদস্য সকলে যিমান সমস্যাৰ কথা ইয়াত উল্লেখ কৰে, নিশ্চয় প্ৰত্যেকটো সমস্যা আমাৰ জনসাধাৰণৰ সমস্যাৰ লগত, জনসাধাৰণৰ ভৱিষ্যতৰ লগত সম্পৰ্ক থকা গোটেই বছৰটোৰ যিমান সমস্যা ইয়াত আলোচনা হয়, সেই সমস্যাৰ সমাধানৰ প্ৰতিফলনটো বাজেটত চাব পাৰিম বুলি আশা কৰিছো। কিন্তু সেই কথাবোৰ গুৰুত্ব দিয়া নহ'ল। হয়তো সেই দৃষ্টিভংগী আমি গ্ৰহণ কৰিব নোৱাৰিলো। যে বাজেটখন প্ৰস্তুত কৰোতে কেৱল ৰাজনৈতিক দলৰ, আমাৰ নিজস্ব চিন্তা-চৰ্চা, আমাৰ নিজস্ব agenda ৰ কথা পাহৰি আমি কেনেকে সকলোৰে পৰামৰ্শ, সকলোৰে মনৰ আবেগ-অনুভুতি, অসমবাসীৰ ভৱিষ্যৎ, অসমবাসীৰ আৰ্থসামাজিক নিৰাপত্তা, সুৰক্ষা নিশ্চিত কৰি এখন বৃহত্তৰ উন্নয়নশীল এখন অসমক আমি নিৰ্মাণ কৰিব পাৰো সেই চিন্তাধাৰাৰে যদি বাজেটখন প্ৰস্তুত কৰিলেহেঁতেন, তেনেহ'লে আজি নিশ্চয় বিৰোধী সকলৰ মুখ বন্ধ থাকিলহেঁতেন। এইখনক নিৰ্বাচনমুখী বাজেট, চমক সৃষ্টি কৰা কৌশলী বাজেট বুলি ক'বলৈ নিশ্চয় কোনো বিৰোধীয়ে সাহস কৰিব নোৱাৰিলেহেঁতেন। উপাধ্যক্ষ মহোদয়,আৰু এটা কথা এই বাজেটত আমি দেখিছো, পৰ্যটন বিভাগক দৃষ্টিকটুভাবে উলংঘা কৰা হ'ল। মাত্ৰ ৮১ কোটি টকা পৰ্য্যটন বিভাগক দিয়া হৈছে। আমি ক'ব পাৰো, কেৰেলা, মধ্যপ্ৰদেশ, কৰ্ণাটিকৰ নিচিনা ভাৰতবৰ্ষৰ কেইবাখনো ৰাজ্য আমি দেখিছো তেওঁলোকে আটাইতকৈ বেছি ৰেভিনিউ কালেকশ্যন পৰ্য্যটনৰ জৰিয়তে কৰি আছে। আমাৰ অসমত ইমান পৰ্য্যটনৰ ক্ষেত্ৰ আছে, কিন্তু পৰ্য্যটন ক্ষেত্ৰত মাত্ৰ ৮১ কোটি টকা ধৰা হ'ল। পৰ্য্যটন উদ্যোগটো আমি আগুৱাই নিব লাগে। অসমত পৰ্য্যটনটোক এটা বিশাল ক্ষেত্ৰ হিচাপে income generate, Revenue Collection ৰ এটা উৎস হিচাপে গঢ়াৰ পৰিকল্পনাই নাই। আমাৰ চৰকাৰৰ সদিচ্ছাই নাই। য'ত পৰিকল্পনা নাথাকে তাত কেনেকৈ পদ্ধতিটো শুদ্ধ হ'ব। পৰিকল্পনাটো প্ৰথম গঠন হ'ব লাগিব, তাৰ পাছত estimation ৰ কথা বিলাক আহে। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ অসমত উদ্যোগীকৰণ, নিবনুৱা সমস্যা সমাধানৰ কাৰণে আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল

ঔদ্যোগীক বিকাশ। আমাৰ এই অসম বিধান সভাৰ পবিত্ৰ মজিয়াত বাৰে বাৰে আলোচনা হৈ আছে। জাগীৰোড কাগজ কল, পাঁচগ্ৰামৰ কাগজ কল ধিং চেক্টৰ পেপাৰ প্ৰজেক্ট, ইয়াত আলোচনা হৈ আছে। দিয়াচলাই ফেক্টৰী, গোলাঘাটৰ বয়ন উদ্যোগ, কামপুৰৰ চেনী কলৰ আদি অসমত এটা এটাকৈ তিল তিলকৈ মৃত্যুমুখত পৰিল গুৰু উদ্যোগ বিলাক। সেই উদ্যোগ বিলাক পুনৰুজ্জীৱিত কৰাৰ কাৰণে যিমান এই অসম বিধান সভাৰ পবিত্ৰ সদনত বাৰে বাৰে কৈ থকা হ'ল, কিন্তু বাজেটত ৮৩৯ কোটি টকা যিটো ইণ্ডাষ্ট্ৰিৰ ক্ষেত্ৰত দিছে, মই ভাবো, এই টকাৰে এটা উদ্যোগ পুনৰুজ্জীৱিত কৰিব নোৱাৰে। গতিকে আমাৰ এই উদ্যোগীকৰণটোক আমি আগবঢ়াই লৈ যাব নোৱাৰো আমাৰ নিবনুৱা সমস্যা কেনেকৈ সমাধান হ'ব? এইখন বাজেটত নিবনুৱা সমস্যা সমাধানৰ কাৰণে বিজ্ঞানসন্মত পদক্ষেপ কিন্তু আমাৰ দৃষ্টিত নপৰিল। আৰু মাননীয় উপাধ্যক্ষ মহোদয়,এই বাজেটত আমি দেখিলো দৃষ্টি কটুভাৱে যে আমাৰ যি সকল পিচপৰা অঞ্চলৰ জনগোষ্ঠীয় লোক আছে, তাৰ কাৰণে স্পেচিয়েল ৰিমেডিয়েল যিটো ব্যৱস্থা থাকিব লাগিছিল সেই কথাবিলাক ইয়াত নাই। চৰ-চাপৰিত আজি শিক্ষানুষ্ঠান নাই। আন্তঃগাথনি নাই, তাত হস্পিতা ল নাই আৰু পৰিবহন, যাতায়ত, যোগাযোগ সকলো ফালৰ পৰা পিছপৰা কিছুমান পাহাৰীয়া এলেকা আছে, সীমান্তৱৰ্তী অঞ্চল আছে, চৰ চাপৰিকে আদি কৰি তাৰ কাৰণে যিবিলাক Special attention দিব লাগিছিল, দেখা গ'ল এই বাজেটত দৃষ্টিকটুভাৱে সেই এলেকা বিলাক বঞ্চিত কৰি ৰখা হ'ল। আৰু এনেকুৱা এটা দৃষ্টিভংগী দেখা পালো, যে যিখিনি অলপ আগুৱাই আছে সিহঁতক আগুৱাই লৈ যাম, আৰু যিখিনি অলপ পিচত পৰি আছে সেইখিনি আৰু পিছুৱাই যাব। গতিকে চব কা চাথ চবকা বিকাশ, কেৱল মুখৰ শ্লগান দিলেই নহ'ব, মাননীয় উপাধ্যক্ষ মহোদয়, এইটো কামে কাজে প্ৰমান কৰি দিব লাগিব। মুখ্যমন্ত্ৰী মহোদয়ে যেতিয়া অসম বিধান সভাৰ পবিত্ৰ সদনত কয় যে আমি এই ১২৬ জন বিধায়ক team Assam আৰু আমি একেলগে অসমক প্ৰতিনিধিত্ব কৰি অসমক আগুৱাই লৈ যাম। এই কথাবিলাক শুনি ভাল লাগে কিন্তু বাজেটত যেতিয়া আমি তাৰ বিপৰীত ছবি দেখা পাওঁ তেতিয়া কিন্তু বেয়া লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, অতি আবেগেৰে কৈছো, অতি দুখেৰে ক'বলৈ বাধ্য হৈছো যে আজি P.W.D. Sector ত। যিখিনি টকা দিছে, সেইটো পৰ্য্যাপ্ত নহয়। P.W.D. টো বহুত প্ৰয়োজনীয়। Water Resource, অসমৰ আটাইতকৈ জ্বলন্ত সমস্যাটো হ'ল জলসম্পদ বিভাগৰ সমস্যা। আজিলৈকে অসমত প্ৰায় ৩৫০০ তকৈ অধিক গাঁও ব্ৰহ্মপুত্ৰ আৰু তাৰ উপনৈৰ বুকুত বিলীন হৈ গ'ল। লক্ষ লক্ষ লোক ভূমিহীন কৃষিহীন হৈ গ'ল বানপানীত। এই বাজেটত জলসম্পদ বিভাগৰ বাবে বহু কম টকা নিৰ্ধাৰণ কৰা হৈছে। মানুহ বিলাক আৰ্থিক সমস্যাতে নহয় আশ্ৰয়ৰ সমস্যাটো ভুগি আছে। তেওঁলোকে যদি চৰকাৰি মাটি বা মথাউৰিত আশ্ৰয় লয় তেতিয়া সন্দেহজন নাগৰিক বুলি উচ্চেদ কৰি দিয়ে, ঘৰ জ্বলাই দিয়ে। সেই মানুহবোৰক মাৰধৰ কৰি সন্দেহজন নাগৰিক সজোৱা হয়। তেওঁলোক চুবুৰীয়া ৰাজ্যত গৈ কাম কৰি জীৱন যাপন কৰিবলৈ বাধ্য হয়। এনে ধৰণৰ সমস্যাৰ বাবে অসমত নাগৰিকত্বৰ সমস্যাৰ সৃষ্টি কৰিছে। গৰাখহনীয়াৰ ফলত ক্ষতিগ্ৰস্ত হোৱা লাখ লাখ মানুহৰ প্ৰতি ৰাজ্য চৰকাৰৰ দায়িত্ব নাই নেকি? এই বিষয়টোৰ বাজেটত প্ৰতিফলিত হোৱা দেখা নাপালো। তেওঁলোকো মানুহ, জীৱ-জন্তু নহয়? উপাধ্যক্ষ মহোদয় জীৱ-জন্তুৰ বিষয়ে আমি আলোচনা কৰি আহিছো। আমি অৰণ্য প্ৰস্তুত কৰিছো। বাজেটতো জীৱ-জন্তুৰ বাবে বিভিন্ন আঁচনি গ্ৰহণৰ ব্যৱস্থা কৰাটো প্ৰতিফলিত হৈছে। কিন্তু মানুহবিলাক জীৱ-জন্তুতকৈ বেছি বেয়া অৱস্থাত যতে ততে ঘূৰি ফুৰি আছে। যতে মানুহখিনিয়ে আশ্ৰয় লৈছে তাৰ পৰা তেওঁলোকক সন্দেহযুক্ত নাগৰিক বুলি উঠাই দিয়া হয়। এই মানুহখিনিৰ বিষয়টো বাজেটত কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা দেখা নগ'ল। গতিকে এই বাজেটখনক আমি

কেনেকৈ সুস্থ আৰু জনমূখী বাজেট বুলি ক'ম। গড়কাপ্তানি আৰু জলসম্পদ বিভাগত আৰু ধন বঢ়াই দিব লাগে। কাৰণ এই বিভাগ দুটাৰ লগত মানুহৰ সমস্যাটো জড়িত হৈ আছে। এইবাৰৰ বাজেট ৰেভিনিউ একাউন্টত ৭৪,১১৮.৫০ কোটি টকা সংগ্ৰহৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। এই ক্ষেত্ৰত যোৱা বিত্তীয় বৰ্ষৰ লগত যদি তুলনা কৰো তেতিয়া দেখিবলৈ পাম যে ৭০,৭১৯ কোটি টকা লক্ষ্য ধাৰ্য্য কৰোতে মাত্ৰ ৫৫০০০ কোটি টকা সংগ্ৰহ কৰিবলৈ সক্ষম হ'ল। এইবাৰ যিহেতু ৭৪,১১৮.৫০ কোটি টকা সংগ্ৰহৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে গতিকে মই ভাবো ৬০০০০ কোটি টকাকৈ অধিক সংগ্ৰহ নহ'ব। বিগত চাৰি-পাঁচ বাছৰৰ ট্ৰেণ্ডত আমি দেখা পাই আছো। একেদৰে ৰেভিনিউ এক্সপেনডিচাৰ যিটো উল্লেখ কৰিছে যে ৭১৩২৯ কোটি টকা খৰছ কৰা হ'ব কিন্তু আমি দেখিছো যোৱাবাৰ ৬৮০০০ কোটি টকা খৰছ হ'ব ধৰা হৈছিল যদিও খৰছ হ'ল ৭৯০০০ কোটি টকা। এইবাৰ ৭১০০০ কোটি টকা ধাৰ্য্য কৰা হৈছে কিন্তু সেইটো হৈ যাব পাৰে ৯০০০০ কোটি টকা। গতিকে এই বাজেটখনক সন্তুলিত বাজেট বুলি ক'ব নোৱাৰি। এইবাৰ আকৌ ২৫-৩০ হাজাৰ কোটি টকা ৰেভিনিউ ডেফিচিট হোৱাৰ সম্ভাবনা আছে। গতিকে বিত্তীয় ঘাটি বাঢ়িব। বিত্তীয় ঘাটিটো কেপিটেল একাউন্টত লগ লগাই অলপ কমাব পৰা যাব। যোৱাবাৰ কেপিটেল একাউন্টৰ পৰা ২৪-২৫ হাজাৰ কোটি টকা আনি খৰচ কৰি দিয়া হ'ল। এনেদৰে কৰিলে ৰাজ্যবাসীৰ মূৰত এটা মাধমাৰ পৰে। উপাধ্যক্ষ মহোদয় আজি জন্ম হোৱা শিশু এটিৰ মূৰতো ধাৰৰ বোজা পৰি আছে। গতিকে মই ভাবো এই বিষয়সমূহ আগতে আলোচনা বিলোচনা কৰাটো প্ৰয়োজনীয় আছিল। যিধৰণে পশ্চিমবঙ্গত জ্যোতি বসু ডাঙৰীয়াক মাতি আনি ৰাজ্য চৰকাৰে পশ্চিমবঙ্গৰ ভৱিষ্যতৰ বাবে আলোচনা কৰিছিল থিক তেনেদৰে আমাৰ ইয়াতো "Team Assam' হিচাপে সকলোৰে লগত আলোচনা কৰি বিশ্বাসত লৈ কাম কৰাৰ সদিচ্ছা দেখুৱালে ভাল হয়। আমাৰ সীমিত পুঁজিৰে সমস্যাসমূহ কেনেকৈ সমাধান কৰিব পাৰো তাৰ বাবে চৰকাৰে সকলোৰে লগত আলোচনা কৰি ব্যৱস্থা গ্ৰহণ কৰি সদিচ্ছা দেখুৱাব লাগে। শিক্ষাৰ ক্ষেত্ৰত প্ৰাথমিক শিক্ষাত পোন্ধৰ হাজাৰ নতুন শিক্ষকৰ নিযুক্তি দিয়াৰ কথা বাজেটত উল্লেখ কৰিছে। কিন্তু ভেন্সাৰ স্কুলৰ বহু শিক্ষক বিশ-ত্ৰিশ বছৰ ধৰি কাম কৰি আছে। তেওঁলোকে আগতে কেইমাহমান চৰকাৰী দৰমহাও পাইছে। কোনোবোই অবসৰ গ্ৰহণ কৰিব। তেওঁলোকৰ চাকৰি নিয়মীয়া কৰণৰ কোনো ব্যৱস্থা নাই। এনেকুৱা বহু সমস্যা শিক্ষকসকলৰ আছে। তেওঁলোকৰ বিষয়ে বাজেটত এটা বাক্যও লিখা নহ'ল। উপধ্যক্ষ মহোদয় কথাটো এনেকুৱা হ'ল মই পৰিয়ালৰ মুৰব্বী হিচাপে বজাৰৰ পৰা chocolate আনিছে, গোল্লা আনিছো বুলি খুব ভাল ভাল কথা দেখাই ল'ৰা - ছোৱালীক সন্তুষ্ট কৰি আছো। কিন্তু সেই ল'ৰা ছোৱালীক কিতাপ কলম আনি দি মই chocotale, গোল্লা আনি দিব পৰা নাই, তেমালোকৰ পঢ়াৰ বাবে কিতাপ কলম আনি দিছো। পঢ়ি তোমালোকে শিক্ষিত মানুহ হ'বা, নিজেই স্বাৱলম্বী হ'ব পাৰিবা। এই দৃষ্টিভংগীৰে বাজেটত কথাবোৰ উল্লেখ হোৱাটো আমি বিচাৰিছিলো। মাননীয় উপাধ্যক্ষ মহোদয় chocotale, গোল্লা আদিৰ দৰে চমক দেখুৱাই আমাৰ জলন্ত সমস্যাসমূহৰ পৰা দুৰত ৰখাৰ চেষ্টা কৰা হৈছে। ৰাজ্যখনক কেনেকৈ স্বাৱলম্বী কৰিব পাৰো সেইবিষয় বিলাকৰ পৰা বিৰত থকা হৈছে। প্ৰতিজন নাগৰিকক নিজৰ ভৰিত নিজে থিয় হ'ব পৰা ব্যৱস্থা কৰিব পাৰি তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয় ৰাজ্যখনক স্বাৱলম্বী, অৰ্থনৈতিক ভাবে শক্তিশালী ৰাজ্য হিচাপে পৰিণত কৰা কথা বাজেটখনত প্ৰতিফলিত নহ'ল। উপাধ্যক্ষ মহোদয় সদনত বৰ্তমান আমাৰ মাননীয় বিত্ত মন্ত্ৰী উপস্থিত নাই।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী অন্য কামত ব্যস্ত হৈ থকা বাবে সদনত উপস্থিত নাই। মই বিত্তমন্ত্ৰীৰ হৈ ইয়াত উপস্থিত আছো। গতিকে সেইটোক লৈ

আপত্তি থাকিব নালাগে।

**শ্রীআমিনুল ইছলাম ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, শাসকীয় বা বিৰোধী আমি সকলোৱে ৰাজ্যখনৰ জনসাধাৰণ কথা চিন্তা কৰি কাম কৰিব লাগিব। বিৰোধী হ'লো বুলি সমালোচনা আৰু শাসকীয় হ'লো বুলি গুণ গাই থাকিম সেইটো হ'লে নহ'ব। সেই মানসিকতাৰে জনসাধৰণৰ উন্নতি নহয়। মানসিকতা হ'ব লাগে প্ৰকৃত অন্তৰেৰে জনসাধাৰণৰ সমস্যাসমূহ সমাধানৰ বাট প্ৰশস্ত কৰা। আমাৰ জনসাধাৰণৰ প্ৰতি কিমান মৰম আছে, কিমান ভালপোৱা আছে, আমি সঁচা অৰ্থত তেওঁলোকৰ উন্নতি বিচাৰিছোঁ নে নাই কেইটামান চমক দেখুৱাই ৰাজনৈতিক বৈতৰণী পাৰ হ'ব বিচাৰিছো সেইটোৰ ওপৰত বহু কথা নিৰ্ভৰ কৰে। বাজেটত এটা কথা দেখিবলৈ পাইছো যে চাহ জনগোষ্ঠীৰ বাবে মাত্ৰ ৮১ কোটি টকা ধাৰ্য্য কৰা হৈছে। অসমৰ আটাইতকৈ পিছপৰা হৈছে চাহ বাগিছা আৰু চৰ অঞ্চল এই দুটা অঞ্চলৰ আন্তঃগাঁথনি নিৰ্মাণৰ কথাটো যদি চৰকাৰে গুৰুত্ব নিদিয়ে তেনেহ'লে দুয়োটা মিলি প্ৰায় এক কোটি জনসাধাৰণ বহু পিচ পৰি থাকিব। গতিকে মই ভাবো বিত্ত মন্ত্ৰী মহোদয়ে চাহ বাগিছা, চৰ অঞ্চল আৰু সীমান্ত এলেকাৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে বাজেট ধাৰ্য্য কৰিব লাগে। যাতে উক্ত অঞ্চলসমূহত বিদ্যালয়, হস্পিটাল, যোগাযোগ, যাতায়ত, বৈদ্যুতিকৰণ আদি বিষয় এতিয়াও যদি কিবা ব্যৱস্থা আছে বাজেটত সন্নিবিষ্ট কৰিব লাগে। নহ'লে এই বাজেটৰ চমকেৰে অসমৰ কোনো উন্নতি নহ'ব নতুনকৈ ধাৰৰ বোজাহে বৈ থাকিব লাগিব আৰু অসমবাসীয়ে এটা বিপদ সংকুল ভৱিষ্যতলৈ গতি কৰিব। এইখিনি কৈয়েই মোৰ বক্তব্য সামৰিব বিচাৰিছোঁ। এইখিনি ক'বলৈ সুবিধা দিয়াৰ বাবে ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া শ্ৰীপ্ৰদীপ হাজৰিকা।

**শ্ৰী প্ৰদীপ হাজৰিকা, আমগুৰি ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মই বাজেটখনৰ ওপৰত মোৰ দৃষ্টিভঙ্গী দাঙি ধৰিব বিচাৰিছো। উপাধ্যক্ষ ডাঙৰীয়া, কালি যেতিয়া বাজেটখন প্লেচ কৰিলে ইয়াত মই দেখিছো যে চৰকাৰৰ এইটো এটা সম্পূৰ্ণ নতুন চিন্তাক নতুন ধৰণে দাঙি ধৰিছে। ইয়াত এখন ডিজিটেল বাজেট প্লেচ কৰিলে। তেখেত সকলৰ চিন্তা যে ইনোভেটিভ আৰু নতুনকৈ ভালকৈ আগবাঢ়িবলৈ বিচাৰিছে । এই বাজেটখন যেনেধৰণে দাঙি ধৰিছে, সেই দাঙি ধৰা টোৰেই এইটো প্ৰমাণ কৰে। উপাধ্যক্ষ ডাঙৰীয়া, মোৰ ঘৰৰ এজন খুৰা তেখেত Mathmatics ৰ শিক্ষক আছিল। তেখেতে যেনেকুৱাধৰণৰ অংকই নহওক কিয়, খুব সোনকালে কৰিব পাৰে। খুব চোকা আছিল। কিন্তু মইও তেখেতৰ অধীনৰে ছাত্ৰ আছিলো। ক্লাছত যেতিয়া যায়, তেখেতে যেতিয়া বোৰ্ডত অংক কৰি দিয়ে, কৰাৰ পিছত যেতিয়া ছাত্ৰক সোধে, তোমালোকে বুজি পাইছানে? বুজি পাইছানে বুলি সোধোতে কোনেও কিন্তু ফটকৈ বুজি পাইছো, নাপাইছো নকয়। পাইছো বুলি ক'লেও বিপদ, নাই পোৱা বুলি ক'লেও ক'ত নাইপোৱা সোধে। তেখেত Mathmatics শিক্ষক হিচাপে খুব চোকা। ছাত্ৰক বুজাই দিয়াৰ ক্ষেত্ৰত খুব ভাল নহয়। কিন্তু মানুহজনক দেখিয়েই ল'ৰা-ছোৱালীয়ে ভয় কৰে যে এখেতক যদি আমি কিবা এটা সোধো বিপদত পৰাৰহে সম্ভাৱনা থাকে। সহজ-সৰল ভাৱে বুজাই নিদিয়ে। কিন্তু এতিয়া বাজেটখনে সহজ ভাৱে দাঙি ধৰিছে। আগতে দেখিলো যে বাজেটখন যেতিয়া আহে, বাজেটখন বুজি পাবৰ কাৰণেই যথেষ্ট অসুবিধা। ইমান টেক্‌নিকেল কিছুমান কথা তাত সন্নিবিষ্ট কৰি বাজেটখন দাঙি ধৰে। দুটা তিনিটামান গোট খাই একেলগে পঢ়াৰ পিচতহে বাজেটখনৰ বিষয়ে ভালধৰণে বুজিব পাৰে, কিন্তু এইবাৰ ইমান সাৱলীল ভাৱে বাজেটখন দাঙি ধৰা হৈছে, সেইকাৰণে অসমৰ প্ৰতিটো অঞ্চলৰ মানুহে এইবাৰ বাজেটখন বুজি পাইছে। আমি যি সাধাৰণ শ্ৰেণী মানুহৰ কথা কৈছো, যিসকলে পাঠশালা স্কুল পাছ কৰিছে, তেওঁ যদি এবাৰ এই বাজেটখন পঢ়ে বুজি

পাব। চৰকাৰে কি কৰিছে, প্ৰতিটো হেডত কিমান পইচা দিয়া হৈছে বা কিমান ধৰণৰ টাৰ্গেট কৰিছে, এই টাৰ্গেটবিলাক অতি পৰিষ্কাৰকৈ সাৱলীল ভাৱে দাঙি ধৰা হৈছে। এইটো আটাইতকৈ ডাঙৰ কথা যে দেশখনৰ কাৰণে বাজেট খন যিহেতু ইয়াৰ সাধাৰণ শ্ৰেণীৰপৰা ইয়াত বাস কৰা কোটি কোটি জনসাধাৰণৰ কল্যাণৰ বাবে যিখন বাজেট দাঙি ধৰিছে, এই বাজেটখন সৰ্বসাধাৰণ মানুহে প্ৰকৃততে বুজি পাব লাগে। যদি বুজি নাপায়, তেতিয়াহ'লে মানুহখিনি একেবাৰে অন্ধকাৰাছন্ন অৱস্থাৰ মাজেদি কেনেকৈ গৈছে, কোনেও ধৰিব নোৱাৰিব। এতিয়া বাজেটৰ ভিতৰলৈ সোমাই আমি আলোচনা কৰিবলৈ যোৱাৰ আগতেও মই এইকেইটা কথা কৈছো যে বাজেটখন কালি পোৱাৰ পিছত । আজি মই পেপাৰবিলাকত চাইছো, এই বাজেটখনৰ ওপৰত সকলোৱে আলোচনা কৰিছে । সাধাৰণ মানুহেও বিভিন্ন ঠাইৰ পৰা ফোন কৰি বাজেটখনৰ কথা কৈছে। এই কাৰণে এটা নতুন চিন্তা-চৰ্চাৰে কালি প্লেচ কৰা যিখিন ডিজিটেল বাজেট এখন সুন্দৰ বাজেট। মই ভাৱো যে এই যি ডিজিটেলাইজড যিটো কৰিলে সেইটোৱে আমাক কাকো কোনেও অসুবিধাত পেলোৱা নাই। কালি আমি এইখন পঢ়াৰ লগতে টেবলেটটো চাই তাৰ পৰা আমি গোটেই বাজেট খনৰ বিষয়ে জানি লবলৈও সুবিধা হৈছে আৰু তাত পঢ়িবৰ কাৰণেও সুবিধা হৈছে। সেইকাৰণে প্ৰথমতে মই ভাৱো যে ভাৰতবৰ্ষৰ এইখন দ্বিতীয়খন ৰাজ্য বুলিয়েই কৈছে। য'ত ডিজিটেল বাজেট ইয়াত প্লেচড্ কৰিছে। সেইকাৰণে ইমান সহজভাৱে লৈ অহাৰ কাৰণে, সকলোৰে আগত দাঙি ধৰাৰ কাৰণে মই বাজেটখন প্ৰথমতে মই ভাল পাইছো। এতিয়া ইয়াৰ পিছৰ কথাখিনি হৈছে যে আমাৰ অসমৰ সমস্যা বহুত আছে। উপাধ্যক্ষ ডাঙৰীয়া, সমস্যাবিলাকৰ ভিতৰত গোটেই অসমৰ আবাল, বৃদ্ধা, বনিতাকে আদি কৰি গোটেইবিলাক ৰাজপথলৈ ওলাই অহাৰ যিটো দিন, কোনটো সমস্যা আপোনালোকে বুজি পাইছে, অসমত অবৈধভাৱে আহি বিদেশীয়ে অসমৰ জনসাধাৰণৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক গোটেই জনজীৱন বিপন্ন কৰি পেলোৱা এটা ভয়াৱহ যিটো সমস্যা সেইটো যিটো সমস্যা, সেই ভয়াবহ সমস্যাটো এতিয়াও কিন্তু অসমৰ জনসাধাৰণৰ মনৰ পৰা আঁতৰা নাই। মোৰ কাৰণে সেইটো হৈছে সকলোতকৈ প্ৰথম সমস্যা। ইয়াৰ পিছত উপাধ্যক্ষ ডাঙৰীয়া, অসমৰ যিখন মহাবাহু ব্ৰহ্মপুত্ৰ বুলি কোৱা হয়, সেই ব্ৰহ্মপুত্ৰই যি সমস্যা সৃষ্টি কৰি আছে, এইটো এটা আমাৰ কাৰণে ডাঙৰ সমস্যা। আমাৰ সীমান্ত অঞ্চলৰ যিটো সমস্যা সেইটো এটা আমাৰ ডাঙৰ সমস্যা। আমাৰ নিবনুৱা যিটো সমস্যা সেইটো এটা ডাঙৰ সমস্যা। আমাৰ খেতিয়কৰ যি সৰু-সুৰা সমস্যা আছে, সেইখিনিও আমাৰ সমস্যা। শিক্ষাৰ ক্ষেত্ৰত আমাৰ যিখিনি পিচপৰি আছে সেইখিনিও আমাৰ সমস্যা। কিন্তু মেজৰ সমস্যা কেইটা হৈছে, আমাৰ এইকেইটা সমস্যা এতিয়া এই সমস্যাখিনিক বাজেটখনে এড্ৰেচ কৰিছেনে নাই ? আমি সেইকেইটা চাব লাগিব। বাজেটৰ ভিতৰত এইখিনি আহিছেনে নাই। এতিয়া উপাধ্যক্ষ মহোদয় মই বাজেটখন ওপৰে ওপৰে চাওঁতে দেখিছো যে আমাৰ সৰ্বসাধাৰণ মানুহৰ মনৰ মাজত যিবোৰ কথা আৰু যিবোৰ কথা বিভিন্ন বাটে-পথে পাই থাকো, এই তেনেকুৱাধৰণৰ কথাবোৰ ইয়াত পৰিষ্কাৰকৈ দেখিছো। আজি আমাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী দেৱে, তেখেতে কেইটামান কথা কৈছে যে এইটো সৰু সৰু কথা। কম্বল দিয়া, আঠুৱা দিয়া, এইধৰণৰ সৰু সৰু কথা ভাল হৈছে তেখেতে তেখেতৰ দৃষ্টি ভঙ্গীৰে চাইছে, ঠিকেই আছে। মোৰ এবাৰ মনত আছে, উপাধ্যক্ষ মহোদয়, মই তেতিয়া এম এল এ। বৃদ্ধ পেঞ্চন দিছে। কিন্তু যিবিলাক বৃদ্ধ নহয় তেনেকুৱা মানুহকো বৃদ্ধ পেঞ্চন দিছে। মই ক'লো তেওঁলোকে এইটো নোৱাৰিব নহয়, দি আছে। ৰাইজে মোক এটা পঞ্চায়তত বৃদ্ধ পেঞ্চন দিবলৈ যাওঁকচোন। মই গ'লো বৰুৱা আলি বুলি পঞ্চায়তত। মই গৈ বৃদ্ধ পেঞ্চন দিম বুলি শুনাৰ পিছত বহুত মানুহে বৃদ্ধ পেঞ্চনৰ কাৰণে চেক ল'বলৈ অহা নাই। মই হ'লো এটা বেলেগ

পাৰ্টিৰ মানুহ। তেওঁলোক হৈ গ'ল বেলেগ পাৰ্টীৰ মানুহ। সেইকাৰণে মোৰ পৰা ল'লে কথাটো ওলাই পৰিব বুলি তেখেতসকল অহা নাই আৰু ঠিক আছে যিখিনি আহিল মই এনেকৈ দি আছো চেক দি থাকোতে মোৰ চিনাকী এজন আহিল। মই চেকখন দিয়াৰ আগতে এটা কথা সুধিলো, ককাইদেউ আপোনাৰ ৬০ বছৰ বয়স হ'ল জানো? মইতো আপোনাক চিনি পাওঁ। তেতিয়া তেখেতে তললৈ মূৰ কৰি আছে। তাৰ মানে মানুহজনৰ ৬০ বছৰ হোৱা নাই। কিন্তু এতিয়া ৬০ বছৰ নোহোৱা মানুহক বৃদ্ধ পেঞ্চনটো দিলে উপাধ্যক্ষ মহোদয়, কথাটো সৰু কথা। সৰু কথাবোৰ লৈয়ে আমাৰ সমাজখন চলি আছে। আমি এতিয়া যিজন মানুহে ৬০ বছৰ হোৱা নাই, তেনেকুৱা ক'ত মানুহক বৃদ্ধ পেঞ্চন দি পেলাই আমাৰ ইয়াত কাম চলি গ'ল। এতিয়া সেইটো মই দেখিছো কিন্তু আজিৰ চৰকাৰে সেইটো কৰা নাই নহয়। এই যিখন বাজেট আহিছে, তাত মই কালি বাজেট পাঠ কৰোতে দেখিলো যেনেকুৱা বৃদ্ধই নহওক, যি পাৰ্টীৰেই নহওক, ধনীয়েই হওক, দুখীয়াই হওক, ধনী যিজন বৃদ্ধ সেইজনৰ ল'ৰা-ছোৱালী হ'লেও বাপেকক নোখুৱাব পাৰে। এনেকুৱাধৰণৰ বহুত ঘটনা হৈছে। ৰাস্তা-ঘাট, বাট-পথত তেনেকুৱা মাক-দেউতাকক এৰি থৈ গৈছে টকা-পইচা থকা মানুহেও। সেইকাৰণে চৰকাৰৰ চিন্তা হৈছে, যে বৃদ্ধসকলক সহায় কৰিব লাগে। এতিয়া এওঁলোকে কিন্তু এইটো ঠেক দৃষ্টিভংগীৰে লোৱা নাই লোৱা হ'লে মইয়ো বেয়া পালোহেঁতেন। এ জি পিৰ মানুহ, বিজেপিৰ মানুহ, কংগ্ৰেছৰ মানুহ তেনেকুৱাধৰণৰ হোৱা হ'লে তেতিয়া বেয়াটো বেয়া বুলিয়েই কলো হেঁতেন। এতিয়া সেইটো দেখা নাই। যিধৰণে এখেতসকলে বাজেটখনত যিটো আনিছে, গোটেই বৃদ্ধ মানুহখিনি সকলোৰেই বৃদ্ধ পেঞ্চনটো পাব লাগিব। এতিয়া সেই কথাটো যদিও আমাৰ এজন গাঁৱৰ বৃদ্ধ মানুহৰ দিয়াৰ কথা তেতিয়াহ'লে সেই দুশ পঞ্চাশ টকাই হওঁক, তিনিশ টকাই হওঁক সেইটো আমাৰ ৰাইজৰ টকা নহয় জানো? সেই টকাটোৰ হিচাপ ভালদৰে হ'ব নালাগে নেকি? এতিয়া যদি আমাৰ হাজাৰ কোটি টকা Deficite হৈছে কল্যাণকামী ৰাইজৰ বাজেটতো গোটেইবিলাক ডেফিচিট বাজেটেই থাকে। কাৰো প্ৰ'ফিট আৰ্নিং বাজেটটো জিৰো বাজেট বুলি কোনেও নেদেখুৱাই। তেনেকুৱা প্ৰায় Deficite বাজেটেই থাকে। সেই কাৰণে উপাধ্যক্ষ মহোদয়, দৃষ্টিভংগীটোৰ ওপৰত কথাটো আছে। আমাৰ কেনেকৈ এখন সমাজ ভাল হ'ব সেইটো চোৱা ভাল। আজি মই খুউব ভাল পাইছো আমাৰ আমিনুল ইছলাম ডাঙৰীয়াই কল্যাণকামী কোটি কোটি জনতাৰ দৰিদ্ৰ জনগণৰ মানুহখিনিৰ কথা কৈছে। এইটো ভাল হৈছে আৰু আমি এইটো বিচাৰিছো। আমি ইয়ালৈ আহিছো এইটো কাৰণেই। ইয়ালৈ অহাৰ পিছত যেতিয়া ঘটনাবিলাক প্ৰেক্টিকেলি তেনেকুৱা হোৱা দেখা যায়, তেতিয়াহ'লে উপাধ্যক্ষ মহোদয়, বেয়া লাগে যেতিয়া চকুৰ আগত দেখি থকা যায় যে পাব্লিক মানি এটা বেয়া কামত গৈ আছে, তোতিয়া আমাৰ বেয়া লাগে। সেই কাৰণে এই বিষয়টো কালি ইয়াত announce কৰা হ'ল আৰু সদনতো যেতিয়া Budget খন Place কৰিলে, তাত তেনেকুৱা ধৰণৰ বিশেষ একো এটা দেখা নগ'ল। মই অৱশ্যে কথাষাৰ Positive Line তে ক'ব বিচাৰিছো। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰথমে সদনত বক্তব্য ৰাখোতেই কৈছিলে - পাহাৰ, ভৈয়াম, বৰাক, ব্ৰহ্মপুত্ৰ সকলোকে একে লগে লৈ অসমৰ উন্নতিৰ হকে কাম কৰি যাব। আমি তেখেতৰ কথাখিনি সাদৰেৰে গ্ৰহণ কৰিছো। আমিওঁ বিচাৰো যে অসমখন এখন Developed State হওঁক।

মাননীয় উপাধ্যক্ষ মহোদয়, স্বাধীনতাৰ আগতে আৰু স্বাধীনতাৰ সময়ত আমাৰ State ৰ জনমুৰি আয় ভাৰতৰ অন্যান্য State তকৈ বেছি আছিল। তৎস্বত্বেও আমাৰ জনমুৰি আয় ইমান তললৈ কেনেকৈ নামি আহিল। উল্লেখনীয় এই যে এসময়ত ইয়াত কৃষি খণ্ডৰ উন্নয়ণৰ

কাৰণে কৃষি বিপ্লৱ অৰ্থাৎ Green Revoluction ৰ কথা কোৱা হ'ল, বাহিৰৰ পৰা মানুহ আমদানি কৰা হল, তেনেক্ষেত্ৰত State Economy টো ভালহে হ'ব লাগিছিল, জনমুৰি আয় ইমান তললৈ কেনেকৈ নামি গল ? কিন্তু এই কথাটো কেনেকৈ হ'ল ? প্ৰতি বছৰে সদনত বাজেট Place কৰিয়েই আছে, গতিকে Next বছৰৰ বাজেটত এই কথাবোৰ Reflect হ'ব লাগিছিল। সেই সময়ত এইবোৰ চাওঁতা কোনো নোলালে নেকি ? সাহসেৰে কথা কওঁতা কোনো নোলালে নেকি ? কেনেকৈ এই অৱস্থা হল অসমৰ ? আজি আমি সুবিধা পোৱাৰ কাৰণে এই কথা খিনি উল্লেখ কৰিলো আৰু লগতে ভাবিছো যে এই বিধান সভা খনেই হ'ল উপযুক্ত স্থান বা Plateform য'ত কথাখিনি ক'লে হয়তো এটা উচিত সমাধানৰ পথ ওলাব বা ইয়াৰ এটা বিচাৰ হ'ব।

উপাধ্যক্ষ মহোদয়, মই মোৰ নিজৰ এটা অতি বাস্তৱ সত্য কথা ক'ব বিচাৰিছো, মই ১৯৮৫ চনত প্ৰথম বাৰৰ বাবে বহুত আশা লৈ বিধায়ক হৈ অসম বিধান সভালৈ আহিছিলো। ভাবিছিলো ইমান দিনে অশান্ত হৈ থকা অসমত অন্ততঃ কিবা এটা কৰিব পাৰিম, সেয়েহে দেহে-কেহে খাটিছিলো। সেই সময়ত আমাৰ শক্তি মন্ত্ৰী আছিল স্বৰ্গীয় ললিত ৰাজখোৱা। তেখেতে অতি উদ্যামেৰে আৰু অবিৰত ভাবে কাম কৰিছিল, উদ্দেশ্য আছিল Power Project স্থাপন কৰা। সেইবাবে তেখেতে বিভিন্ন ঠাইত যেনে Dibrugarh, Sivsagar, Jorhat আদি ঠাইত মাটি চাই ফুৰিছিল আৰু তেখেতৰ পচন্দৰ মাটি খিনি Sivsagar ৰ মোৰ সমষ্টিতে বিচাৰি পালে। প্ৰায় ১০৩০ বিঘা মাটি A.S.E.B. ৰ লগত চুক্তি কৰি ল'লে। কথাটোত আমি সকলোৱে বহুত আনন্দ পাইছিলো, যিহেতু সেই সময়ত আমাৰ Power Sector টোৰ অৱস্থা বৰ শোচনীয় আছিল।

উপাধ্যক্ষ মহোদয়, সেই সময়ত আমাৰ Power requirement আছিল 1500 Mega Watt কিন্তু আমাৰ নিজৰ Production Capacity হল মাত্ৰ 250 Mega Watt. আজি 35-40 বছৰ হৈ গল Power Sector টোৰ কিন্তু উন্নতি নহ'ল । সেই সময়তেই ৰাজখোৱা দেৱে গেছ ভিত্তিক তাপ বিদ্যুৎ প্ৰকল্প এটা প্ৰতিষ্ঠা কৰিবলৈ লৈছিল। ইয়াত 650 Mega Watt ৰ Power Produce কৰা হ'ব। নিয়মানুসৰি মাটি লোৱা হল, Government of India য়েও Water Clearence দিলে, Environmental and Aviation Clearence আদি কৰি সকলো খিনি কৰি কাম পৰ্য্যায় ক্ৰমে কৰি দিলে। আনকি আমাৰ তেতিয়াৰ মুখ্যমন্ত্ৰীয়ে আধাৰশিলাওঁ স্থাপন কৰিলে। গতিকে তাৰ মানুহ খিনিয়ে ধৰি ল'লে যে Project টো নিশ্চয়কৈ স্থাপন হৈ যাব, কাৰণ ইতিমধ্যে Power Project ৰ ফালৰ পৰাওঁ তাত বিভাগীয় ভাবে ৰাষ্টা-ঘাট আৰু অফিচ আদি বনাই ললে। Government of India ই 1.05mm Gas Linkage দিলে আৰু লগতে ইয়াকো জনোৱা হল যে First Phase ত 360 Mega Watt Power Produce কৰা হব। তাৰ পিচত President Rule হ'ল, Government Change হল, তাৰ লগে লগে Power Project ৰ কামো স্থবিৰ হৈ গ'ল।

এতিয়া কথাটো হল - সদনত বাজেট উত্থাপন হৈ আছে প্ৰতি বছৰে, ৰাজ্যপালৰ ভাষণো দি আছে প্ৰতি বছৰে, কিন্তু কতো আমগুৰিত স্থাপন হবলগীয়া Power Project সম্পৰ্কে কোনো তথ্য বা মতামতেই প্ৰকাশ নকৰিলে। এই Project টো 1993-94 ত হবলগীয়া Project আছিলে, কিন্তু মই জনাত Government of India ই Gas Linkage টো বেছি দিনলৈ Reserve কৰি বা ৰাখি নথয়।

তাৰ পিচত 1996 ত আকৌ Government Change হল, আমি Power লৈ আহিলো, আমি আকৌ লাগিলো যাতে এইবাৰ Project ৰ কামটো সম্পূৰ্ণ হৈ উঠে। আমি

তেতিয়া কেন্দ্ৰীয় শক্তি মন্ত্ৰীক লগ কৰিলো আৰু তেখেতে আমাক পুনৰ .05mms Gas Linkage দিলে। আমাৰ আগৰ Gas Linkage টো তেনেদৰে গুচি গল। আমাৰ বৰ্তমানৰ অধ্যক্ষ মহোদয় তেতিয়া শক্তি মন্ত্ৰী আছিল। যেতিয়া Government of India ৰ দ্বাৰা Tender Call কৰা হল, তেতিয়া মাত্ৰ এখনহে Tender পৰিলে। ফলত Re-Tendering কৰা হ'ল। 1000 কোটি টকাৰ ব্যয় সাপেক্ষ 1993-94 ত Commission হবলগীয়া This Power Project has not come into force till date.

এই সদনত আমি সকলোৰে দেশৰ উন্নতি বিচাৰি জনকল্যাণ বা জনহিতকৰ কথা কৈ থাকো, সাধাৰণ মানুহৰ উপকাৰৰ হকে কাম কৰাৰ কথা কৈ থাকো কিন্তু Where is this Project?

আমি সকলোৰে লগ হৈ নিৰ্বাচিত কৰা আমাৰ মাননীয় মুখমন্ত্ৰী ডাঙৰীয়াই শাসন ভাৰ গ্ৰহণ কৰিয়েই কৈছিল "আমি এই প্ৰকল্পৰ কাম আৰম্ভ কৰিম" আৰু আমি দেখিছো তেখেতৰ কথা মতেই এতিয়া Project ৰ কাম আৰম্ভ হৈছে, যেনে- Boundary Wall নিৰ্মান আদি। মই এইখিনিতে এটা কথা উল্লেখ কৰিব বিচাৰিছো যে International Level ত Solar System ৰ ওপৰত Delhi ত এখন মিটিং হৈছিল আৰু তাতে এইটো থিৰাং কৰা হল যে আগৰ Gas Based Power Project ৰ পৰিবৰ্তে এতিয়া এইটো Solar Project লৈ Convert কৰিববলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

সেয়েহে মই ভাবিছো - এই কাম কৰাৰ উদ্যম থকা, জনকল্যাণৰ কাৰণে চিন্তা কৰা, দুখীয়া মানুহৰ কাৰণে চিন্তা কৰা আৰু কেৱল মুখেৰে কৈ নাথাকি প্ৰতিশ্ৰুতিক কাৰ্য্যত পৰিণত কৰা সকলৰ হাতত যিহেতু শাসনৰ বাঘজৰী পৰিছে, গতিকে এইবাৰ নিশ্চয় প্ৰকল্পৰ কাম সম্পূৰ্ণ হৈ জনকল্যানৰ বাবে জনসাধাৰণৰ মাজলৈ ওলাই আহিব।

যি সকলে সামাজিক দায়বদ্ধতা মূৰ পাতি লৈ দলীয় স্বাৰ্থত্যাগ কৰি জনকল্যাণ বা জনহিতৰ কাৰণে কাম কৰিব নোৱাৰে তেনে লোকৰ হাতত শাসন ভাৰ পৰিলে আমাৰ দেশৰ কেতিয়াওঁ উন্নতি বা মঙ্গল হব নোৱাৰে।

এটা প্লেন কৰিব লাগিব সপোন এনে দেখিব নোৱাৰে। তেওঁৰ মনত বহু কথা থাকিব লাগিব তেতিয়াহে সপোন দেখিব। মই উপাধ্যক্ষ মহোদয় আৰু এটা কথা ক'ব বিচাৰিছো। আমগুৰি Solar Project। এইটো এতিয়া যেনিবা গেছভিত্তিক নহয়। গেছটো গ'ল এতিয়া এইটো Solar আহি গ'ল । এই প্ৰজেক্টৰ এতিয়া কাম আৰম্ভ হৈছে। মই ভাৱো এইটো এইবাৰ সম্পূৰ্ণ হ'ব। উপাধ্যক্ষ মহোদয়, অন্যই যোৱাৰ দৰে মইও বিদেশলৈ যোৱাৰ সুবিধা পাইছিলোঁ। এই সদনৰ এজনৰ মেম্বাৰ হোৱাৰ কাৰণে মই গৈছিলো। জাৰ্মানীত যাওঁতে মই ৰাইন নদীখনৰ পাৰে পাৰে ট্ৰেইনত গৈছিলোঁ। আমাৰ ইয়াৰ ট্ৰেইন আৰু তাৰ ট্ৰেইনৰ পাৰ্থক্য আছে। আমি গৈ থাকোতে দেখিছোঁ টেইন লাইনৰ তলত ৰাস্তা আছে। গাড়ী, বাছ চলি আছে। ৰাতিপুৱাৰ পৰা গধুলিলৈকে ব্যস্ত হৈ থাকে আৰু বহুতো transportation হৈ আছে। সেইটো কাৰণে কি হৈছে সেই নদীখন নদী হৈয়ে আছে। এখন Un utilized হৈ পৰি থকা নৈ নহয়। সেই নৈখনে তাৰ জনসাধাৰণক সমস্যাত পেলোৱা নাই। ব্ৰহ্মপুত্ৰ নদীখনক এনেদৰে ব্যৱহাৰৰ উপযোগী কৰা ভাল।

**(মাননীয় অধ্যক্ষ মহোদয় সদনৰ আসনত উপৰিষ্ট হয়)**

এতিয়া অধ্যক্ষ মহোদয়, কিছু কথা ইয়াত কোৱা হৈছে যে, Water resource ত পইচা আৰু

দিব লাগিছিল। পইচা আৰু দিয়াটো আমি বিচাৰো কাৰণ সেইটো সমস্যা আমাৰ অসমৰ জনসাধাৰণৰ কাৰণে ডাঙৰ সমস্যাবিলাক ওপৰত থকা এটা সমস্যা। এতিয়া যিটো পৰিকল্পনা কৰিছে , আমি পৰিকল্পনাটো খুব ভাল পাইছো। আৰু সেইটো বাস্তৱত অহাটো আমি বিচাৰিছো। This is very practical Scheme Minister has been taken up। ব্ৰহ্মপুত্ৰ খনন কৰাৰ বাহিৰে কোনো গত্যন্তৰ নাই। সাগৰলৈকে সম্পূৰ্ণ পৰিস্কাৰ কৰিব লাগিব। ইয়াৰ গোটেই Siltation খিনি সাগৰলৈ যাব লাগিব। তেতিয়া আমাৰ যিবোৰ tributaries আছে, নিজে নিজেchannelize হ'ব । নদীখনৰ কথা এই কাৰণে কৈছো। ইয়াত ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে যিটো ৰাস্তাৰ কথা কোৱা হৈছে সেইটো খুব প্ৰেক্টিকেল কথা। হয়তো দুই চাৰিটা water reservoir ৰ ৰাস্তাৰ কাষে কাষে বনাবলগীয়া হ'ব পাৰে। একচেজ পানী ৰাখিবলৈ water reservoir হয়তো বনাবলগীয়া হ'ব পাৰে। সেই কাৰণে অধ্যক্ষ মহোদয় আমি ভাবো যে এইটো এটা যিহেতু আমাৰ জীৱন মৰণৰ লগত জড়িত এটা সমস্যা, সেয়ে এই সমস্যাটো সমাধানৰ ক্ষেত্ৰত মই ভাবো যে চৰকাৰে যিমান ভাল ধৰণে ব্যৱস্থা লয়, আমাৰ কাৰণে মঙ্গল হ'ব। কাৰন প্ৰতি বছৰে ইয়াত শ শ কোটি টকা খৰছ কৰি থকা হৈছে। আৰম্ভনিৰে পৰা যিমান টকা খৰছ কৰা হৈছে আমি দুয়োটা পাৰ পকা কৰিব পাৰিলোহেঁতেন। সেই কাৰনে এই সমস্যাবিলাক আহিছে যিটো আমাৰ সদস্যসকলে কৈ আছে।

**মাননীয় অধ্যক্ষঃ** আপোনালোকৰ ক'বলৈ আৰু দুগৰাকীয়ে নাম দি থৈছে। দলৰ যদি আপত্তি নাই মোৰ ক'বলগীয়া নাই ?

**শ্ৰীপ্ৰদীপ হাজৰিকা ঃ**. আপত্তি নাই। অধ্যক্ষ মহোদয় এই নৈখন য'ৰ পৰা ওলাইছে। তাৰ পৰা আৰু দুখন নৈ ওলাইছে। মই দাঙি ধৰিব বিচাৰিছো। ইখন হৈছে ম্যানমাৰৰ ইৰাৱতী আৰু লাওচৰ মেকং নৈ। এই দুয়োখন নদী কিন্তু এইটো উৎসৰ পৰা ওলাইছে। এতিয়া এই ইৰাবতী নৈৰ ওপৰত ১০ বছৰমান আগতে পৃথিৱীৰ আটাইতকৈ ডাঙৰ floating bridge আছিলে সেই খন দ্বিতীয় বিশ্বযুদ্ধৰ পিচতে বৃটিছবিলাকে বনাইছিলে আৰু সেই ব্ৰীজখন ভাঙি এতিয়া গোটেই ৰাটাৰ বডিটো মুকলি কৰি জাহাজ চলাচল কৰাৰ ব্যৱস্থা কৰিছে। যিহেতু এডভানটেজ আছামৰ যিটো সন্মিলন ইয়াত হৈ গ'ল। South est Asian Country ৰ লগত যিহেতু সকলো ব্যৱসায়-বানিজ্য আদিৰ পৰা সকলোধৰণৰ যোগাযোগৰ ব্যৱস্থা ঠিক কৰিবলৈ লোৱা হৈছে। এটা প্লেন কৰিব লাগিব সপোন এনে দেখিব নোৱাৰে। তেওঁৰ মনত বহু কথা থাকিব লাগিব তেতিয়াহে সপোন দেখিব। মই উপাধ্যক্ষ মহোদয় আৰু এটা কথা ক'ব বিচাৰিছো। আমগুৰি Solar Project। এইটো এতিয়া যেনিবা গেছভিত্তিক হোৱাৰ কথা আছিল। এতিয়া এইটো Solar হ'ল । এই প্ৰজেক্টৰ এতিয়া কাম আৰম্ভ হৈছে।

এতিয়া অধ্যক্ষ মহোদয়, কিছু কথা ইয়াত কোৱা হৈছে যে, Water resource ত পইচা আৰু দিব লাগিছিল। পইচা আৰু দিয়াটো আমি বিচাৰো কাৰণ সেইটো সমস্যা আমাৰ অসমৰ জনসাধাৰণৰ কাৰণে ডাঙৰ সমস্যাবিলাক ওপৰত থকা এটা সমস্যা। এতিয়া যিটো এটা পৰিকল্পনা কৰিছে , আমি পৰিকল্পনাটো আমি খুব ভাল পাইছো। আৰু সেইটো বাস্তৱত অহাটো আমি বিচাৰিছো। This is very practical Scheme has been taken up। ব্ৰহ্মপুত্ৰ খনন কৰাৰ বাহিৰে কোনো গত্যন্তৰ নাই। সাগৰলৈকে সম্পূৰ্ণ পৰিস্কাৰ কৰিব লাগিব। ইয়াৰ গোটেই Siltation খিনি সাগৰলৈ যাব লাগিব। তেতিয়া আমাৰ যিবোৰ tributaries আছে, নিজে নিজেchannelize হ'ব । নদীখনৰ কথা এই কাৰণে কৈছো। ইয়াত ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে যিটো ৰাস্তাৰ কথা কোৱা হৈছে সেইটো খুব প্ৰেক্টিকেল কথা। হয়তো দুই চাৰিটা water reser-

voir ৰ ৰাস্তাৰ কাষে কাষে বনাবলগীয়া হ'ব পাৰে। একচেজ পানী ৰাখিবলৈ water reser-voir হয়তো বনাবলগীয়া হ'ব পাৰে। সেই কাৰণে অধ্যক্ষ মহোদয় আমি ভাবো যে এইটো এটা আমি যিহেতু আমাৰ জীৱন মৰণৰ লগত জড়িত এটা সমস্যা, সেয়ে এই সমস্যাটো সমাধানৰ ক্ষেত্ৰত মই ভাবো যে চৰকাৰে যিমান ভাল ধৰণে ব্যৱস্থা লয়, আমাৰ কাৰনে মঙ্গল হ'ব। কাৰন প্ৰতি বছৰে ইয়াত শ শ কোটি টকা খৰছ কৰি থকা হৈছে। আৰম্ভনিৰে পৰা যিমান টকা খৰছ কৰা হৈছে আমি দুয়োটা পাৰ পকা কৰিব পাৰিলোহেঁতেন। সেই কাৰনে এই সমস্যাবিলাক আহিছে যিটো আমাৰ সদস্যসকলে কৈ আছে।

**মাননীয় অধ্যক্ষঃ** আপোনালোকৰ ক'বলৈ আৰু দুগৰাকীয়ে নাম দি থৈছে। দলৰ যদি আপত্তি নাই মোৰ ক'বলগীয়া নাই ?

**শ্ৰীপ্ৰদীপ হাজৰিকা ঃ**. আপত্তি নাই। অধ্যক্ষ মহোদয় এই নৈখন য'ৰ পৰা ওলাইছে। তাৰ পৰা আৰু দুখন নৈ ওলাইছে। মই দাঙি ধৰিব বিচাৰিছো। ইখন হৈছে ম্যানমাৰৰ ইৰাৱতী আৰু লাওচৰ মেকং নৈ। এই দুয়োখন নদী কিন্তু এইটো উৎসৰ পৰা ওলাইছে। এতিয়া এই ইৰাবতী নৈৰ ওপৰত ১০ বছৰমান আগতে পৃথিৱীৰ আটাইতকৈ ডাঙৰ floating bridge আছিলে সেই খন দ্বিতীয় বিশ্বযুদ্ধৰ পিচতে বৃটিছবিলাকে বনাইছিলে আৰু সেই ব্ৰিজখন ভাঙি ফালে এতিয়া গোটেই ৰাটাৰ বডিটো মুকলি কৰি জাহাজ চলাচল কৰাৰ ব্যৱস্থা কৰিছে। যিহেতু এডভানটেজ আছামৰ যিটো সন্মিলন ইয়াত হৈ গ'ল। South est Asian Country ৰ লগত যিহেতু সকলো ব্যৱসায়-বানিজ্য আদিৰ পৰা সকলোধৰণৰ যোগাযোগৰ ব্যৱস্থা ঠিক কৰিবলৈ লোৱা হৈছে। আৰু ইতিমধ্যে Sustainable development Goal ৰ ওপৰত যথেষ্ট আলোচনা হৈছে। এতিয়া সেই কাৰণে South east Asin Country ৰ লগত যদি আমাৰ সঁচাকৈ এইখিনি কৰাৰ কাৰণে আগবঢ়া হৈছে মই সচাকৈ ভাবো যে water Route connectivity আৰু Air connec-tivity এইকেইটা হ'ব লাগিব। এতিয়া সেই কাৰণে এইটো চিটাগং পোৰ্টলৈ যায় তেতিয়া মই ভাবো water connectivity সহজতে হৈ যাব। মই ভাবো Road connectivityটো অধ্যক্ষ মহোদয়, মই এদিনৈ কছিলো মই আকৌ ক'ব খুজো যে ট্ৰেন্স এছিয়েন হাই ৰে যিটো আহিছে সেইটোৱে কিন্তু আমাক কিমান উপকাৰ কৰে, মোৰ সন্দেহ আছে । এই কথাটো আগতে এবাৰ মই দাঙি ধৰিছিলোঁ আজি পুনৰ দাঙি ধৰিব বিচাৰিছো। এইটো কি হৈছে অধ্যক্ষ মহোদয়, ট্ৰেন্স এছিয়ান হাইৱেটো ম্যানমাৰৰ পৰা আহি ইম্ফলৰ মাজেৰে শিলচৰ হৈ পেলাই জিৰিবামেৰে বাংলাদেশ লৈ গুছি যাব। এই কথাটো মই আগতে কৈছো যদিও কোনেও গুৰুত্ব নিদিলে। যিহওক এই কথাটো মই পুনৰ দাঙি ধৰিছো। এতিয়া এই ট্ৰেন্স এছিয়ান হাইৱেটো হোৱা খুবেই ভাল কথা কিন্তু আমাৰ এই অঞ্চলটোত এই ৰোডটোৰ পৰা বেনিফিট কিন্তু নহ'ব। আৰু অধ্যক্ষ মহোদয়, আৰু এটা মই দেখিছো লুক ইষ্ট পলিচিৰ যিটো কথা কৈছে। এইটো দিল্লীয়ে কৈছে যে এইটো অগ্নি কোণ। আৰু এই অগ্নি কোণটো ভাল কৰিলে আমাৰ দেশখনৰ মঙ্গল হ'ব । দিল্লীৰ পৰা লুক ইষ্টটো এইফালে চাই লৈছে কিন্তু দিশপুৰে লুক ইষ্টটো কোনফালে ল'ব? দিশপুৰে লুক এক্টটো কোন দিশত লৱ। আমাৰ যিহেতু মাৰ্ঘেৰিটা হৈ যিটো ষ্টীলৱেলথ পথ আছে এইটো অধ্যক্ষ মহোদয় এই ৰাস্তাটো দ্বিতীয় বিশ্বযুদ্ধৰ সময়তে বনোৱা ৰাস্তা । এতিয়া এই ৰাস্তাটো ভাল হৈ আছে, মাজে মাজে ভাঙি আছে। এতিয়াও মটৰ বাইক লৈ যাব পৰা অৱস্থাত আছে। হয়তো দলং দুই চাৰিখন ভাঙি আছে , গাড়ী লৈ যাব নোৱাৰি। এতিয়া এই পথটো যদি মুকলি কৰা হয় তেন্তে লাওছ হৈ

পেলাই সেইফালে ম্যানমাৰ হৈ , থাইলেণ্ড , লাওচ , মালয়েচীয়া হৈ ইণ্ডোনেচীয়া লৈকে যাব পাৰি। সেই কাৰণে মই ভাবোঁ যে এই পথটো মুকলি কৰাৰ বাবে আমাৰ State Government যিহেতু এডভানটেজ আছাম, লুক এক্ট পলিচি আৰু চাচটেইনৰল ডেভল'পমেন্ট গোল এই গোটেইবিলাক বস্তু কৰিবলৈ আৰু ইয়াত economic hub কৰিবলৈ যত্ন কৰা হৈছে। এতিয়া এই কথাখিনি আপোনালোকৰ দৃষ্টিলৈকে আনিলো। আমাৰ জনসাধাৰণৰ মঙ্গল হোৱাকৈ বাজেটখনত প্ৰতিটো সমষ্টিত দুখনকৈ গাওঁৰ উন্নয়ন কৰিবলৈ লোৱা হৈছে। সকলো গাঁও হয়তো অন্তৰ্ভুক্ত নহ'ব। আমাৰ অসমতধৰক ২৫- ৫০ হাজাৰখন মান গাঁও আছে। কিন্তু দুইখনকৈ হ'লেও আৰম্ভনিটো খুব ভাল । দুখনকৈ গাঁও যদি আমি সচাকৈ চকুত লগাকৈ নিৰ্মান কৰিব পাৰো এইটো আমাৰ সমাজৰ কাৰনে ডাঙৰ example হ'ব। আগতে মই দেখিছো আমাৰ বিধান সভা শেষ হোৱাৰ পিচত কাম কৰিবলগীয়া নাই আৰু মই যদি বিৰোধী হ'লো তেতিয়া হ'লে কাম নায়েই। ইয়াত কথাখিনি ক'বলগীয়া হয়। এতিয়া বিৰোধীয়ে হওঁক, শাসকীয় দলৰে হওঁক সকলো পক্ষই কিন্তু এই কামবিলাকত ব্যস্ত হ'ব পাৰে। সকলো ল'ৰাই কাম কৰিবলৈ আহিছে আমি যদি কাম দিব নোৱাৰে টাইমটো এনেই খৰছ কৰিব। গাওঁত বহুত লৰা আছে কোনোবাই তাছ খেলি আছে কোনোবাই কেৰম খেলি আছে। এতিয়া Human resource development টো unutilized হৈ আছে। আমি যদি সেইবিলাক proper utilize কৰিব পাৰিলোহেতেন তেন্তে তাৰ পৰা production হ'লহেতেন। সেইকাৰণে মই ভাৱো এইটো ক্ষেত্ৰত এই যিটো লোৱা হৈছে এইটো এটা সুন্দৰ পদক্ষেপ। এইটোৱে আমাৰ বহুত কাম কৰিব আৰু এটা কথা হয় যে আমাৰ বহুত লৰাই বাহিৰলৈ গুছি গৈছে, যোৱৰ মূল কাৰণটো হ'ল যে আমি তেওঁলোকক properly guide কৰিব পৰা নাই। properly guide নকৰাৰ কাৰণে তেওঁলোকে গুছি গৈছে আৰু তেওঁলোকৰ কোনো উপায়ো নাই। তেওঁলোকক যদি কিবা উপায় দিয়া হয়, তেওঁলোকে কেতিয়াও দেশ এৰি নাযায়। আৰু এইটো যোৱাতো আমাৰ কাৰণে বহুত লোকচান হৈছে। এটা এটাই লৰাই, তাৰ যিটো শক্তি আছে, তেওঁলোকে আমাৰ ইয়াত উন্নয়নৰ কাৰণে ব্যৱহাৰ কৰিব পৰা নাই। আমাৰ ৰাজ্যখনৰ উন্নয়নৰ কাৰণে লগাব পৰা নাই। সেইটোৱে গৈ উন্নয়ন কৰিছে বেংগালোৰত, কেৰেলাত, মাদ্ৰাছাত। সেইটো কাৰণে আমি তেওঁলোকৰ দোষীব নোৱাৰো। সেইটো কাৰণে আমি মা-বাপেক বিলাকে দোষী, চৰকাৰ বিলাকে দোষী। আমি এইবিলাক জানিও তেওঁলোকৰ কাৰণে কোনো ধৰণৰ policy কৰা নাই। অধ্যক্ষ মহোদয়, আপুনি হয়তো জানিব যে স্বৰ্গদেওসকল থকাৰ সময়ত কোনো মানুহে কিন্তু এনেয়ে বহি থাকিব নোৱাৰিছিল, সকলো মানুহে কিন্তু কাম কৰি থাকিব লগা হৈছিল। প্ৰত্যেকজনী ছোৱালীয়ে অকলে সাণ্ডহগুৰি খুন্দি ৰজাৰ ঘৰত দিব লগীয়া হৈছিলে। তাৰ মানে কোনোৱে এনেয়ে বহি থকা নাছিলে। চবকে কাম দিছিলে। কুমাৰে কুমাৰৰ কাম কৰিছিল, হিলৌ দাৰীয়ে হিলৌদাৰীৰ কাম কৰিছিলে। এইদৰে সকলোৱে নিজৰ নিজৰ কাম কৰিছিলে। সকলোৱে ব্যস্ত আছিলে। আৰু সেইসময়ত সেইকাৰণে উৎপাদন বাঢ়িছিলে, আৰু কোনো মানুহ দুখীয়া নাছিলে। কোনো ভিক্ষাৰী নাছিলে। অসমীয়া মানুহে ভিক্ষা কৰি খোৱা নাছিলে। এতিয়া অধ্যক্ষ মহোদয়, এই বাজেটখন ঠিক মতে দাঙি ধৰিব নোৱাৰাৰ কাৰণো আছে আৰু যিটো ভুল হয়, সেইটো ভুল হোৱাৰ কাৰণো আছে। কাৰণ ধৰক মোৰ ঘৰত সাতজন মানুহ আছে। মই সাতজন মানুহক চাউল আনি খুৱাব পাৰিম। তাত যদি পিছত সাতজন মানুহ আৰু বাঢ়ি যায়, তেতিয়া কি হ'ব। কাৰণ এই সাতজন বেলেগ মানুহক খুৱাব লগা হ'লে সেইসকলৰ বিষয়ে মই নাজানো। সেইটো মোৰ তালিকাত নাছিল। এনেকুৱা ধৰণৰ uncounted, unregistered যেতিয়া মানুহৰে গোটেইখন ভৰি গ'ল, তেতিয়া আপুনি

দেখিব যে সকলোবোৰ হিচাপ -কিতাপ খেলিমেলি হৈ গ'ল আৰু হুলস্থুল লাগি গ'ল। এতিয়া হিচাপ-কিতাপ ঠিক কৰিবৰ কাৰণে সকলো যদি ঠিকে ঠাকে লগ লাগে তেতিয়াহ'লে এই খেলিমেলি দুৰ হ'ব। নহলে বাজেটৰ ওপৰত শুদ্ধ বাজেট ইয়াত দিবলৈ সহজ নহ'ব।

অধ্যক্ষ মহোদয় Old age pension যিটো দিয়াৰ ব্যৱস্থা কৰিছে। সেইটোৰ কথাও মই দাঙি ধৰিব বিচাৰিছো। এতিয়া signature project ইয়াত শুনিছো, মই নিজে ভাৱো যিহেতু মই নিজে এজন ক্ৰীড়া হয়, মই কেনেকৈ ল'ৰা-ছোৱালীবিলাকক ঠিক ঠাক কৰি দিব লাগে জানো। কিন্তু পইচা নাই কাৰণে নোৱাৰো। **১০, ১২** হাজাৰে একো নহয়।এইবাৰ signature project বাজেটত আগবঢ়াইছে। এই project ৰ যোগেদি মই তাত stadium এটা বনাৱোৰ কাৰণে লব পাৰিছো। আৰু আমাৰ বিধায়ক সকলৰ কাৰণেও এইটো এটা ডাঙৰ সুবিধা হ'ল যে আমাৰ অঞ্চলটোৰ আগবঢ়াই লৈ যোৱাৰ ক্ষেত্ৰত আমি তেনেকুৰধৰণৰ এটা ডাঙৰ কাম কৰিবৰ কাৰণে সাহস গোটালো।

এতিয়া অধ্যক্ষ মহোদয়, কৃষি বিভাগতো আমাৰ কৃষক সকলে কয় বোলে মই কৃষি লোণ এটা লৈছিলো। এতিয়া মোক বাকীযায় কেচ এটা দি এনেকুৰা তেনেকুৰা কৰিছে। এতিয়া সেই কাৰণে কৃষক সকলৰ কাৰণে যিটো পইচা দি লোণ মৰাৰ ক্ষেত্ৰত সহায় কৰিবলৈ চৰকাৰ আগবাঢ়ি আহিছে, মই ভাৱো যে কৃষকসকলক যদি তেনেকৈ সহায় কৰে, তেতিয়াহলে ইয়াতকৈ ডাঙৰ কথা কেতিয়াও হ'ব নোৱাৰে। সেই কাৰণে মই এটা কথা কব বিচাৰিছো যে **১৯৯৮-৯৯** চনত চৰকাৰে এখন বিজ্ঞাপন কৰিলে যে ইমান হাজাৰ পদ খালী আছে। আৰু সেই বিজ্ঞাপনৰ পিছতে আবেদনো ললে।ৰাজ্যপালৰ চহীত এখন sub-division level ত নিৰ্বাচনী সমিতি বনাই দিলে। বনোৱাৰ পিছত তাত নিৰ্বাচনো হ'ল। শিক্ষকৰ নিযুক্তি হ'ল, চাকৰী কৰিলে আৰু **২০১২** চনলৈকে দৰমহা পালে। এতিয়া এই মানুহ বিলাকৰ তাত কি দোষ আছিল, তেওঁলোকৰ পি এফ খুলিলে, তেওঁলোকে প্ৰশিক্ষণো ললে, কামো কৰি আছে। কিন্তু তেওঁলোকৰ দৰমহা দিয়া নাই। এতিয়া এই মানুহখিনিৰ দোষটো ক'ত হ'ল। এই কথাটো কৈ মই শেষ কৰিব খুজিছো যে এইটো মই ভাৱো most injustice কৰা হৈছে। এই মানুহবিলাকৰ **১৫৩৩** জন নে কিমান আছে, যিখিনিয়ে ভালকৈ interview দি পেলাই নিৰ্বাচিত হৈ তেওঁলোকে নিযুক্তি পালে, প্ৰশিক্ষণ দি পেলাই, তেওঁলোকৰ পি এফ খুলিলে। দৰমহা পাই থাকিলে **২০১২** চনলৈকে। এই মানুহ বিলাকে দৰমহা নোপোৱাটো মই ভাৱো যে injustice হৈছে। তেওঁলোকে এই justice টো পোৱাটো মই বিচাৰো। এতিয়া যিহেতু কথাখিনি চমু কৰিবলৈ কৈছে, সেইকাৰণে মই দীঘলীয়া কৰিবলৈ খোজা নাই।

PWD ৰ ক্ষেত্ৰত এটা কথা কম, PWD য়ে যোৱা বাৰো পইচা দিয়া বুলি কৈছে **৮০০** কোটি টকা। কিন্তু NH-37 টো নুমলিগড়ৰ পৰা আপুনি আগলৈ গাড়ি লৈ যাব নোৱাৰে। এইটো **২০১৩** চনৰ মানৰ পৰা চলি আছে যে four lane হব বুলি মানুহবিলাকে আশা কৰি আছে। কিন্তু এতিয়ালৈকে হোৱা নাই। এইটো সোনকালে যাতে হয় তাৰ ব্যৱস্থা কৰিব আশা কৰি সামৰিলো।

**মাননীয় অধ্যক্ষঃ** এইটো বিষয়ৰ লগত সম্পৰ্কথকা জাননী মই পাইছো। কালি বা পৰহিলৈ তাত আপুনি কব।

**শ্ৰী প্ৰদীপ হাজৰিকা, আমগুৰিঃ** ঠিক আছে, অধ্যক্ষ মহোদয়, এই কথাখিনিয়ে যিখন বাজেট আমাৰ চৰকাৰৰ ফালৰ পৰা দাঙি ধৰা হৈছে। এই বাজেটখনে এটা নতুনত্ব আনিছে বুলি মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া আমাৰ হাতত সময় কম, আমাৰ গোটেই কেইটা বিধায়নি দলকে কবলৈ দিয়া হ'ল। বি পি এফ দলক দিয়া হোৱা নাই। সেয়েহে মই বি পি এফ দলৰ এজনক

আৰম্ভ কৰিবলৈ কৈছো । কালিলৈ continue কৰিব।

**শ্ৰী চন্দন ব্ৰহ্মা,চিদলীঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম বাৰৰ কাৰণে অসম বিধান সভাত আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াই যোৱা কালি যিটো ডিজিটেল বাজেট উত্থাপন কৰিলে, সেইটোকে প্ৰথমে ধন্যবাদ জ্ঞাপন কৰিছো। বেছি দীঘলীয়া বক্তব্য ৰখাৰ কাৰণে আচলতে মই ইমান প্ৰয়োজন বোধ কৰা নাই। শাসক আৰু বিৰোধীৰ বিভিন্ন জনৰ মতামত থাকিবই। কিন্তু বি পি এফ দলৰ ফালৰ পৰা প্ৰথমতে আমাৰ মাননীয় মুখ্যমন্ত্ৰী আৰু বিত্ত মন্ত্ৰী ডাঙৰীয়াক অশেষ ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো। এইটো হ'ল ঐতিহাসিক বড়ো আন্দোলনৰ যি বীৰ শ্বহীদসকল, তেখেতসকলক স্বীকৃতী প্ৰদান কৰি তেখেতসকলৰ আত্মীয়লৈ ৫ লাখকৈ যি আৰ্থিক অনুদান আগবঢ়াইছে, সেইটোৰ কাৰণে সকলো আমাৰ ৰাইজৰ হৈ, সংগ্ৰামীসকলৰ হৈ, দলৰ হৈবহুত বহুত ধন্যবাদ থাকিলে। লগতে বড়ো লেণ্ডৰ সংগ্ৰাম, বি টি চিৰ সৃষ্টি তাৰ লগতে জৰিত থকা অতি গুৰুত্বপূৰ্ণ বিষয় ইয়াত সংযোজন কৰিব বিচাৰিছো। আমাৰ বি এল টি চুক্তি হ'ল, আত্মসমৰ্পণ হ'ল, মুল সুতীলৈ আহি গ'ল, Ex-BLT হ'ল। মাননীয় অধ্যক্ষ মহোদয়, এই Ex-BLT ইতিমধ্যে para military force ত চুক্তিৰ আধাৰত ৯০০ জন recruit হৈ গ'ল। খুব কম সংখ্যক recruit হ'বলৈ থাকি গ'ল। তেখেতসকলক সংস্থাপনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব পৰা নাই, এইটো ইয়াত সংযোজন কৰাটো আমি বিচাৰো। আৰু লগতে যিকেইজন আমাৰ আত্মসমৰ্পনকাৰী NDFB, মুল সুতীলৈ আহিল, তেওঁলোককো আৰ্থিক সাহাৰ্য্য দি সংস্থাপনৰ ব্যৱস্থা কৰাটো আমি বিচাৰো।

**মাননীয় অধ্যক্ষ** ঃ আমাৰ এখন বিল আছিলে, “The Assam Authoritative Texts (State Laws) Bill, 2018” মই এই বিলখন উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰিবলৈ মাননীয় Parliamentary Affairs মন্ত্ৰীক অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ Hon'ble Speaker Sir, I on behalf of Shri Sarbananda Sonowal, Chief Minister of Assam beg leave to introduce “The Assam Authoritative Texts (State Laws) Bill, 2018”

**মাননীয় অধ্যক্ষ** ঃ হাউচৰ এই বিলখন অনুমতি দিয়াৰ সদনত সন্মতি আছে নে ? মই বুজিলোঁ অনুমতি দিয়া হৈছে, মই এতিয়া বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলোঁ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ Hon'ble Speaker Sir, “The Assam Authoritative Texts (State Laws) Bill, 2018” সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ মই বিধান সভাৰ প্ৰধান সচিবক বিধায়কখনৰ শিৰোনোমা পঢ়ি দিবলৈ কলো।

**প্ৰধান সচিব** ঃ বিধেয়ক খনৰ শিৰোনামা “The Assam Authoritative Texts (State Laws) Bill, 2018”

**মাননীয় অধ্যক্ষ ঃ সদন এতিয়া অহাকালি ৰাতিপুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হ'ল।**